Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 11, 2025 ■ শুকুৰবাৰ, ২৮ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০৪ Guwahati, Assam ।। মূল্যঃ এটকা



বগাজুলিত এৰী পলু হাতেৰে চুই চালে ৰাজস্থান বিধানসভাৰ অধ্যক্ষই

**সংবাদমেল পাতি হিমন্তক তুলাধুনা ভূপেনৰ**

## ভাষা-সংস্কৃতিৰ সাধক নগেন ঠাকুৰৰ দেহাৱসান

ই-সংবাদ, ১০ এপ্ৰিলঃ ৰঙালী বিহুৰ প্ৰাকমুহূৰ্তত অসমীয়া জাতিয়ে হেৰুৱালে ভাষা-সাহিত্যৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰা এগৰাকী মহান অসমীয়াক। নীৰৱে অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ বাবে কাম কৰি যোৱা বিশিষ্ট সাহিত্যিক- শেষাংশ ৯ পৃষ্ঠাত

## সূৰ্য বৰুৱাৰ বাসগৃহত পুনৰ অভিযান

ই-সংবাদ, ১০ এপ্ৰিলঃ দুৰ্নীতি সম্ৰাট নামেৰে কলংকিত শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য ৩ নং পৃষ্ঠাত

## দৰমহা নিদিলে বিহুৰ মাজতে প্ৰতিবাদৰ হুংকাৰ

ই-সংবাদ, ১০ এপ্ৰিলঃ বাঘ এতিয়া শুই আছে। সাধাৰণ কেৰাণী-মহৰীৰ দৰে কৰ্মচাৰীয়ে কোনোবাই ২০০০ টকা ল'লেই বাঘৰ ২ পৃষ্ঠাত চাওক

**কেৰাণী-মহৰীৰ ওপৰত বাঘ হৈ জঁপিওৱা হিমন্তৰ মৌনতাক লৈ প্ৰশ্ন**

## মাত্ৰ এজন শিক্ষকেৰে চলি আছে প্ৰাথমিক বিদ্যালয়!

### কোকৰাঝাৰত এবছৰ পৰ্যালোচনা বৈঠক

ই-সংবাদ, কোকৰাঝাৰ, ১০ এপ্ৰিলঃ গুণোৎসৱৰ ফলাফলত ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ প্ৰদৰ্শন অতি নিম্নগামী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ৪ পৃষ্ঠাত চাওক

## মৃদুপৱনৰ বিৰুদ্ধে দাখিল চাৰ্জশ্বিট

ই-সংবাদ, ১০ এপ্ৰিলঃ অৱশেষত বিতৰ্কিত চিকিৎসক মৃদুপৱন নাথ আৰু ৰিম্পি বৰুৱাৰ ১০ পৃষ্ঠাত

**প্ৰতীক্ষাৰ অৱসান! বিমানবন্দৰতে গ্ৰেপ্তাৰ এনআইএৰ, হাজিৰ পাটিয়ালা ক'ৰ্টত**

# ২৬/১১ৰ খলনায়ক তাহাউৰৰ ভাৰতলৈ প্ৰত্যাৰ্পণ

● দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ অন্তত ভাৰতৰ হাতলৈ ঘূৰি আহিল তাহাউৰ, তদন্তৰ নেতৃত্ব দিব ২৬/১১ৰ বীৰ সদানন্দই



নতুন দিল্লী, ১০ এপ্ৰিলঃ অৱশেষত ভাৰতলৈ প্ৰত্যৰ্পণ ঘটিল ২৬/১১ ৰ মুম্বাই আক্ৰমণৰ অন্যতম মাষ্টাৰমাইণ্ড তাহাউৰ হুছেইন ৰাণাৰ। আমেৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যৰ্পণ কৰাৰ পিছত বৃহস্পতিবাৰে দিল্লীত অৱতৰণ কৰাৰ লগে লগে চাৰি নং পৃষ্ঠাত



২৬/১১ৰ মাষ্টাৰমাইণ্ড তাহাউৰ ৰাণাক এনেদৰে লৈ যোৱা হয় আদালতলৈ

## উজনি অসমত গা এৰা দি নামনিত ডংকা বজোৱাত ব্যস্ত অখিল!



ই-সংবাদ, ১০ এপ্ৰিলঃ এআইইউডিএফ দলে অত্যধিক আসনত নিৰ্বাচন খেলি ৫ পৃষ্ঠাত

## বন্দীত্বৰ অৱসান! ৬ বছৰৰ অন্তত মুকলি হৈ ওলাল সঞ্জীৱ

ই-সংবাদ, ১০ এপ্ৰিলঃ ২০১৯ চনৰ ১৫ মে'ত গুৱাহাটীৰ আৰ জি বৰুৱা ৰোডত শেষাংশ ১০ পৃষ্ঠাত

## 'চন্দ্ৰত দাগ থাকিলেও মোদীৰ গাত দাগ নাই'

মাঞ্জী, ১০ এপ্ৰিলঃ ৰূপালী পৰ্দাৰ পৰা ৰাজনৈতিক মঞ্চলৈ প্ৰধানমন্ত্ৰী ৯ পৃষ্ঠাত

## ছাগলী চুৰি কৰা আৰক্ষীক নিলম্বন!

### আকৌ খাকীত দাগ

ই-সংবাদ, মুছলপুৰ, ১০ এপ্ৰিলঃ বাক্সা জিলাৰ এগৰাকী আৰক্ষী বেটেলিয়ন জোৱানে ছাগলী ৯ পৃষ্ঠাত

### ধুবুৰীৰ হোটেলত গোপন বৈঠক

## ১০ লাখ টকাত বিক্ৰী হৈ আছে কংগ্ৰেছৰ পঞ্চায়তৰ টিকট!

ই-সংবাদ, ১০ এপ্ৰিলঃ নামনি অসমৰ বিভিন্ন সংখ্যালঘু এলেকাত কংগ্ৰেছৰ একাংশ নেতাৰ বিৰুদ্ধে পঞ্চায়ত নিৰ্বাচনৰ টিকট বিক্ৰী ৩ পৃষ্ঠাত



## ১৬ এপ্ৰিলত ৱাকফক লৈ 'ছুপ্ৰিম' শুনানি

নতুন দিল্লী, ১০ এপ্ৰিলঃ ৰাজনৈতিক মহলত তীব্ৰ বিতৰ্কৰ মাজতে সদ্য গৃহীত ৱাকফ (সংশোধনী) আইনৰ বিৰুদ্ধে দাখিল কৰা কেইবাটাও গোচৰৰ শুনানি গ্ৰহণ কৰিবলৈ সাজু হৈছে দেশৰ উচ্চতম ন্যায়ালয়। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত উচ্চতম পঞ্চম পৃষ্ঠাত চাওক

**মোদী চৰকাৰক প্ৰত্যাহ্বান জনাই দাখিল একাধিক আবেদন**

## মণিপুৰত ২৪ ঘণ্টীয়া সান্ধ্য আইন জাৰি

চুৰাচান্দপুৰ, ১০ এপ্ৰিলঃ মণিপুৰৰ চুৰাচান্দপুৰ জিলাত পুনৰ জনজাতীয় ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰমহা নিদিলে বিহুৰ মাজতে প্ৰতিবাদৰ

দৰে জঁপিয়াই পৰিম বুলি কোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এতিয়া নিজৰ প্ৰাক্তন মন্ত্ৰী আৰু বিধায়কে ৮০-৯০ লাখ টকা খোৱা বুলি অভিযোগ উঠাৰ পিছতো বাঘে জঁপিয়াই ধৰিবলৈ সাহস কৰা নাই। ড০ হিমন্ত বিশ্ব শৰ্মাক শুই থকা দুৰ্বল বাঘ বুলি কটাক্ষ কৰি আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই কয় যে দুৰ্নীতিৰ বিৰুদ্ধে গোঁজৰণি দিয়া বাঘ এতিয়া কাগজৰ বাঘত পৰিণত হ'ল। টোপনিৰ ভাও ধৰা বাঘক নেগুৰত ধৰি জোকাৰি দি ভূপেন বৰাই কয় যে সাহস থাকিলে হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণ আৰু বিধায়ক বিশ্বজিৎ ফুকনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰক। কিয়নো এই দুজন বিজেপি বিধায়কে লাখ লাখ টকা ঘোচ লোৱা বুলি ব্যৱসায়ী ৰাজেশ বাজাজে ৰাজহুৱা অভিযোগ দিছিল। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত গুজৰাটত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ বৈঠকত অংশ লৈ গুৱাহাটীলৈ উভতি আহি আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই গুৱাহাটীৰ ঘোঁৱামাৰাস্থিত নিজ আৱাসত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিবিৰোধী অভিযানক তীব্ৰ সমালোচনা কৰে। এপেক্স বেংকৰ পৰা ২০ কোটি ৩০ লাখ টকা উলিয়াই নিয়া ৰাজেশ বাজাজ নামৰ লোকজনে বিজেপিৰ বিধায়ক বিশ্বজিৎ ফুকনে তেওঁৰ চাহ বাগিচা দখল কৰিব খোজাৰ লগতে তদানীন্তন মন্ত্ৰী সঞ্জয় কিষাণে ২ কোটি টকা দাবী কৰি ৮৮ লাখ টকা আদায় কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। সেই অভিযোগক লৈ সৰৱ হৈ ভূপেন বৰাই মুখ্যমন্ত্ৰীয়ে পূৰ্বে দুৰ্নীতি দেখিলে বাঘৰ দৰে জঁপিয়াই পৰিম বুলি কৰা মন্তব্যক মনত পেলাই দিয়ে। ভূপেন বৰাই কয় যে কেৰাণী বা মহৰীয়ে ২০০০ টকা খালে বাঘৰ দৰে জঁপিয়াই পৰে মুখ্যমন্ত্ৰী। যেতিয়া এপেক্স বেংকৰ পৰা কোনোবাই ৮০ লাখ বা ৯০ লাখ খায় তেতিয়া মুখ্যমন্ত্ৰীৰ বাঘটো চকু-কাণ মুদি শুই থাকে। দুজন বিধায়ক চাহ বাগিচা দখলৰ প্ৰয়াস আৰু ধন দাবী কৰাৰ লগতে আদায় লোৱাত জড়িত। কিন্তু মুখ্যমন্ত্ৰীৰ বাঘটো এতিয়া শুই আছে। বাঘটো এতিয়া সাৰ নাপায়। অসমত সকলোতে ছিণ্ডিকেট চলি আছে বুলি উল্লেখ কৰি বৰাই কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ হাত-ভৰি বান্ধি থৈছে। আৰক্ষীক মুকলিকৈ ছিণ্ডিকেটৰ বিৰুদ্ধে অভিযান চলাবলৈ দিলে অসমৰ দক্ষ আৰক্ষীয়ে ২৪ ঘণ্টাৰ ভিতৰত ছিণ্ডিকেট বন্ধ কৰিব পাৰিব। ছিণ্ডিকেট চক্ৰৰ অডিঅ' কল সন্দৰ্ভত বৰাই কয় যে চৰকাৰে তদন্ত কৰক আৰু তেওঁ সহযোগিতা কৰিব বুলি উল্লেখ কৰি হাতীগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে আৰু আৰক্ষীয়ে সাক্ষ্য ল'বলৈ ১১ এপ্ৰিলত থানালৈ মাতি পঠিয়াইছে। বিশেষ সমস্যা নাথাকিলে তেওঁ থানালৈ যাব বুলি উল্লেখ কৰি বৰাই কয় যে মুখ্যমন্ত্ৰীৰ নাকৰ তলতে ছিণ্ডিকেট চলি আছে। সাহস থাকিলে তেওঁ বন্ধ কৰক। ইফালে দলত থকা বিসম্বাদ সন্দৰ্ভত বৰাই কয় যে কংগ্ৰেছ এটা বৃহৎ বিৰোধী দল। নেতা-কৰ্মীৰ মাজত কেতিয়াবা মনোমালিন্য হ'ব পাৰে। কিন্তু দলৰ স্বাৰ্থতহে হ'ব পাৰে যদিও এয়া সাময়িক। বিধায়ক নুৰুল হুদাক কাৰণ দৰ্শোৱাৰ জাননীক দিয়াক লৈ বৰাই কয় যে দলৰ সাংবিধানিক দায়িত্ব আৰু সাংগঠনিক স্থিতি সুদৃঢ় কৰিবৰ বাবে গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক সমিতি চিডব্লিউচিৰ বৈঠকত অংশগ্ৰহণ কৰিবলৈ তেওঁ নিজে, লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈ আৰু অসম বিধানসভাৰ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া গৈছিল। ইয়াক লৈ কোনো প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে। দলীয় আইন-শৃংখলা মানি চলাটো প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য। বৰাই লগতে কয় যে কংগ্ৰেছ দলে বিজেপিবিৰোধী মিত্ৰ শক্তিক লৈ ২০২৬ ত চৰকাৰ গঠন কৰাটো নিশ্চিত আৰু পঞ্চায়ত নিৰ্বাচনত ৭৫ লাখতকৈ অধিক ভোট কংগ্ৰেছ দলে লাভ কৰিব। বিৰোধী ঐক্য সন্দৰ্ভত ড০ হীৰেন গোহাঁইৰ দৰে শ্ৰদ্ধাৱান অসমপ্ৰেমী লোকে কংগ্ৰেছ দলক দিয়া পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি উল্লেখ কৰি বৰাই কয় যে হীৰেন গোহাঁইৰ মতে পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা হ'ব। কোন দলৰ সৈতে কংগ্ৰেছে মিত্ৰতা কৰিব সেই সিদ্ধান্ত ল'ব হীৰেন গোহাঁয়ে। বিহুৰ মাজতে হীৰেন গোহাঁইৰ সৈতে আলোচনা কৰিব অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে। হীৰেন গোহাঁয়ে যাৰ সৈতে কয় তাৰ সৈতে কংগ্ৰেছে কৰিব মিত্ৰতা। মিত্ৰতা সন্দৰ্ভত সভাপতিগৰাকীয়ে কয় যে দলক গালি পৰা নেতাৰ লগত কংগ্ৰছৰ কথা পতাত অসুবিধা আছে। বিজেপি তথা মুখ্যমন্ত্ৰীৰ সৈতে ঘনিষ্ঠ নেতাৰ সৈতেও কথা পতাত অসুবিধা আছে। আনহাতে, ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিত্তীয় পৰিচালনা নীতিক সমালোচনা কৰি বৰাই কয় যে চৰকাৰখন দেউলীয়া বুলি প্ৰমাণিত হৈছে আৰু সেই বাবেই বিহু সমিতিসমূহক ডেৰ লাখকৈহে টকা দি আছে। কংগ্ৰেছ দলৰ চৰকাৰ আহিল ২০২৬ চনৰ পিছত অসমত ৰঙালী বিহু উদযাপন কৰিবলৈ বিহু সমিতিসমূহক ৩ লাখকৈ টকা দিয়া হ'ব বুলি বৰাই ঘোষণা কৰে। দেশৰ ভিতৰতে অসম কিহত টপত আছে বুলি উল্লেখ কৰি বৰাই কয় যে ড০ হিমন্ত বিশ্ব শৰ্মাৰ দিনত মদ খোৱাত-মদ বিক্ৰীত এক নম্বৰত থাকিব লাগিব। নিবনুৱা সমস্যাত অসম শীৰ্ষত থাকিব লাগিব। মহিলাৰ ওপৰত ঘটা অপৰাধজনিত ঘটনাৰ ক্ষেত্ৰত অসম শীৰ্ষত। চাৰি নম্বৰত ছিণ্ডিকেটত অসম এতিয়া শীৰ্ষত। পাঁচ নম্বৰত মুখ্যমন্ত্ৰীকে ধৰি বিজেপিৰ মন্ত্ৰী-বিধায়কৰ সা-সম্পত্তি বৃদ্ধিত অসম শীৰ্ষত। ৰাইজে এইবোৰ দেখি আছে। অসমৰ ৰাইজে পঞ্চায়তত তাৰ প্ৰত্যুত্তৰ দিব। আনহাতে শিলচৰৰ অসম বিশ্ববিদ্যালয়ত ৰঙালী বিহুৰ বন্ধ সন্দৰ্ভত ভূপেন বৰাই কয় যে অসমীয়া জাতীয় সত্তা বন্ধাকবিৰ দৰে। সকলো জাতি-জনগোষ্ঠী মিলিহে অসমীয়া জাতি। বিহু সকলোৰে জাতীয় সম্পদ। নিজৰ আইক ভাল পোৱা মানে আনৰ আইক বেয়া পোৱা নুবুজায়। জিলা পৰিষদসমূহৰ বাবে জিলা সমিতিসমূহক কৰ্তৃত্ব দিয়াৰ প্ৰসংগ উল্লেখ কৰা বৰাই কয় যে ৮০ শতাংশ জিলাত প্ৰাৰ্থী বাছনি চূড়ান্ত হৈছে। আজি ৯৫ শতাংশ প্ৰাৰ্থী চূড়ান্ত হ'ব। বিহুৰ মাজত প্ৰতিবাদ কৰাৰ কথা উল্লেখ কৰি বৰাই কয় যে ব'হাগ বিহুত কৰ্মচাৰীয়ে যদি দৰমহা নাপায় তেন্তে কংগ্ৰেছে বিহুৰ মাজতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'পঞ্চায়ত নিৰ্বাচনত ঐক্যবদ্ধ হওক

একত্ৰিতভাৱে পঞ্চায়ত নিৰ্বাচনত নামিবলৈ বিৰোধী দলসমূহক বিনম্ৰ অনুৰোধ জনাইছে নাগৰিক সমাজে।বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁই, হৰেকৃষ্ণ ডেকা, অজিত কুমাৰ ভূঞা, আব্দুল মান্নান, পৰেশ মালাকাৰ আৰু শান্তনু বৰঠাকুৰে কয় যে অসমত কি এক নৈৰাজ্য চলি আছে আমি সকলোৱে দেখি আছো। এতিয়া নীতি-নিয়ম, আইন-কানুনৰ কোনো কথা নাই। মুখ্যমন্ত্ৰীজনৰ মুখৰ কথাই আইন। জনসাধাৰণৰ হিতৰ বাবে সুচিন্তিত পদক্ষেপ গ্ৰহণ কৰাৰ কথা নাই। সকলো চৰকাৰী আঁচনিৰ উদ্দেশ্য এটাই, চৰকাৰী পইচাৰে শাসকীয় দলৰ হৈ ভোট কিনা। চৰকাৰে এফালে সমূহীয়া বিহু নাচ, ঝুমুৰ নৃত্য আদিৰ দৰে অনুষ্ঠানৰ আয়োজন কৰি কোটি কোটি টকা অপচয় কৰিছে আৰু আনফালে মূল্যবৃদ্ধি, কৰ্মসংস্থান আদিৰ দৰে মানুহৰ জীৱনৰ মূল সমস্যাসমূহ সম্পূৰ্ণৰূপে আওকাণ কৰিছে। আনকি ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা সময়মতে মোকলাই দিব পৰা নাই। ৰাজ্যখনৰ ঋণৰ বোজা দিনক দিনে বাঢ়ি গৈয়ে আছে। ঋণ লৈছে অদৰকাৰী খৰচ কৰিবলৈ। এই কথাবোৰ আজি-কালি সাধাৰণ মানুহেও বুজি পায়। সমস্যা এটাই, জনসাধাৰণৰ এই ক্ষোভক এটা ৰাজনৈতিক পৰিণতি লৈ ৰূপান্তৰিত কৰিবলৈ বিৰোধী ৰাজনৈতিক দলবোৰ যি ধৰণে ঐক্যবদ্ধ হৈ আগবাঢ়িব লাগিছিল সেয়া এতিয়াও হৈ উঠা নাই। তেনে সময়তে পঞ্চায়ত নিৰ্বাচন ঘোষণা হৈছে। পঞ্চায়ত নিৰ্বাচনত বিৰোধী কেনেকৈ অৱতীৰ্ণ হ'ব? বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ যুঁজ দিয়াৰ সলনি তেওঁলোকে যদি পৰস্পৰৰ বিৰুদ্ধে প্ৰতিযোগিতাত নামি পৰে তাৰ পৰিণতি কি হ'ব সেয়া সহজেই অনুমেয়। তেতিয়া জনসাধাৰণ আকৌ এবাৰ প্ৰতাৰিত হ'ব। এই অৱস্থাত বিৰোধী দলসমূহলৈ আমাৰ বিনম্ৰ অনুৰোধ এটাই য'তেই সম্ভৱ তাতেই যেন তেওঁলোকে ঐক্যবদ্ধ হৈ পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সূৰ্য বৰুৱাৰ বাসগৃহত পুনৰ অভিযান

বৰুৱাৰ ঘৰত আজি তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শিলঘৰীয়া মাছ উপহাৰ দিয়া সূৰ্য বৰুৱাৰ ঘৰত আজি তৃতীয়বাৰৰ বাবে অভিযান চলে। কোকৰাঝাৰ জিলাৰ দেৱীতোলাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱাক আয়-বৰ্হিভূত সম্পত্তিৰ গোচৰত গ্ৰেপ্তাৰৰ পিছতে পৰ্বতসম সম্পত্তি পোহৰলৈ অহাত ৮ এপ্ৰিলৰ নিশা সূৰ্য বৰুৱাক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰিছিল। প্ৰথমবাৰ ২০ জানুৱাৰীত, ৮ এপ্ৰিলত আৰু আজি তৃতীয়বাৰৰ বাবে সূৰ্য বৰুৱাৰ গুৱাহাটীৰ এবিচি এলেকাৰ চাণক্য পথস্থিত ফ্লেটত অভিযান চলে। আজি পুৱাই মুখ্যমন্ত্ৰী বিশেষ তদাৰকী কোষৰ প্ৰায় ১৫ জনীয়া দলে সূৰ্য বৰুৱাৰ এবিচিৰ চাণক্য পথৰ বাসগৃহত উপস্থিত হয়। পুৱাৰে পৰা প্ৰায় আবেলি পৰ্যন্ত দলটোৱে ফ্লেটত তালাচী চলায়। অভিযানৰ সময়ত পৰিয়ালৰ লোকৰ বাহিৰে অন্য কোনো লোকক আৱাসত প্ৰৱেশ কৰিব দিয়া নাছিল। পূৰ্বৰ দুটা অভিযানত বিষয়াগৰাকীৰ পৰা প্ৰায় ৫৪ লাখ টকা উদ্ধাৰ হোৱাৰ লগতে কেইবা ঠাইত মাটি, নিৰ্মাণকাৰী সংস্থা, তেল ডিপো, বাছ, প্ৰায় ১২ খন ব্যক্তিগত বাহন, অস্ত্ৰ, বিলাসীপাৰাত ঘৰ, ধুবুৰীত হোটেল, কোকৰাঝাৰত মাটি থকাৰ তথ্য লাভ কৰিছে। এই পৰ্যন্ত বাণিজিক বাহনসহ মুঠ ১২ খন বাহনৰ তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। আজি অভিযানৰ সময়ত বহু সম্পত্তিৰ তথ্য লাভ কৰিছে যদিও এই পৰ্যন্ত বিশেষ তদাৰকী কোষে বিবৃতি প্ৰকাশ কৰা নাই। ইপিনে সূৰ্য বৰুৱাই যিটো ফ্লেটত বসবাস কৰে সেইটো অবৈধভাৱে দখল কৰাৰ গুৰুতৰ অভিযোগ আছে। চাণক্য পথৰ তিনিমহলীয়াৰ ফ্লেটটো থকাৰ ভূমিৰ মালিক আছিল উপেন্দ্ৰ দাস নামৰ এজন লোক। কিন্তু নিৰ্মাণ কৰিছিল বৰুৱাই। চুক্তি অনুসৰি উপেন্দ্ৰ দাসক তিনিটা ফ্লেট হস্তান্তৰ কৰিছিল আৰু নিজে তিনিটা ফ্লেট ৰাখিছিল বৰুৱাই। উপেন্দ্ৰ দাসক পাৰ্কিং, পানী যোগান, বিদ্যুৎ আৰু লিফ্টৰ দৰে অত্যাৱশ্যকীয় সুবিধাসমূহ প্ৰদান কৰিব লাগিছিল যদিও সেয়া নকৰিলে। যি কথা চুক্তিত উল্লেখ আছে। চুক্তি অমান্য কৰাৰ লগতে উপেন্দ্ৰ দাসৰ মাটিখিনি সূৰ্য বৰুৱাই নিজৰ নামত পঞ্জীয়ন কৰা বুলিও অভিযোগ উত্থাপন কৰা হৈছে। উপেন্দ্ৰ দাসক লিফ্টৰ ব্যৱহাৰ কৰিব দিয়া নাছিল। মাটিৰ মালিক হোৱাৰ পিছতো এটা এলেকাত থাকিবলৈ বাধ্য কৰিছিল উপেন্দ্ৰ দাসক। অভিযোগ আনিলে বাউন্সাৰ লগাই দিছিল। অস্ত্ৰ দেখুৱাই মৃত্যুৰ ভাবুকি দিছিল। ভয়-ভীতি সহ্য কৰিব নোৱাৰি উপেন্দ্ৰ দাসে আৰক্ষীৰ কাষ চাপি ভড়াগড় আৰক্ষী থানাত অভিযোগ দাখিল কৰিছিল। গোচৰ পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী তদাৰকী কোষলৈ স্থানান্তৰ কৰা হৈছিল। এই গোচৰতো চিডিপিঅ' বৰুৱাৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰাত বহু তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। ইপিনে এইগৰাকী শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ সম্পত্তিৰ তালিকা দেখি অসমবাসীৰ চকু কপালত উঠিছে। ৬০ ৰ পৰা ৭০ হাজাৰ টকা দৰমহা পোৱা চাকৰিয়ালজনে গুৱাহাটী মহানগৰীত কোটি কোটি টকাৰ সম্পত্তি গঢ়ি তুলিছে। সৰ্বমুঠ ১২ খন বিলাসী বাহন থকাৰ তথ্য উদ্ধাৰ। ফৰ্চুনাৰ, বিএমডব্লিউ, স্কৰপিঅ', হাৰ্লি বাইক থকাৰ তথ্য লাভ কৰে। পত্নীৰ নামত আছে মৰিগাঁৱত তেল ডিপো। কেইবা কোটিটকীয়া নিৰ্মাণকাৰী সংস্থাৰ স্বত্বাধিকাৰী পত্নী। গুৱাহাটীৰ কেইবাঠাইত ঘৰ-মাটি আছে। কোকৰাঝাৰৰ দেৱীতোলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া সূৰ্য বৰুৱাই ১২ জানুৱাৰীত মাঘ বিহুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শিলঘৰীয়া মাছ উপহাৰ দিছিল। ২০ জানুৱাৰীৰ পুৱা ৭ বজাৰ পৰা চলিছিল অভিযান। গুৱাহাটীৰ দুটা ঠিকনাত তদাৰকী কোষে অভিযান চলাইছিল। জয়ানগৰ আৰু ভঙাগড়ত অভিযান চলোৱাকালত চকু কপালত উঠিছিল অভিযানকাৰী দলৰ। ভঙাগড়ৰ আনন্দনগৰস্থিত চাণক্য পথৰ এপাৰ্টমেণ্টৰ ফ্লেটত য'তে-ত'তে টকা উদ্ধাৰ হয়। কেইবালাখ টকা একত্ৰিত কৰি গণনা কৰিবলৈ বেংকৰ পৰা মেচিন মগাবলগীয়া হৈছিল। টকা গণনা কৰি ভাগৰি পৰিছিল মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ বিষয়া। সন্ধিয়া ৭ বজা পৰ্যন্ত প্ৰায় ৫০ লাখ টকা উদ্ধাৰ হৈছিল। বৰুৱাৰ ঘৰত উদ্ধাৰ হৈছিল অস্ত্ৰ। পিষ্টল এটা আৰু ৪৪ জাঁই সজীৱ গুলী উদ্ধাৰ হয়। জয়ানগৰৰ শিৱ মন্দিৰ পথত থকা এপাৰ্টমেণ্টৰ ফ্লেটতো চলা অভিযানত সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ নথি-পত্ৰ উদ্ধাৰ হৈছিল। দেৱীতোলা সংহত উন্নয়ন বিষয়াৰ কাৰ্যালয়ত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত সূৰ্য বৰুৱা পূৰ্বে বিটিআৰৰ বাহিৰত ধুবুৰী জিলাত কৰ্মৰত আছিল। ধুবুৰীৰ পিছতে কোকৰাঝাৰ সীমান্তৱৰ্তী দেৱীতোলাত প্ৰকল্প হিচাপে যোগদান কৰি দুৰ্নীতিৰ বজাৰ বহুৱাইছিল। সমাজ কল্যাণ বিভাগে ৰূপায়ণ কৰা আঁচনিৰ ধন কোৰোণাৱে চপাইছিল। শিশুৰ মুখৰ পৰা খাদ্য কাঢ়ি খাইছিল। চৰকাৰে যোগান ধৰিবলৈ আবণ্টন দিয়া টকা উদৰস্থ কৰিছিল। দাইল, চেনি, বুট, মাহ, চাবোন, টাৱেলৰ নামত সংঘটিত কৰিছিল কোটি কোটি টকাৰ কেলেংকাৰী। শিশুৰ বাবে আবণ্টন দিয়া ধন শিশুৰ ভুৱা তালিকা প্ৰস্তুত কৰি বেংক একাউণ্টৰ পৰা উলিয়াইছিল। ধুবুৰী জিলাত সমাজ কল্যাণ বিষয়া হিচাপে অতিৰিক্ত দায়িত্ব আছিল এইজন সূৰ্য ফলত দুয়োখন জিলাত অংগনবাড়ী কেন্দ্ৰৰ বাবে অহা ধন লুটিছিল সূৰ্যই। লাখ লাখ টকা লুটি সোঁৱে-বাঁৱে কেৱল সম্পত্তি গঢ়িছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০ লাখ টকাত বিক্ৰী হৈ আছে কংগ্ৰেছৰ

কৰাৰ অভিযোগক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোগ্য প্ৰাৰ্থীক বঞ্চিত কৰি ১০ লাখ টকা পৰ্যন্ত টিকট বিক্ৰীৰ অভিযোগ উত্থাপন কৰিছে খোদা কংগ্ৰেছৰ একাংশ নেতা-কৰ্মীয়ে। আজি ধুবুৰীৰ এজন কংগ্ৰেছ নেতাৰ বিৰুদ্ধে ধুবুৰীৰ এখন বিশেষ হোটেলত টিকট বিক্ৰীৰ অভিযোগ আনিছে একাংশ কংগ্ৰেছ নেতাই। জানিব পৰা মতে, ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি আবেদুৰ জামান নামৰ ধুবুৰী কংগ্ৰেছৰ নেতাগৰাকীয়ে টিকটৰ বিনিময়ত প্ৰাৰ্থীৰ পৰা ধন দাবী কৰিছিল। একাংশ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ পৰা আগধন লৈছিল। আজি ধন বিনিয়মত টিকট লাভ কৰা প্ৰাৰ্থিত্বপ্ৰত্যাশীসকলক ধুবুৰী টাউনৰ এখন হোটেললৈ মাতে। হোটেলত ধন আদায় লৈ টিকট বিক্ৰীৰ সময়তে আন একাংশ কংগ্ৰেছ নেতা উপস্থিত হৈ হোটেলৰ ভিতৰত টিকট বিক্ৰী কৰি থকাৰ অভিযোগ আনে। এই অভিযোগ আনে খোদ কংগ্ৰেছৰ নেতাই। গাছপাৰা জিলা পৰিষদৰ কংগ্ৰেছ কৰ্মী ৰশ্বিদুল ইছলামে দাবী কৰি কয় যে আবেদুৰ জামানে পঞ্চায়ত নিৰ্বাচনত টিকট প্ৰদানৰ প্ৰতিশ্ৰুতি দি অনলাইন লেনদেন কৰিছিল। অভিযোগকাৰী ৰশ্বিদুল ইছলামৰ মতে, ইতিমধ্যে ৫ লাখকৈ টকা লৈছে। আবেদুৰ জামানে ৫ লাখ টকা লোৱাৰ পিছতো অতিৰিক্ত ৬ লাখ টকা দাবী কৰে। ৰশ্বিদুল ইছলামে দাবী কৰি কয় যে অতিৰিক্ত ধন নিদিয়াৰ বাবে তেওঁক টিকটৰ পৰা বঞ্চিত কৰা হৈছে। ধনৰ বিনিময়ত টিকট বিক্ৰীক লৈ ৰাজ্যিক কংগ্ৰেছৰ নেতাৰ মৌনতাই কৰ্মীসকলৰ মাজত অসন্তুষ্টি বৃদ্ধি কৰিছে। ইপিনে এনে খবৰসমূহে ধুবুৰী জিলা কংগ্ৰেছৰ ভিতৰত সংঘাত বাঢ়ি আহিছে। দীৰ্ঘদিনে দলৰ প্ৰতি আনুগত্য থকা নেতাসকলক বঞ্চিত কৰা হৈছে। ধুবুৰী জিলা সেৱা দলৰ সভাপতি হেলিম জামানে আৰ্থিক লেনদেনৰ কৰি দললৈ নতুনকৈ অহাসকলক টিকট দিয়াৰ লগতে পুৰণিক একাষৰীয়া কৰাৰ অভিযোগ উত্থাপন কৰিছে। জামানে পানবাৰী-ৰঙামাটি জিলা পৰিষদৰ বাবে দলীয় টিকট বিক্ৰী সন্দৰ্ভত গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে টিকট অত্যধিক পৰিমাণত বিক্ৰী কৰা হৈছে। বিশেষকৈ ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি আবেদুৰ জামানে টিকট ১০ লাখ টকাত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰিছে। ধুবুৰী জিলা সেৱা দলৰ সভাপতি হেলিম জামানে কয় যে অখিল ভাৰতীয় কংগ্ৰেছ সেৱা দল আৰু অসম প্ৰদেশ কংগ্ৰেছ সেৱা দল দুয়োৱে লিখিত পৰামৰ্শ সত্ত্বেও তেওঁৰ প্ৰাৰ্থিত্ব নাপালে। অৱশেষত আন এজন প্ৰাৰ্থী চানোৱাৰ হুছেইনক টিকট দিয়া হৈছে। এআইইউডিএফৰ এজন প্ৰাক্তন সদস্য হুছেইনে মাত্ৰ কেইমাহমান আগতে কংগ্ৰেছত যোগদান কৰিছে। মোৰ দীৰ্ঘদিনীয়া সেৱা আৰু কংগ্ৰেছৰ প্ৰতি প্ৰতিশ্ৰুতি থকা সত্ত্বেও মই বঞ্চিত হৈছো।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬/১১ৰ খলনায়ক তাহাউৰৰ ভাৰতলৈ

এনআইএয়ে গ্ৰেপ্তাৰ কৰে। সন্ত্ৰাসবাদ বিৰোধী আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱাৰ পিছত তেওঁক পাটিয়ালা হাউছ ক'ৰ্টলৈ লৈ যোৱা হয়। এই হাই-প্ৰফাইল শুনানিৰ বাবে আদালত চৌহদত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হয়। আদালতৰ আশেপাশে থকা অঞ্চলটোত কাকো প্ৰৱেশ কৰিবলৈ দিয়া নহয়, আনকি জৱাহৰলাল নেহৰু মেট্ৰ' ষ্টেচনৰ ২ নং গেটটোও বন্ধ কৰি দিয়া হয়। দিল্লী মেট্ৰ'ই জনোৱা মতে, এন আই এ বিল্ডিঙৰ ওচৰত থকাৰ বাবে এই গেটখন বন্ধ কৰি দিয়া হৈছে। আদালতত ৰাণাৰ হৈ অধিবক্তা পীযুষ সচদেৱ আৰু এনআইএৰ হৈ দয়ান কৃষ্ণন উপস্থিত থাকে। এই প্ৰত্যৰ্পণ প্ৰক্ৰিয়াক ভাৰতৰ বাবে এক বৃহৎ কূটনৈতিক বিজয় হিচাপে দেখা গৈছে। ড'নাল্ড ট্ৰাম্প পুনৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰ পিছত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে ৰাণাক ভাৰতলৈ প্ৰত্যৰ্পণ কৰাৰ নিৰ্দেশ দিছিল। ভাৰত-আমেৰিকা প্ৰত্যৰ্পণ চুক্তিৰ অধীনত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ৰাণাই জৰুৰী কাৰণত প্ৰত্যৰ্পণ ৰোধ কৰিবলৈ আমেৰিকাৰ আদালতত একাধিক আবেদন দাখিল কৰিছিল যদিও কিছুদিন পূৰ্বে তেওঁৰ পৰ্যালোচনা আবেদন খাৰিজ কৰা হয়। ইয়াৰ পিছত আমেৰিকাৰ স্থানীয় সময় অনুসৰি বুধবাৰে তেওঁক বিমানত উঠাই দিয়া হয়। দীঘলীয়া বিমান যাত্ৰাৰ অন্তত বৃহস্পতিবাৰে ভাৰতত উপস্থিত হয় এই কুখ্যাত সন্ত্ৰাসবাদীজন। বিমানবন্দৰত শাৰীৰিক পৰীক্ষা কৰি পোনে পোনে আদালতলৈ লৈ যোৱা হয়। এনআইএয়ে এক বিবৃতিত কয় যে আমেৰিকা কৰ্তৃপক্ষৰ সহযোগত দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ অন্তত ২০০৮ চনৰ আক্ৰমণৰ মাষ্টাৰমাইণ্ডক ন্যায়ৰ ওচৰলৈ অনা সম্ভৱ হৈছে। ৰাণাৰ প্ৰত্যৰ্পণক লৈও আৰম্ভ হৈছে ৰাজনৈতিক বিতৰ্ক। কংগ্ৰেছ নেতা পি চিদাম্বৰমে দাবী কৰে যে এই সফলতা মোদী চৰকাৰৰ প্ৰচেষ্টাৰ ফল নহয়, বৰঞ্চ ইউপিএ চৰকাৰৰ পিছৰে পৰা কৰা প্ৰচেষ্টাৰ ফল। অৱশ্যে এনআইএৰ বিবৃতিত কোৱা হৈছে যে ২০২৩ চনৰ ১৬ মে'ত কেলিফৰ্নিয়াৰ জিলা আদালতে ভাৰত-আমেৰিকা প্ৰত্যৰ্পণ চুক্তিৰ অধীনত ৰাণাক প্ৰত্যৰ্পণৰ নিৰ্দেশ দিছিল। তেতিয়াও ৰাণাই একাধিকবাৰ আদালতত আবেদন জনাইছিল যদিও কোনো সকাহ নাপালে। অৱশেষত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ পিছত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। ভাৰতীয় গৃহ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আমেৰিকাৰ ন্যায় বিভাগৰ সমন্বয়ত এই কামত সফল হৈছে। যোৱা ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা ভ্ৰমণৰ সময়ত ট্ৰাম্পৰ সৈতে সাক্ষাৎ কৰাৰ পিছত এই প্ৰতিশ্ৰুতি দিয়া হৈছিল। ইফালে এনআইএৰ সঞ্চালকপ্ৰধান সদানন্দ ডেটে ৰাণাৰ বিৰুদ্ধে তদন্তৰ নেতৃত্ব দিব। তেওঁ নিজেই ২৬/১১ৰ আক্ৰমণৰ বলি হৈছিল। সেই সময়ত মুম্বাই আৰক্ষীৰ এচিপি হিচাপে তেওঁ কামা এণ্ড এলবলেছ হাস্পতালত উগ্ৰপন্থীৰ সৈতে মুখামুখি হোৱাৰ সময়ত গ্ৰেনেড আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল। তথাপি তেওঁলোকে ৪০ মিনিট ধৰি গুলীচালনা কৰি উগ্ৰপন্থীক চিকিৎসালয়খন দখল কৰাত বাধা দিয়ে। তেওঁৰ বীৰত্বৰ বাবে তেওঁক বঁটাও প্ৰদান কৰা হৈছে। ১৯৯০ চনত আইপিএছ বিষয়া হোৱা সদানন্দৰ জীৱন কষ্টকৰ। মাকে ৰেষ্টুৰেন্টৰ কাম কৰিছিল আৰু তেওঁ বাতৰি কাকত ডেলিভাৰী কৰি শিক্ষা অব্যাহত ৰাখিছিল। ২০২৩ চনত এনআইএৰ ডি জি হোৱাৰ পিছত এতিয়া তেওঁ ৰাণাৰ তদন্ত কৰি আছে। ইফালে ৰাণাই ভাৰতত ভৰি দিয়াৰ দিনাই দিল্লীত বোমাৰ আতংক বিয়পি পৰে। বৃহস্পতিবাৰে পুৱা ৯.০৩ বজাত অগ্নিনিৰ্বাপক বাহিনীয়ে ফোন লাভ কৰে যে লালকিল্লা আৰু জামা মছজিদত বোমা স্থাপন কৰা হৈছে। লগে লগে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে তালাচী আৰম্ভ কৰে যদিও একো পোৱা নগ'ল। কোনে বা কিহৰ বাবে এই আতংক বিয়পাইছিল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। ৰাণাৰ প্ৰত্যৰ্পণক লৈ দিল্লীত কটকটীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাত্ৰ এজন শিক্ষকেৰে চলি আছে

প্ৰেক্ষাগৃহত বিটিআৰৰ চাৰিখন জিলাৰ ৩২০ গৰাকী শিক্ষকক লৈ আজি এবছুৱে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। মূলতঃ গুণোৎসৱত ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ প্ৰদৰ্শন নিম্নগামী হোৱাৰ কাৰণ বাহিৰ কৰা আৰু শৈক্ষিক পৰিৱেশ উন্নত কৰিবলৈ আজি শিক্ষকৰ স'তে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি শিক্ষক সমাজৰ মত লয় এবছুৱে। পৰ্যালোচনা বৈঠকৰ অন্তত এবছুৰ সভাপতি দ্বীপেন বড়োৱে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এতিয়াও এজনীয়া শিক্ষকেৰে প্ৰাথমিক বিদ্যালয় চলি আছে যত ৫ টা শ্ৰেণী আৰু ২৫ টা বিষয় এজন শিক্ষকেই চম্ভালিব লাগে। প্ৰকৃততে শিক্ষা ব্যৱস্থা জলাঞ্জলি দিয়া হৈছে বুলি মন্তব্য কৰি নতুন শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ পিছতো এতিয়াও পৰ্যাপ্ত পৰিমাণে ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পোৱা নাই। তদুপৰি ৰাজ্যত বহুসংখ্যক শিক্ষকৰ পদ বৰ্তমানেও খালী হৈ আছে আৰু ওদালগুৰি, বাগছা, কোকৰাঝাৰত বিদ্যালয় পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পদ পৰ্যন্ত খালী হৈ আছে বুলি মন্তব্য কৰি শিক্ষকক অনাশৈক্ষিক কামত ব্যস্ত ৰখাৰ বাবেও শৈক্ষিক ক্ষেত্ৰখনৰ ক্ষতি হৈছে বুলি মন্তব্য কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গণিত আৰু বিজ্ঞানৰ শিক্ষকৰ অভাৱ হৈছে আৰু সেয়া সোনকালে নিযুক্তি দিবলৈ আহ্বান জনাই শ্ৰেণীকোঠাত গুণগত পাঠদান আৰু সঠিক মূল্যায়ন নিশ্চিত কৰিবকৈ দ্বীপেন বড়োৱে আহ্বান জনাইছে। আনহাতে এবছু আৰু বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ দলে এতিয়াৰে পৰা প্ৰতি ১৫ দিনৰ মূৰে মূৰে বিদ্যালয় পৰিদৰ্শন কৰিব বুলি মন্তব্য কৰি অহা জুলাই মাহত বড়ো মাধ্যমৰ ৫ হাজাৰ শিক্ষকক লৈ শিক্ষা আৰু শিক্ষকৰ কনক্লেভ অনুষ্ঠিত কৰা হ'ব বুলি সদৰী কৰিছে। উল্লেখ্য যে যোৱা ২৭ মাৰ্চত গুণোৎসৱৰ ফলাফল ঘোষিত হৈছিল। ফলাফলত ওদালগুৰি, বাক্সা, কোকৰাঝাৰ, চিৰাং শোচনীয় প্ৰদৰ্শন দাঙি ধৰিছিল। তাৰপিছতে এবছুৱে শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে আৰু তাৰেই অংশস্বৰূপে আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিক্ষকৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি শিক্ষাৰ মান উন্নত কৰিবলৈ প্ৰচেষ্টা চলাইছে এবছুৱে। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এবছুৰ উপ-সভাপতি খৌৰৌমদাও ৰাৱীৰ পৰিচালনাত অনুষ্ঠিত হোৱা আজিৰ পৰ্যালোচনা বৈঠকত বিটিআৰৰ তিনি শতাধিক শিক্ষক উপস্থিত থকাৰ লগতে বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰী, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক সুবুং বসুমতাৰী, এবছুৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰী, সহঃসম্পাদক দীনেশ ব্ৰহ্ম আদিকে ধৰি বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰিছিল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ উগ্ৰপন্থী সংগঠনৰ নেতা

কুকি উগ্ৰপন্থী সংগঠনৰ দুৰ্ধৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মহানগৰী অঞ্চলত দীৰ্ঘদিন ধৰি সক্ৰিয় হৈ থকা কুকি সশস্ত্ৰ সংগঠন কেকেইউৰ উগ্ৰপন্থী নেতা হাউলুংমাং সম্‌তাক গড়চুক আৰক্ষীয়ে বৰাগাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰে। গড়চুক আৰক্ষী দলে গুপ্ত তথ্যৰ ভিত্তিত অভিযান চলাই সম্‌তাক বৰাগাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰে। সংগঠনটোৰ নেতাজনে মহানগৰীত নিজৰ বাহৰ পাতি সুৰক্ষা ব্যৱস্থাক প্ৰত্যাহ্বান জনাই আহিছিল বুলি অভিযোগ উঠিছে। গ্ৰেপ্তাৰৰ পিছতে তেওঁক গড়চুক আৰক্ষী থানালৈ নি জেৰা কৰা হয়। মণিপুৰ আৰক্ষীৰ বিশেষ দলে নেতাজনক জিম্মাত ল'বলৈ গড়চুক থানাত উপস্থিত হৈছে। মণিপুৰত কেকেইউৰ সংগঠনটোৱে অস্ত্ৰ-শস্ত্ৰৰ জৰিয়তে শান্তি-শৃংখলা বিঘ্নিত কৰাৰ অভিযোগৰ পিছতে সম্‌তাই দীৰ্ঘদিন ধৰি কাম কৰিছিল। মণিপুৰ আৰক্ষীয়ে ধৃত নেতাজনক মণিপুৰলৈ নি তদন্ত কৰিব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৬ এপ্ৰিলত ৱাকফক লৈ 'ছুপ্ৰিম' শুনানি

ন্যায়ালয়ৰ বিচাৰপীঠে ১৬ এপ্ৰিলত এই গোচৰসমূহৰ শুনানি গ্ৰহণ কৰিব। তেওঁৰ সৈতে ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথন উপস্থিত থাকিব। উল্লেখ্য যে এই বিতৰ্কিত আইনৰ বিৰুদ্ধে ইতিমধ্যে ৯ খন পৃথক আবেদন দাখিল কৰা হৈছে। এই আবেদন দাখিল কৰাসকলৰ ভিতৰত আছে সৰ্বভাৰতীয় মজলিছ-ই-ইত্তেহাদুল মুছলিমীন (এআইএমআইএম)ৰ সাংসদ আছাদুদ্দিন ৱেইছি, দিল্লী আপৰ বিধায়ক অমনাতুল্লাহ খান, ৰাষ্ট্ৰীয় জনতা দলৰ (আৰজেডি)ৰ সাংসদ মনোজ কুমাৰ ঝা, জমিয়ত উলেমা-ই-হিন্দৰ সভাপতি আৰ্ছাদ মাদানী, দক্ষিণ ভাৰতীয় সংগঠন সমস্ত কেৰালা জমিয়াতুল উলেমাকে ধৰি অন্যান্য ব্যক্তি আৰু সংগঠন। আবেদনকাৰীসকলে অভিযোগ কৰে যে এই সংশোধনীৰ জৰিয়তে ৱাকফৰ সম্পত্তি আৰু ইয়াৰ পৰিচালনাৰ ওপৰত "কৃত্ৰিম বাধা" আৰোপ কৰা হৈছে, যাৰ ফলত মুছলমান সম্প্ৰদায়ৰ ধৰ্মীয় স্বায়ত্তশাসন হ্ৰাস পাইছে। তেওঁলোকে কয় যে এই সংশোধনী আইনখনে ভাৰতীয় সংবিধানৰ ৩০০ এ অনুচ্ছেদত সন্নিৱিষ্ট সম্পত্তিৰ অধিকাৰ খৰ্ব কৰিছে। আবেদনকাৰীয়ে দাবী কৰিছে যে এই আইনখনে ৱাকফৰ সম্পত্তিৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ বৃদ্ধি কৰে, ধৰ্মীয় উদ্দেশ্যত ব্যক্তিৰ সম্পত্তি উৎসৰ্গা কৰাৰ স্বাধীনতা হ্ৰাস কৰে আৰু এই সম্পত্তিসমূহৰ ওপৰত অত্যধিক চোৰাংচোৰাগিৰি কৰি ধৰ্মীয় আৰু সম্পত্তিৰ অধিকাৰত হস্তক্ষেপ কৰে- যিটো পূৰ্বৰ একাধিক উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ দ্বাৰা নিষিদ্ধ কৰা হৈছে। একে সময়তে আবেদনখনত উল্লেখ কৰা হৈছে যে অন্যান্য ধৰ্মীয় এনডাউমেণ্ট বা ট্ৰাষ্টৰ ক্ষেত্ৰত এনে কোনো বাধা নাই যদিও মুছলমানসকলৰ ওপৰত এই বাধা আৰোপ কৰা হৈছে, যিটো সংবিধানৰ ১৪ নং অনুচ্ছেদ (সমতাৰ অধিকাৰ)ৰ বিৰুদ্ধে। মন কৰিবলগীয়া যে ৩ এপ্ৰিলত লোকসভাত আৰু ৪ এপ্ৰিলৰ পুৱা ৰাজ্যসভাত বিতৰ্কৰ মাজতে ৱাকফ (সংশোধনী) বিধেয়কখন গৃহীত হৈছিল। এই বিধেয়কৰ জৰিয়তে চৰকাৰে দেশৰ ৱাকফ সম্পত্তিৰ অধিক স্বচ্ছ আৰু পদ্ধতিগত ব্যৱস্থাপনাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই আইনখনে পৰম্পৰাগত স্থাপত্যক সুৰক্ষিত কৰাৰ লগতে সমাজ কল্যাণৰ উদ্দেশ্যে ৱাকফৰ সম্পত্তি ব্যৱহাৰৰ নিয়ম প্ৰৱৰ্তন কৰিব বিচাৰিছে বুলি দাবী কৰে চৰকাৰে। ইতিমধ্যে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এই বিধেয়কত সন্মতি প্ৰদান কৰিছে। কিন্তু এই আইন কাৰ্যকৰী আৰম্ভ হোৱাৰ আগতেই ৰাজনৈতিক মহলত আৰু মুছলমান সম্প্ৰদায়ৰ এটা শ্ৰেণীৰ পৰা প্ৰতিবাদৰ সৃষ্টি হৈছিল, যাৰ ফলত বিষয়টো উচ্চতম ন্যায়ালয়ত উপস্থিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত ২৪ ঘণ্টীয়া সান্ধ্য আইন জাৰি

সংঘৰ্ষৰ আশংকা তীব্ৰতৰ হৈ পৰিছে। জিলাখনৰ একাংশ অঞ্চল আৰু মহকুমাত পুনৰ জাৰি কৰা হৈছে ২৪ ঘণ্টীয়া সান্ধ্য আইন। এই সান্ধ্য আইন জাৰি কৰা সন্দৰ্ভত জানিবলৈ দি দণ্ডাধীশ ধৰণ কুমাৰে কয় যে জোমি আৰু হমাৰ জনগোষ্ঠীৰ মাজত পুনৰ বৃদ্ধি পোৱা উত্তেজনাৰ পৰিপ্ৰেক্ষিততে নিৰাপত্তাৰ স্বাৰ্থত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ ভি মুনহই আৰু ৰেংকাই গাঁৱৰ মাজৰ "বিবাদিত অঞ্চল"ত সম্প্ৰদায়টোৰ পতাকা উত্তোলনক লৈ মঙলবাৰে দুয়োটা জনগোষ্ঠীৰ মাজত হঠাতে উত্তেজনাৰ সৃষ্টি হয়। সেই পৰিপ্ৰেক্ষিতত কাংভাই, চামুলামলান আৰু সাংগাইকোট মহকুমাকে ধৰি সেই দুখন গাঁৱত সম্পূৰ্ণ সান্ধ্য আইন জাৰি কৰা হৈছে। অৱশ্যে জিলাখনৰ আন আন প্ৰান্তত চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি মানুহে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহৰ সুবিধাৰ বাবে পুৱা ৬ বজাৰ পৰা বিয়লি ৫ বজালৈ সান্ধ্য আইন শিথিল কৰা হ'ব। এই নিয়ম ১৭ এপ্ৰিললৈকে প্ৰযোজ্য হৈ থাকিব। পৰিস্থিতি পুনৰীক্ষণৰ পিছত নতুন সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰা হৈছে। ইফালে উত্তেজনা লাঘৱ কৰাৰ উদ্দেশ্যে চুৰাচান্দপুৰৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপস্থিতিত ভি মুনহই আৰু ৰেনকাই গাঁৱৰ সভাত ছ'চিয়েল মিডিয়াৰ জৰিয়তে উৰাবাতৰি প্ৰচাৰ নকৰিবলৈ আৰু শান্তি বজাই ৰাখিবলৈ আহ্বান জনায়। প্ৰসংগক্ৰমে যোৱা মাৰ্চ মাহত চুৰাচান্দপুৰত বিশিষ্ট হমাৰ নেতা ৰিচাৰ্ড হমাৰৰ ওপৰত হোৱা নৃশংস আক্ৰমণক লৈ ব্যাপক উত্তেজনাৰ সৃষ্টি হৈছিল। জেনহাং লামকাৰৰ ভি কে মণ্টেশ্বৰী কমপ্লেক্সত সংঘটিত হয় এই আক্ৰমণ। ৰিচাৰ্ড হামাৰ আছিল হমাৰ ইনপুইৰ সাধাৰণ সম্পাদক। এই ঘটনাৰ পুনৰাবৃত্তিৰ পৰা হাত সাৰিবলৈ জিলা প্ৰশাসনে সতৰ্ক স্থিতি গ্ৰহণ কৰিছে। প্ৰশাসনৰ উপৰি সাধাৰণ নাগৰিকেও শান্তিৰ আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিত গা এৰা দি নামনিত ডংকা

প্ৰতিবাৰে বিজেপি দলক সহায় কৰি আহিছে। কিন্তু এই কথা নামনি অসমৰ সংখ্যালঘু সমাজে গম পাই বিগত লোকসভাত নিৰ্বাচনত একচেটিয়াকৈ কংগ্ৰেছক ভোটদান কৰিছিল নামনিৰ সংখ্যালঘুৱে। ধুবুৰী জিলাত পৰাজয়বৰণ কৰে এআইইউডিএফ প্ৰধান বদৰুদ্দিন আজমল। ফলত ক্ৰমে বদৰুদ্দিন আজমলৰ জনপ্ৰিয়তা আৰু প্ৰভাৱ হ্ৰাস পাই আহিছে। কিন্তু এআইইউডিএফ দল আৰু বদৰুদ্দিন আজমলৰ নাম কৈ বিগত এটা দশক ধৰি হিন্দুৰ ভোট লৈ আহিছে বিজেপি দলে। আজমল মুখ্যমন্ত্ৰী হ'ব, অসমক বাংলাদেশ কৰিব এনেবোৰ কথা কৈ বিজেপিয়ে হিন্দুৰ ভোট সংগ্ৰহ কৰি ৰাজ্যত দুবাৰকৈ চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। কিন্তু আজমল আৰু আজমলৰ দলটোৰ প্ৰভাৱ কমি অহাত নামনি অসমত সংখ্যালঘু ভোট বিভাজন হোৱাৰ আশংকা কমি অহাত কংগ্ৰেছৰ লাভালাভ হোৱাৰ বাট মুকলি হৈছিল। কিয়নো বিগত ২০১৬ চনৰ বিধানসভা নিৰ্বাচন আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত এআইইউডিএফ দলে ভোট বিভাজন কৰাত বিজেপিয়ে কেইবাখনো আসন অতিৰিক্তভাৱে লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ ২০১৬ চনৰ নিৰ্বাচনত সংখ্যালঘু ভোট একচেটিয়াভাৱে কংগ্ৰেছ দলে লাভ কৰিব বুলি ভাবি থকাৰ সময়তে বদৰুদ্দিন আজমলৰ দল এআইইউডিএফৰ ঠাই লৈছে ৰাইজৰ দলে। সংখ্যালঘু এলেকাত ৰাইজৰ দলে খোপনি পুতি এআইইউডিএফৰ ভোটত নজৰ দিয়া পৰিলক্ষিত হৈছে। ৰাইজৰ দলৰ সভাপতি সভাপতি অখিল গগৈয়ে সংখ্যালঘু এলেকাত প্ৰায়ে ব্যস্ত হৈ আছে। প্ৰতি মাহত অখিল গগৈয়ে সংখ্যালঘু বেল্টত সভা-সমিতি অনুষ্ঠিত কৰি হৈছে। কংগ্ৰেছৰ দখলত থকা সমষ্টিসমূহত সভা পাতি আহিছে। যেনেদৰে নামনি অসমৰ কংগ্ৰেছৰ দখলত থকা সমষ্টিসমূহত অখিল গগৈয়ে নিৰ্বাচনী প্ৰচাৰ চলায় তেনেকৈ বিজেপিৰ দখলত থকা সমষ্টিত এখনো সভা অনুষ্ঠিত নকৰে। ৰঙিয়া, কমলপুৰ, বঙাইগাঁও সদৰ, নলবাৰী, ধৰ্মপুৰ আদি সমষ্টিত কেতিয়াও অখিল গগৈয়ে সভা-সমিতি নকৰে। যি কেইটা সমষ্টি কংগ্ৰেছৰ দখলত আছে সেই কেইটা সমষ্টিত অখিল গগৈয়ে সভা-সমিতি কৰি নিজৰ দলৰ স্থিতি সবল কৰিবলৈ উঠিপৰি লাগিছে। পঞ্চায়ত নিৰ্বাচন উজনি অসমত প্ৰথমে অনুষ্ঠিত হ'ব। কিন্তু উজনি অসমত নিৰ্বাচনৰ ধামখুমীয়া আৰম্ভ হৈছে যদিও অখিল গগৈ ব্যস্ত হৈ আছে নামনি অসমত। বৰপেটা জিলাৰ মন্দিয়া, গৌৰীপুৰ, গোৱালপাৰাৰ জলেশ্বৰ, বীৰসিং জৰুৱা আদিত সভা অনুষ্ঠিত কৰি দলৰ ভেটি শক্তিশালী কৰিবলৈ কাম কৰি গৈছে। নামনি অসমতে ব্যস্ত থকা অখিল গগৈয়ে আজি বৰপেটা জিলাৰ পাকা বেতবাৰী সমষ্টিৰ ভৈৰাগুৰি-কাহিকুছি হাইস্কুল খেলপথাৰত এক সমাৰেশত উপস্থিত থাকে অখিল গগৈ। অখিল গগৈয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি-এআইইউডিএফক পৰাজিত কৰাৰ ৰাজহুৱা সংকল্প লয়। ৰাইজৰ দল ক্ষমতালৈ আহিলে ৰাইজৰ দলে কি কি কৰিব সেয়া প্ৰতিশ্ৰুতি প্ৰদান কৰে। লগতে অখিল গগৈয়ে ৰাইজৰ দলৰ পৰা পঞ্চায়তত প্ৰাৰ্থী হিচাপে থিয় দিয়াসকলক ভোট দিয়াৰ আহ্বান জনায়। আজি অখিল গগৈয়ে কয় যে ৰাইজৰ দলৰ চৰকাৰে হ'লে অসমত এনেকুৱা কোম্পানী খোলা হ'ব য'ত সকলোৱে কাম পাব। কোনোৱে আৰু নিবনুৱা হৈ থাকিব নালাগে। বিজেপি-এআইইউডিএফে দলে হিন্দু-মুছলমানৰ নামত ৰাজনীতি কৰি ভোট নি থকাৰ অভিযোগ উত্থাপন কৰি কয় যে আমি আপোনালোকক সাম্প্ৰদায়িকতাৰ পৰা মুক্তি দিম। এখন নতুন অসম গঢ়াৰ প্ৰতিশ্ৰুতি দি অখিল গগৈয়ে কয় যে আমি অসমৰ প্ৰত্যেকজন মানুহক ধনী কৰিম। অখিল গগৈয়ে উপস্থিত ৰাইজৰ সন্মুখত জয় আই অসম ধ্বনি দি হিন্দু-মুছলমান এক হোৱাৰ আহ্বান জনায়।



ধুপধৰাত গোৱালপাৰা জিলা ৰাভা ছাত্র সন্থা, ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ অধিৱেশন, ফটোঃ ই-সংবাদ, ধুপধৰা

## নিজ সংগঠনৰ নেতাক টিকট দিব নোৱাৰি জুবেৰৰ বিদ্ৰোহ

# দলৰ বাবে তেজ দিয়া নেতাই নাপালে টিকট

**ই-সংবাদ, ১০ এপ্রিলঃ** পঞ্চায়ত নিৰ্বাচনত টিকট প্ৰদানক লৈ কংগ্ৰেছক আৰম্ভ হৈছে বিদ্ৰোহ। এইবাৰ নিজ সংগঠনৰ নেতাক টিকট প্ৰদান কৰিব নোৱাৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমে তীব্ৰ ক্ষোভ ব্যক্ত কৰি সামাজিক মাধ্যমত পোষ্ট দিয়া পৰিলক্ষিত হৈছে। জুবেৰ আনমে সামাজিক মাধ্যমত পোষ্ট দি কয় "কংগ্ৰেছৰ কাৰণে তেজ দিয়া যুৱ কংগ্ৰেছীক এটাও টিকট শেষাংশ ৭ পৃষ্ঠাত

# ম্যানমাৰ সীমান্তত কাঁইটীয়া তাঁৰ স্থাপনৰ বিৰুদ্ধে কহিমাত প্ৰতিবাদ

### গৃহমন্ত্ৰী অমিত শ্বাহলৈ স্মাৰক পত্ৰ প্ৰেৰণ দল-সংগঠনৰ

**কোহিমা, ১০ এপ্রিলঃ** ভাৰত-ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত কাঁইটীয়া তাঁৰ স্থাপন, ফ্ৰী মুভমেণ্ট ৰেজিম (এফএমআৰ) মূল ৰূপত পুনৰ প্ৰৱৰ্তন নকৰা আৰু নাগালেণ্ডত সংৰক্ষিত এলেকা অনুমতি (পিএপি) ব্যৱস্থাৰ বিৰুদ্ধে বুধবাৰে ৰাজপথলৈ ওলাই আহিল শতাধিক নগা। কোহিমাৰ পুৰণি বিধায়ক জংচনত অনুষ্ঠিত এই প্ৰতিবাদী জনসভাত অংশগ্ৰহণ কৰে শতাধিক লোকে। উল্লেখ্য যে এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে অংগামী পাব্লিক অৰ্গানেইজেশ্যন (এপিঅ') আৰু অন্যান্য নগা শেষাংশ ৮ পৃষ্ঠাত

# এই অধিৱেশনতে সংগঠন এৰিব এবছুৰ নেতা দ্বীপেন বড়োৱে!

**ই-সংবাদ, কোকৰাঝাৰ, ১০ এপ্রিলঃ** কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফা পথাৰত যোৱা ১৩ মাৰ্চৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত হোৱা এবছুৰ ৫৭তম কেন্দ্ৰীয় অধিৱেশনৰ স্থগিত প্ৰতিনিধি সভা পুনৰাই অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আজি শেষাংশ ৭ পৃষ্ঠাত

# ধুপধৰাত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ অধিৱেশন

**ই-সংবাদ, ধুপধৰা, ১০ এপ্রিলঃ** গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা, গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সপ্তম ত্ৰি-বাৰ্ষিক অধিৱেশন কালিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ধুপধৰাৰ ৰাজহুৱা খেলপথাৰৰ ৰাজা বীৰ পৰশুৰাম মাপাকদামত অনুষ্ঠিত শেষাংশ ৮ পৃষ্ঠাত

# তামুলপুৰৰ ভাৰত-ভূটান সীমান্ত পৰিভ্ৰমণ গুজৰাট বিধানসভাৰ অধ্যক্ষৰ

**ই-সংবাদ, তামুলপুৰ, ১০ এপ্রিলঃ** তামুলপুৰ জিলাৰ ভাৰত ভূটান সীমান্তৰ বগাজুলিত আজি গুজৰাট বিধানসভাৰ অধ্যক্ষ শংকৰ ভাই চৌধুৰী উপস্থিত হৈ সীমান্ত অঞ্চল পৰিভ্ৰমণ কৰে। অসম শেষাংশ ৮ পৃষ্ঠাত

# মণিপুৰৰ উগ্ৰপন্থী সংগঠনৰ নেতা গুৱাহাটীত গ্ৰেপ্তাৰ

**ই-সংবাদ, ১০ এপ্রিলঃ** কুকি আৰু মেইটেই সম্প্ৰদায়ৰ মাজত সংঘটিত হিংসাক জৰ্জিৰত মণিপুৰৰ উগ্ৰপন্থী গুৱাহাটীত বাহৰ পাতি থকা অৱস্থাত আজি এজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষী। আজি গড়চুক আৰক্ষীয়ে শেষাংশ ৪ পৃষ্ঠাত

# অধ্যাপক ড০ নগেন ঠাকুৰৰ বিয়োগ, অজাপৰ শোকপ্ৰকাশ

**ই-সংবাদ, ১০ এপ্রিলঃ** আজি দেহাৱসান ঘটা বিশিষ্ট ভাষাবিদ, কবি, লেখক, শিক্ষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী ড° নগেন ঠাকুৰৰ বিয়োগত শোকপ্ৰকাশ কৰিছে অসম জাতীয় পৰিষদে। এক শেষাংশ ১০ পৃষ্ঠাত

# 'পঞ্চায়ত নিৰ্বাচনত ঐক্যবদ্ধ হওক ৰাজ্যৰ বিৰোধী দল'

**ই-সংবাদ, ১০ এপ্রিলঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত থকাৰ সময়তে আজি অসম নাগৰিক সমাজে এক বিবৃতি জাৰি কৰিছে। বিবৃতি যোগে অসমৰ বিৰোধী দলসমূহক একত্ৰিতভাৱে পঞ্চায়ত নিৰ্বাচনত নামিবলৈ আহ্বান জনাইছে। শেষাংশ ২ পৃষ্ঠাত

# ডুমডুমা ৰে'ল ষ্টেচনৰ পৰিত্যক্ত কক্ষত ব্যৱসায়ীৰ মৃতদেহ

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ১০ এপ্রিলঃ** ইতিহাস গৰকা ১৪৩ বছৰীয়া ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথৰ ডুমডুমা ৰে'ল ষ্টেচনৰ পৰিত্যক্ত ষ্টেচন মাষ্টৰৰ কক্ষত ডুমডুমাৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি চাহ নগৰী ডুমডুমাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । ঘটনাৰ বিৱৰণী অনুসৰি, ডুমডুমা ৰে'ল ষ্টেচনৰ পৰিত্যক্ত তথা ষ্টেচন মাষ্টৰে কৰ্ম সম্পাদন কৰা কক্ষত তথা আজি পুৱা ৮ বজাত চিপলৈ থকা অৱস্থাত ডুমডুমা নগৰৰ পৱন কুমাৰ এণ্ড সুৰেশ কুমাৰ এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰ তথা প্ৰতিষ্ঠিত গেলামালৰ ব্যৱসায়ী বাবুলাল মিট্টল (৫৮)ৰ মৃতদেহ উদ্ধাৰ হ'য়। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি মৰণোত্তৰ শেষাংশ ৭ পৃষ্ঠাত

**ৰে'ল ষ্টেচনৰ চৌহদত উদ্ধাৰ হোৱা মৃতদেহ তদন্তৰ বাবে ৰে'ল আৰক্ষীয়ে নিজৰ জিম্মাত নলৈ গতালে অসম আৰক্ষীৰ হাতত**

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দলৰ বাবে তেজ দিয়া নেতাই নাপালে

দিয়াব নোৱাৰিলো”। পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থিত্ব কেন্দ্ৰিক অসন্তুষ্টি বৃদ্ধিৰ সময়ত যুৱ কংগ্ৰেছৰ খোদ সভাপতিগৰাকীয়ে সামাজিক মাধ্যমত বিস্ফোৰণ ঘটাই। জুবেইৰ আনমে সামাজিক মাধ্যমত নিজ সংগঠনৰ নেতা-কৰ্মীক উদ্দেশ্যে কয় যে মোক আপোনালোক সকলোৰে ক্ষমা কৰিবব। আজি কংগ্ৰেছৰ কাৰণে তেজ দিয়া যুৱ কংগ্ৰেছীক এটাও টিকট দিয়াব নোৱাৰিলো। কংগ্ৰেছৰ বাবে তেজ দিয়া যুৱ কংগ্ৰেছে টিকট নাপালে বুলি ক্ষোভ ব্যক্ত কৰে যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰে। যুৱ কংগ্ৰেছীৰ এনে ক্ষোভৰ পাছত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিক্ৰিয়া লক্ষণীয় হ’ব।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ম্যানমাৰ সীমান্তত কাঁইটীয়া তাঁৰ

গোটে। প্ৰতিবাদৰ অন্তত ৰাজ্যপালৰ জৰিয়তে এপিঅ’ আৰু অন্যান্য সংগঠনে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই স্মাৰক-পত্ৰত কেন্দ্ৰৰ শেহতীয়া সীমান্ত নীতিক ‘স্থানীয় নগা জনসাধাৰণৰ অস্তিত্ব আৰু অধিকাৰৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰে প্ৰতিবাদীসকলে। স্মাৰক-পত্ৰখনত কোৱা হৈছে, "এতিয়া নগা জনসাধাৰণে সীমান্ত পাৰ হৈ গৃহভূমিলৈ যাবলৈ বাধ্য হৈছে, যিটো নিজৰ ঘৰলৈ যোৱাৰ অনুমতিৰ সমান। এই নতুন ব্যৱস্থাৰ ফলস্বৰূপে সীমান্ত জিলাৰ বাসিন্দাসকলে অসহ্যকৰ পৰিস্থিতিৰ সন্মুখীন হৈছে।" নগা সংগঠনসমূহে দাবী কৰে যে কাঁইটীয়া তাঁৰৰ বেৰেৰে নিজৰ ঐতিহাসিক ভূখণ্ড ভাগ কৰাটো জনজাতিৰ অধিকাৰ খৰ্ব কৰা। তেওঁলোকৰ ভাষাত "সীমান্তত বেৰ দি মানুহ আৰু মাটি বিভাজিত কৰাৰ পদক্ষেপ আমাৰ অধিকাৰৰ প্ৰত্যক্ষ বিৰোধী।" সংগঠনকেইটাই পূৰ্বৰ দৰে ভাৰত-ম্যানমাৰ সীমান্তত সম্পূৰ্ণ ফ্ৰী মুভমেণ্ট ৰেজিম প্ৰৱৰ্তনৰ দাবী জনাইছে। তেওঁলোকৰ মতে, ঐতিহাসিক আৰু সাংস্কৃতিক অধিকাৰক সন্মান জনোৱা আৰু স্পৰ্শকাতৰ সীমান্ত অঞ্চলত যথাৰ্থ অৱস্থা বজাই ৰখাৰ ক্ষেত্ৰত এফএমআৰ অতি গুৰুত্বপূৰ্ণ। ইয়াৰ সমান্তৰালকৈ নাগালেণ্ডৰ পৰা পিএপি আৰু আৰএপি প্ৰত্যাহাৰৰ দাবীও উত্থাপন হৈছে। সংগঠনসমূহৰ মতে, পিএপি আৰু সীমান্ত পাৰ হোৱা ব্যৱস্থাৰ যৌথ ৰূপায়ণত এটা লুকাই থকা “ষড়যন্ত্ৰ” আছে, যাৰ জৰিয়তে “কোনো দোষৰ অভাৱতো নগা জনসাধাৰণৰ বিৰুদ্ধে আইন-শৃংখলাহীনতা সংঘটিত কৰিব পাৰি।” লগতে দাবী কৰে যে যদি পিএপি বাধ্যতামূলক কৰা হয় তেন্তে বিদেশী পৰ্যটকৰ প্ৰৱেশ কাৰ্যতঃ বন্ধ হৈ যাব, যাৰ প্ৰভাৱ নাগালেণ্ডৰ সমৃদ্ধিশালী পৰ্যটন উদ্যোগত পৰিব। পৰ্যবেক্ষকসকলৰ মতে নগা জনগোষ্ঠীৰ এই প্ৰতিবাদ কেন্দ্ৰৰ সীমান্ত আৰু অনুপ্ৰৱেশ নীতিৰ বিৰুদ্ধে খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষাৰ এক শক্তিশালী বাৰ্তা।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডুমডুমা ৰে’ল ষ্টেচনৰ পৰিত্যক্ত কক্ষত

পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে । মৰুণোত্তৰ পৰিক্ষাৰ অন্তত বিয়লি মৃতদেহটো পৰিয়ালৰ লোকক চমজাই দিয়ে । সন্ধিয়ালৈ কলিয়াপানীস্থিত ৰাজহুৱা শ্মশানঘাটত মিট্টলৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ’য় । মৃত্যুৰ সময়ত মিট্টলে পত্নী, দুই পুত্ৰ, মাতৃ আৰু দুই ভাতৃক ইহসংসাৰত এৰি থৈ যায় । ঘটনাক লৈ ডুমডুমা সমজিলাত এতিয়াও চাঞ্চল্যৰ অব্যাহত আছে । উল্লেখ্য যে, যোৱা ১৩ ফেব্ৰুৱাৰীটো ডুমডুমা ৰে’ল ষ্টেচনৰ এটা পৰিত্যক্ত গুদাম ঘৰত অচিনাক্ত পুৰুষৰ এটা অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হৈছিল। ইয়াৰ পূৰ্বতেও ষ্টেচনটোত কেইবাটাও অচিনাক্ত মৃতদেহ উদ্ধাৰ হৈছিল। জানিব পৰা মতে, কালি সন্ধিয়াই বাবুলাল মিট্টলে ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা নিৰুদ্দেশ হৈ আছিল। আজি পুৱা এনেদৰে লোকজনৰ ৰহস্যজনক মৃত্যুৰ খবৰে পৰিয়ালটি শোকত ভাগি পৰিছে। বাবুলাল মিট্টলৰ মৃত্যুত মাৰোৱাৰী সমাজ, হিন্দুস্তানী সমাজ, ডুমডুমা প্ৰেছ ক্লাবকে ধৰি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। স্মতব্য যে, ১৮৮১-৮২ চনতে নিৰ্মাণ কৰা ডিব্ৰু-শদিয়া ৰে’লপথৰ এক সুকীয়া ইতিহাস আছে। কিয়নো ৰঙাচীনে আজিও পাহৰা নাই ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ সময়চোৱাত ভাৰতীয় সেনা বাহিনীক যুদ্ধৰ ৰণকৌশলত ডিব্ৰু-শদিয়া ৰে’লপথটো কিদৰে সহায়ক হৈছিল। চীনৰ সেনা বাহিনীক যুদ্ধত বাধা দিবলৈ ভাৰতৰ বাবে ডিব্ৰু-শদিয়া ৰে’লপথটো মাইলৰ খুঁটি হিচাপে আত্মপ্ৰকাশ কৰাৰ কথা ইতিহাসৰ পাতত আজিও লিপিবদ্ধ হৈ আছে। সম্প্ৰতি ৰে’লপথচোৱা ৰে’ল প্ৰশাসনৰ বাবে এলাগী হৈ পৰাই নহ’য়, ডুমডুমাকে ধৰি ঐতিহাসিক ৰে’লপথচোৱাৰ ডাঙৰী, তালাপ, ৰূপাই চাইডিং, হাঁহচৰা আৰু বৰহাপজান আদি ছয়টাকৈ ষ্টেচন বন্ধ হৈ পৰাৰ উপক্ৰম ঘটাই নহয়, ৰে’ল পথচোৱাক নিঃশেষ কৰি তোলাৰ ষড়যন্ত্ৰ চলাক লৈ আজিও প্ৰতিক্ৰিয়া অব্যাহত। তিনিচুকীয়া ৰে’ল ডিভিজনৰ একাংশ অনাঅসমীয়া বিষয়াৰ থলুৱা বিৰোধী স্থিতিৰ বাবেই ঐতিহাসিক ৰে’লপথচোৱাৰ এই ডুমডুমা ৰে’ল ষ্টেচনটো জহি খহি নি:শেষ হব ধৰাই নহয়, সঘনে ষ্টেচনটোত মৃতদেহ উদ্ধাৰৰ দৰে চাঞ্চল্যকৰ ঘটনাই স্থানীয় ৰাইজক অস্বস্তিত পেলাই আহিছে। ইপিনে, আজি উদ্ধাৰ হোৱা মৃতদেহটো ৰে’ল আৰক্ষীয়ে তদন্তৰ খাতিৰত নিজৰ জিম্মাত নোলোৱা ঘটনাই আন এক ৰহস্যৰ সৃষ্টি কৰিছে। মৃতদেহটো ৰে’ল আৰক্ষীয়ে চমজি লোৱাৰ পৰিৱৰ্তে ডুমডুমা আৰক্ষীক গতাই দিয়াৰ ঘটনাই এক ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে। কাৰণ, পূৰ্বতে ষ্টেচনটোত উদ্ধাৰ হোৱা মৃতদেহ ৰে’ল আৰক্ষীয়ে নিজৰ জিম্মাত লৈছিল।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এই অধিৱেশনতে সংগঠন এৰিব এবছুৰ

এবছুৰ মুখ্য কাৰ্যালয় বড়োফা হাউছত অনুষ্ঠিত হোৱা এবছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক বৈঠক মৰ্মে অহা ২৭ এপ্ৰিলত কোকৰাঝাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহৌলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত এদিনীয়া কাৰ্যসূচীৰে প্ৰতিনিধি সভা পুনৰাই আহ্বান কৰা হৈছে। আজি এক প্ৰেছ বিবৃতিযোগে এই তথ্য সদৰি কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়ো আৰু সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে। উল্লেখ্য যে অহা ২৭ এপ্ৰিলত অনুষ্ঠিত হ’বলগীয়া প্ৰতিনিধি সভাত এবছুৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে ইতিমধ্যে পঞ্জীয়ন কৰা প্ৰতিনিধিয়ে অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিব আৰু নতুনকৈ পঞ্জীয়নৰ প্ৰয়োজন নাই বুলি বিবৃতিত সদৰি কৰিছে। প্ৰতিনিধি সভাত সকলো ৰাজ্যিক, জিলা, আঞ্চলিক সমিতি আৰু সংযুক্ত ইউনিটসমূহক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে এবছুৰ কাৰ্যনিৰ্বাহক বৈঠকে। উক্ত প্ৰতিনিধি সভাত পুৰণি সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হ’ব বুলি বিবৃতিত উল্লেখ কৰিছে। তদুপৰি প্ৰতিনিধি সভাতে কেবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হ’ব বুলি জানিব পৰা গৈছে। ইপিনে এবছুৰ সভাপতি দ্বীপেন বড়োৱে দীঘলীয়া কাৰ্যকালৰ অন্তত তেওঁ এবছুৰ পৰা বিদায় ল’ব বিচাৰিছে বুলি মন্তব্য প্ৰকাশ কৰিছে। অৱশ্যে এই সন্দৰ্ভত প্ৰতিনিধি সভাইহে চুড়ান্ত সিদ্ধান্ত ল’ব বুলি মন্তব্য কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তামুলপুৰৰ ভাৰত-ভূটান সীমান্ত

বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ২৬ নং দৰঙাজুলী পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিৎ গৌৰা নাৰ্জাৰীসহ বিজেপিৰ কেইবাগৰাকীও নেতাৰ সহযোগত তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ বগাজুলিৰ প্ৰান্তীয় অঞ্চলৰ কেইবাঠাইতো পৰিভ্ৰমণ কৰে গুজৰাট বিধানসভাৰ অধ্যক্ষ গৰাকীয়ে। গুজৰাট বিধানসভাৰ অধ্যক্ষ গৰাকীয়ে ভাৰত-ভূটান সীমান্তৰ বগাজুলিত উপস্থিত হোৱাৰ লগে লগে গামোচা আৰু আৰণাইৰে সম্বৰ্ধনা জনোৱাৰ লগতে বড়ো জনগোষ্ঠীৰ বৈশাগু নৃত্যৰে আঁদৰণি জনোৱা হয়। অসমীয়া জাতিৰ চহকী জনগোষ্ঠী বড়ো জনগোষ্ঠীৰ সাজ সজ্জা, খাদ্য সম্ভাৰ, কৃষ্টি সংস্কৃতি আদি দেখি আপ্লুত হয় গুজৰাট বিধানসভাৰ অধ্যক্ষ গৰাকী। লেটা-পলু, পলু পোক, তাত শালত বয়ন শিল্প তথা থলুৱা খাদ্য সম্ভাৰ, বড়ো জনগোষ্ঠীৰ আৰাধ্য বাথৌ পুজাৰ মুখ্য সিজৌ গছ, থলুৱা গাহৰি পালন, ধান খেৰৰ পুজি আদি পৰিদৰ্শন কৰে অধ্যক্ষ গৰাকীয়ে। ইপিনে পুৱাৰ ভাগত ভাৰত-ভূটান সীমান্তৰ মেনকা চাহ বাগিচাত উপস্থিত হৈ মেনকা চাহ বাগিছাৰ কলঘৰত কেনেকৈ চাহপাত উৎপাদন কৰা হয় তাৰ পৰ্যবেক্ষণ কৰে। ইপিনে সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে-- অসম বিধানসভাৰ এক বিশেষ কাৰ্যসূচীত গুজৰাট বিধান সভাৰ অধ্যক্ষ গৰাকী উপস্থিত হৈছিল। কাৰ্যসূচী সমাপন কৰি গুজৰাট বিধান সভাৰ অধ্যক্ষ গৰাকীক ভাৰত ভূটান সীমান্ত অঞ্চলৰ লোক সকলে কেনেকৈ বসবাস কৰে তাক চোৱাৰ বাবে আহ্বান জানাইছিল আৰু আজি বগাজুলিত উপস্থিত হয় অধ্যক্ষ গৰাকী। অধ্যক্ষ গৰাকীক গাঁৱলীয়া জীৱন যাপন কেনেকুৱা তাক দেখুৱাৰ উপৰিও বড়ো জনগোষ্ঠীৰ জীৱন শৈলীৰ লগতে বাথৌ ধৰ্ম কি তাক জনোৱা হৈছে বুলি মন্তব্য কৰাৰ লগতে গুজৰাট বিধান সভাৰ অধ্যক্ষ গৰাকী গাঁৱলীয়া পৰিবেশ দেখি আপ্লুত হোৱা বুলি জানিবলৈ দিয়ে। এইক্ষেত্ৰত গুজৰাট বিধানসভাৰ অধ্যক্ষ গৰাকীয়ে জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ জুতি লৈ প্ৰসংশা কৰাৰ লগতে থলুৱা খাদ্য সংস্কৃতি, বাদ্য সংস্কৃতি, বয়ন শিল্প, পৰম্পৰাগত সাজ পোচাক আদিৰ সমাদৰ বাঞ্ছনীয় বুলি উল্লেখ কৰে। আজিৰ এই পৰিভ্ৰমণ কালত তেখেতক সংগ দিয়ে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, ২৬ নং বিটিচিৰ দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস সহ বিজেপিৰ কেইবাগৰাকীও নেতা কৰ্মীয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ম্যানমাৰ সীমান্তত কাঁইটীয়া তাঁৰ

গোটে। প্ৰতিবাদৰ অন্তত ৰাজ্যপালৰ জৰিয়তে এপিঅ' আৰু অন্যান্য সংগঠনে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই স্মাৰক-পত্ৰত কেন্দ্ৰৰ শেহতীয়া সীমান্ত নীতিক 'স্থানীয় নগা জনসাধাৰণৰ অস্তিত্ব আৰু অধিকাৰৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰে প্ৰতিবাদীসকলে। স্মাৰক-পত্ৰখনত কোৱা হৈছে, "এতিয়া নগা জনসাধাৰণে সীমান্ত পাৰ হৈ গৃহভূমিলৈ যাবলৈ বাধ্য হৈছে, যিটো নিজৰ ঘৰলৈ যোৱাৰ অনুমতিৰ সমান। এই নতুন ব্যৱস্থাৰ ফলস্বৰূপে সীমান্ত জিলাৰ বাসিন্দাসকলে অসহ্যকৰ পৰিস্থিতিৰ সন্মুখীন হৈছে।" নগা সংগঠনসমূহে দাবী কৰে যে কাঁইটীয়া তাঁৰৰ বেৰেৰে নিজৰ ঐতিহাসিক ভূখণ্ড ভাগ কৰাটো জনজাতিৰ অধিকাৰ খৰ্ব কৰা। তেওঁলোকৰ ভাষাত "সীমান্তত বেৰ দি মানুহ আৰু মাটি বিভাজিত কৰাৰ পদক্ষেপ আমাৰ অধিকাৰৰ প্ৰত্যক্ষ বিৰোধী।" সংগঠনকেইটাই পূৰ্বৰ দৰে ভাৰত-ম্যানমাৰ সীমান্তত সম্পূৰ্ণ ফ্ৰী মুভমেণ্ট ৰেজিম প্ৰৱৰ্তনৰ দাবী জনাইছে। তেওঁলোকৰ মতে, ঐতিহাসিক আৰু সাংস্কৃতিক অধিকাৰক সন্মান জনোৱা আৰু স্পৰ্শকাতৰ সীমান্ত অঞ্চলত যথাৰ্থ অৱস্থা বজাই ৰখাৰ ক্ষেত্ৰত এফএমআৰ অতি গুৰুত্বপূৰ্ণ। ইয়াৰ সমান্তৰালকৈ নাগালেণ্ডৰ পৰা পিএপি আৰু আৰএপি প্ৰত্যাহাৰৰ দাবীও উত্থাপন হৈছে। সংগঠনসমূহৰ মতে, পিএপি আৰু সীমান্ত পাৰ হোৱা ব্যৱস্থাৰ যৌথ ৰূপায়ণত এটা লুকাই থকা "ষড়যন্ত্ৰ" আছে, যাৰ জৰিয়তে "কোনো দোষৰ অভাৱতো নগা জনসাধাৰণৰ বিৰুদ্ধে আইন-শৃংখলাহীনতা সংঘটিত কৰিব পাৰি।" লগতে দাবী কৰে যে যদি পিএপি বাধ্যতামূলক কৰা হয় তেন্তে বিদেশী পৰ্যটকৰ প্ৰৱেশ কাৰ্যতঃ বন্ধ হৈ যাব, যাৰ প্ৰভাৱ নাগালেণ্ডৰ সমৃদ্ধিশালী পৰ্যটন উদ্যোগত পৰিব। পৰ্যবেক্ষকসকলৰ মতে নগা জনগোষ্ঠীৰ এই প্ৰতিবাদ কেন্দ্ৰৰ সীমান্ত আৰু অনুপ্ৰৱেশ নীতিৰ বিৰুদ্ধে খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষাৰ এক শক্তিশালী বাৰ্তা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধূপধৰাত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ

হৈছে । ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ধূপধৰা আঞ্চলিক ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত তথা ধূপধৰা অঞ্চলবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত এই অধিৱেশনক লৈ এক উখল মাখল পৰিৱেশ সৃষ্টি হৈছে অধিৱেশনথলী। অৱশ্যে আজি প্ৰতিকূল বতৰে অধিৱেশনৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱা পৰিলক্ষিত হয় । অধিৱেশনৰ কাৰ্যসূচী অনুসৰি আজি পুৱা ন বজাত তিনিওটা সংগঠনৰ পতাকা উত্তোলন কৰা হয়। গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভাই পতাকা উত্তোলন কৰি কয় যে - 'ৰাভা জনগোষ্ঠীৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক উত্তোৰণৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হৈ থিয় দিয়া জাতিৰ শত্ৰুসকলক চিনাক্ত কৰিব লাগিব। এই সকল ব্যক্তিৰ ব্যতিগত স্বাৰ্থ সিদ্ধিৰ মানসিকতাই ৰাভা জনগোষ্ঠী লোকৰ মাজত বিভাজন সৃষ্টি হৈছে। এয়া জনগোষ্ঠীটোৰ সৰ্বাঙ্গীন উত্তোৰণৰ বাবে শুভ লক্ষণ নহয়'। তেওঁ লগতে কয় যে 'ৰাভা জনগোষ্ঠীটোৱে নিজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ লাভৰ বাবে দীৰ্ঘদিনৰ পৰাই আন্দোলন কৰি আহিছে। এনে প্ৰেক্ষাপটত তেওঁলোকৰ এই অধিকাৰসমূহ লাহে লাহে লাভ কৰিবলৈ সক্ষম হৈছে যদিও, জনগোষ্ঠীটোৰে একাংশ স্বাৰ্থলোভী লোকে এই অধিকাৰসমূহ পোৱাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিছে। গতিকে এনে জাতিৰ শত্ৰু লোকসকলক সকলোৱে চিনাক্ত কৰি তেওঁলোকৰ কথাত কোনো কাৰণতে পতিয়ন যাব নালাগে।' একেদৰে ষষ্ঠ অনুসূচী দাবী সমিতিৰ পতাকা উত্তোলন কৰি জিলা সভাপতি ৰত্নেশ্বৰ ৰাভাই কয় যে 'ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখনক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা বাবে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ জাতি ধৰ্ম বৰ্ণ ভাষা নিৰ্বিশেষে সকলো লোকে একত্ৰিত হৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব লাগিব।' আনহাতে গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ পতাকা উত্তোলন কৰে মনোমা ৰাভাই। পুৱা চাৰে ন বজাত শ্বহীদ তৰ্পণ কৰি গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তথা অভ্যৰ্থনা সমিতিৰ সম্পাদক তিলক ৰাভাই কয় যে 'কেৱল গোৱালপাৰা জিলাতে নহয় সমগ্ৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত ৰাভা জনগোষ্ঠীটোৱে ইয়াত বসবাস কৰা প্ৰতিটো জাতি জনজাতি লোকৰ মাজত ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰি তথা বিশ্বাস জন্মাই আগবাঢ়ি যাব লাগিব লগতে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে একত্ৰিত হৈ যুঁজ দিব লাগিব।' ইয়াৰ পিচতে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে বিকালী আদৰ্শ চিকিৎসালয়ৰ উপাধ্যক্ষা ড° লিলি ফুকনে। পাজাৰ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিচত 'তীনায়' শীৰ্ষক মুখপত্ৰ উন্মোচন কৰে বিশিষ্ট লেখক বিশ্বনাথ ৰাভা তাৰাই । 'চাম্পায়' নামৰ আন এখন মুখপত্ৰ উন্মোচন কৰে বিকালী মহাবিদ্যালয়ৰ অধ্যাপিকা স্বৰ্ণলতা দাসে। স্মৃতিগ্ৰন্থ 'ছুফংখীম' উন্মোচন কৰে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত ৰাভাই। দিনৰ এক বজাত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সঞ্চালনাত 'ৰাভা হাছং এলেকাৰ যুৱক-যুৱতীসকলৰ দক্ষতা আৰু উদ্যমিতা বিকাশ সম্ভাৱনা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। সন্ধিয়া ছয় বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। ইয়াৰ পিচতে ৰাভা আৰু অসমীয়া আধুনিক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চন্দ্ৰৰ গাত দাগ থাকিলেও মোদীৰ গাত

নৰেন্দ্ৰ মোদীৰ প্ৰতি অটল ভক্তি বাৰে বাৰে প্ৰদৰ্শন কৰি আহিছে অভিনেত্ৰী তথা বিজেপি সাংসদ কংগনা ৰানাৱটে। বুধবাৰে মাণ্ডীৰ জাৰোলত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ৰানাৱটে পুনৰ প্ৰধানমন্ত্ৰী মোদীৰ উচ্চ প্ৰশংসা কৰি কয়, "বিজেপি আৰু আৰএছএছৰ মতাদৰ্শ সনাতন, জাতীয়তাবাদ আৰু 'বসুধৈৱ কুটুম্বকম। চন্দ্ৰত দাগ আছে, কিন্তু তেওঁৰ ওপৰত এটাও দাগ নাই।" অৱশ্যে মোদী ভক্তি কংগনাৰ মুখত এয়াই প্ৰথম নহয়। ইয়াৰ পূৰ্বেও বহুবাৰ খবৰৰ শিৰোনাম হৈ আহিছে কংগনা ৰানাৱট। মাত্ৰ দুদিন পূৰ্বে হিমাচল প্ৰদেশৰ যোগীন্দৰনগৰত অনুষ্ঠিত এখন বৈঠকত কংগনাই কৈছিল, "প্ৰধানমন্ত্ৰী মোদী সাধাৰণ মানুহ নহয়, তেওঁ এজন অৱতাৰ। ২০১৪ চনত মোদীজী প্ৰধানমন্ত্ৰী হোৱাৰ পিছত দেশবাসীৰ মাজত ৰাজনীতিৰ প্ৰতি থকা মনোভাৱ সলনি হ'ল। ময়ো ২০১৪ চনৰ আগতে ভাবিছিলোঁ যে ৰাজনীতি মানে দুৰ্ভাগ্য।" ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত কংগনাই ইনষ্টাগ্ৰামত মোদীক জন্মদিনৰ শুভেচ্ছা জনাই লিখিছিল, “পৃথিৱীৰ শ্ৰেষ্ঠ ৰাজনীতিবিদজনৰ জন্মদিনৰ শুভেচ্ছা থাকিল।” সেইদিনা দিল্লীত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ৰানাৱটে কয়, "ক'ৰ'না মহামাৰীৰ সময়ত ভাৰতৰ চিকিৎসা নীতি বিশ্বৰ আগত দাঙি ধৰিছিল, সমগ্ৰ বিশ্বক ভেকচিন প্ৰদান কৰিছিল মোদীজীয়ে। তেওঁৰ জ্ঞানপ্ৰাপ্ত দৃষ্টিশক্তিয়ে সমগ্ৰ বিশ্বক বাট দেখুৱাইছিল। যিসকলে দিনক দিনে ধৰ্মনিৰপেক্ষতা আৰু উদাৰতাবাদৰ কথা কয়, তেওঁলোকেও জানে যে প্ৰকৃত ধৰ্মনিৰপেক্ষ, উদাৰ, নাৰীবাদী কোন- তেওঁ মোদীজী।" ২০২৪ চনৰ জুন মাহত ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনীৰ সৈতে মোদীৰ এটা ভিডিঅ' শ্বেয়াৰ কৰি কংগনাই লিখিছে, “মোদীজীৰ এটা প্ৰিয় গুণ হ'ল তেওঁ মহিলাসকলক সোঁৰৰাই দিয়ে যে তেওঁ তেওঁলোকৰ বাবে আছে, তেওঁলোকক আগবাঢ়ি যোৱা দেখি ভাল পায়।” কংগনাই আৰু লিখিছে, "সেইবাবেই মেলনীয়ে কৈছিল, মোদীজী মানে টিম মেলনী।" লগতে ২০২৪ চনৰ নৱেম্বৰ মাহত ৰানাৱটে কৈছিল, “মই বিশ্বাস কৰোঁ যে প্ৰধানমন্ত্ৰী মোদী দেশ ৰক্ষাৰ বাবেই জন্ম হৈছিল আৰু তেওঁ অজেয়।” মোদীৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু প্ৰশংসাৰ সমান্তৰালকৈ কংগনাই বিভিন্ন মন্তব্যৰ বাবেও কেইবাবাৰো বিতৰ্কৰ মাজত সোমাই পৰিছে। কেতিয়াবা কুনাল কামৰা, কেতিয়াবা ৰাহুল গান্ধী আৰু কেতিয়াবা ছোনিয়া গান্ধী, ইন্দিৰা গান্ধীক লৈ বিতৰ্কিত মন্তব্য কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাষা-সংস্কৃতিৰ সাধক নগেন ঠাকুৰৰ

শিক্ষাবিদ-ভাষাবিদ ড০ নগেন ঠাকুৰৰ আজি দেহাৱসান ঘটে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, কবি, ভাষাবিদ, অনুবাদক ড০ নগেন ঠাকুৰে আজি দেৰগাঁৱৰ নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। ৮৫ বছৰ বয়সত সন্ধিয়া প্ৰায় ৫.৩০ বজাত মৃত্যুক আঁকোৱালি লয়। ভাষাবিদগৰাকীৰ নশ্বৰদেহৰ কাইলৈ শেষকৃত্য সম্পন্ন কৰা হ'ব। কিয়নো তেওঁৰ পত্নী একেলগে থাকে যদিও দুই পুত্ৰ থাকে মুম্বাই আৰু দক্ষিণ কোৰিয়াত। দক্ষিণ কোৰিয়াত থকা পুত্ৰ কাইলৈ অসমত উপস্থিত হ'ব। দুই পুত্ৰ উপস্থিত হোৱাৰ পিছতে কাইলৈ আবেলি দেৰগাঁৱত শেষকৃত্য সম্পন্ন কৰা হ'ব। ১৯৩৯ চনৰ ২৯ আগষ্টত জন্মগ্ৰহণ কৰা ভাষাবিদ ড০ নগেন ঠাকুৰে আজীৱন শিক্ষাদানৰ লগতে ভাষা, সাহিত্যৰ বাবে কাম কৰে। দেৰগাঁৱৰ নামতি মাইগুৰি প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰিছিল। দেৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মাধ্যমিক শিক্ষা গ্ৰহণ কৰি ১৯৫৯ চনত যোৰহাটৰ জে বি কলেজৰ পৰা আইএ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬২ চনত কটন কলেজৰ পৰা অসমীয়া বিষয়ত অনাৰ্ছসহ স্নাতক হয়। ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। ১৯৮২ চনত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা 'অ-ইন্দো আৰ্য ভাষাৰ উপাদানসমূহ অসমীয়া ভাষা গঠনত ভূমিকা' শীৰ্ষক বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। প্ৰথমে ১৯৬৫ চনত হাফলং মহাবিদ্যালয়ত অধ্যাপনা কৰি পাছলৈ ১৯৬৬ চনৰ পৰা ১৯৮৫ চনলৈ দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। পৰৱৰ্তী সময়ত ১৯৮৫ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰে আৰু বিভাগীয় মুৰব্বী আৰু ৰীডাৰৰ পদ অলংকৃত কৰিছিল। কলেজীয়া অৱস্থাৰ পৰাই হাতত কলম তুলি লৈছিল। উচ্চ শিক্ষা গ্ৰহণ কৰি থকাৰ সময়তে মণিদ্বীপ, আমাৰ প্ৰতিনিধি, ৰামধেনু, আৱাহন আলোচনীত কবিতা প্ৰকাশ পাইছিল। ডেৰকুৰি নিৰ্বাচিত কবিতাৰে 'মোৰ গানৰ শব্দ' নামৰ ক্ষুদ্ৰ গ্ৰন্থ সংকলন ১৯৮২ চনত প্ৰকাশ কৰিছিল। ২০১৬ চনত কবিতাসমূহৰ একত্ৰ সংকলন 'নগেন ঠাকুৰৰ কবিতা' নামেৰে ড০ চণ্ডীচৰণ গোস্বামীৰ সম্পাদনাত প্ৰকাশ পাইছিল। ছাত্ৰ অৱস্থাতে কবিতা লিখাৰ লগতে একাংকিকা, নাটক, গল্প, উপন্যাস লিখিছিল। নাটক লিখাই নহয় সেই নাটকসমূহত তেখেতে নিজে অভিনয় কৰিছিল। ড০ নগেন ঠাকুৰৰ ভাষা বিষয়ক গ্ৰন্থ পালি-প্ৰাকৃত-অপভ্ৰংশ আৰু অসমীয়া ভাষা (১৯৬৭) পালি-প্ৰকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য (১৯৮৪), ভাৰতীয় ভাষাৰ পৰিচয় (১৯৮৪), প্ৰাকৃত সাহিত্য চয়ন (১৯৮৯), বিশ্বৰ বিভিন্ন ভাষা (১৯৮৪), প্ৰাকৃত সাহিত্যৰ অধ্যয়ন (১৯৮১), ভাষা আৰু ভাষা চিন্তা (২০০৩), ভাৰতীয় ভাষা আৰু সাহিত্য (২০১৬) আৰু ভাষ্য অধ্যয়ন পৰিচিতিই (২০২৪) অসমীয়া ভাষাটোক সমৃদ্ধ কৰাত বিৰল অৰিহণা যোগাইছে। আনহাতে, অসমীয়া ভাষা আৰু ব্যাকৰণ (১৯৮১) এশ বছৰৰ অসমীয়া উপন্যাস (২০০১), নিৰ্জনতাৰ পৰা কোলাহললৈ লিখি উলিয়াইছিল। হেমকোষৰ চতুৰ্দশ সংস্কৰণৰ অন্যতম হোতা আছিল। ৩ বছৰ ধৰি গুৱাহাটীত থাকি হেমকোষৰ চতুৰ্দশ সংস্কৰণৰ সৈতে জড়িত আছিল। চতুৰ্দশ সংস্কৰণত হেমকোষত সন্নিৱিষ্ট কৰা হৈছে ৫০ হাজাৰ নতুন শব্দ। ড০ নগেন ঠাকুৰৰ ভাৰতীয় ভাষা বিষয়ক ২৩ টা লেখা 'অসমীয়া বিশ্বকোষ'ৰ চতুৰ্থ খণ্ডত অন্তৰ্ভুক্ত হৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী শতবৰ্ষৰ স্মৃতিগ্ৰন্থৰ সম্পাদনা (১৯৭২) ৰ মুখ্য হোতা আছিল। ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়, ডিপিই আৰু এনচিই আৰটিৰ বাবে অসমীয়া বিষয়ত ৩৯ খন ক্ষুদ্ৰ পাঠ্যপুথি সম্পাদনা কৰে। নবেল বঁটা বিজয়ী মিখাইল ছলোকভৰ এণ্ড কুইটছ ফ্লছ দ্যা ডন নামৰ উপন্যাসখনৰ অসমীয়ালৈ 'ধীৰে বৈ যায় ডন' নামেৰে অনুবাদ কৰি দুটা খণ্ডত প্ৰকাশ কৰে। তেওঁক ছোভিয়েট দেশ নেহৰু বঁটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জয়ন্তী ভাষা বঁটা, জীৱনজোৰা সাধনা বঁটা, জ্ঞানপীঠ বঁটা বিজয়ী নীলমণি ফুকন সাহিত্য বঁটা, অসমীয়া সাহিত্য সন্মিলনীৰ পৰা শৰৎ চন্দ্ৰ শৰ্মা ভাষা সাধনা বঁটাৰে সন্মানিত কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাগলী চুৰি কৰা আৰক্ষীক নিলম্বন!

চুৰি কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসম আৰক্ষীৰ ২৪ নং আই আৰ বি এনৰ জোৱানজনৰ নাম বিজয় কলিতা। জিলাখনৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত অমৰাৱতীৰ ঘৰ জোৱানজনৰ। সম্প্ৰতি তামুলপুৰ জিলাত কৰ্মৰত হৈ আছে বিজয় কলিতা। অভিযোগ অনুসৰি আৰক্ষী বেটেলিয়নত কৰ্মৰত বিজয় কলিতা চাকৰিৰ পৰা অমৰাৱতীৰ ঘৰলৈ আহিলেই চুৰি হয় গাঁওখনৰ ছাগলী। আনকি ছাগলী চোৰৰ লগতে ছাগলী হত্যা কৰি বিজয় কলিতাই অমৰাৱতী গাঁওখনত দীৰ্ঘদিন ধৰি সন্ত্ৰাস চলাই থকাৰ অভিযোগ আছে। জানিব পৰা মতে বিগত ৩১ মাৰ্চত অমৰাৱতীৰ কণিকা হালৈ নামৰ মহিলাগৰাকীৰ ঘৰৰ পোহনীয়া ছাগলী চুৰি কৰি নি বেটেলিয়নৰ জোৱান বিজয় কলিতাই গাৱামদেউৰ আলহীৰ ঘৰত থৈ আহিছিল। পৰিয়ালটোৱে ছাগলী চোৰৰ সন্ধান কৰি বিজয় কলিতাই নিজৰ চাৰিচকীয়া বাহনেৰে চুৰি হোৱা ছাগলীটো গাৱামদেউৰ আলহী ঘৰত থোৱাৰ সম্ভেদ লাভ কৰে। পিছত ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে মুছলপুৰ আৰক্ষী থানাত ছাগলী চোৰ বিজয় কলিতাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে লগতে মুছলপুৰ আৰক্ষীৰ সহযোগত ছাগলীৰ গৰাকী কণিকা হালৈয়ে গাৱামদেউৰ পৰা উদ্ধাৰ কৰে চুৰি হোৱা ছাগলীটো। ইতিমধ্যে ঘটনা সন্দৰ্ভত মুছলপুৰ আৰক্ষী থানাত বিজয় কলিতাৰ বিৰুদ্ধে ছাগলী চোৰৰ গোচৰ ৰুজু হৈছে যদিও মুছলপুৰ আৰক্ষীয়ে এতিয়াও আটক কৰা নাই বেটেলিয়নৰ জোৱান বিজয় কলিতাক।বিজয় কলিতাৰ আলহীজনক আৰক্ষীয়ে আটক কৰি সোধা-পোচা কৰাত ছাগলীটো বিজয় কলিতাই তেওঁলোকৰ ঘৰত ৰখাৰ বুলি ব্যক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৬ বছৰৰ অন্তত মুকলি হৈ ওলাল সঞ্জীৱ

সংঘটিত বিস্ফোৰণৰ সৈতে জড়িত থকাৰ সন্দেহত গ্ৰেপ্তাৰ কৰা সঞ্জীৱ তালুকদাৰে ৬ বছৰৰ মূৰকত মুকলি আকাশৰ তললৈ ওলাই আহিব। তেতিয়াৰ ছাত্ৰ তথা প্ৰাক্তন ছাত্ৰ নেতা সঞ্জীৱ তালুকদাৰক জামিন প্ৰদান কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত ৬ বছৰে কাৰাবন্দী হৈ থকা সঞ্জীৱ তালুকদাৰে কাইলৈ মুকলি আকাশৰ তললৈ ওলাই আহিব। শুনানিৰ অন্তত উচ্চ ন্যায়ালয়ে তদন্তকাৰী সংস্থা এনআইএৰ তদন্ত কৰা গোচৰত জামিন প্ৰদান কৰিছে। সঞ্জীৱৰ হৈ জামিনৰ শুনানিত ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰিছিল জীয়াউৰ কামাৰে। ২০২৩ চনৰ বায়েক ডলী তালুকদাৰৰ বিয়াৰ বাবে কিছুদিন পে'ৰল লাভ কৰিছিল। লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ে গোচৰৰ তদন্ত সোনকালে সমাপ্ত কৰিবলৈ তদন্তকাৰী সংস্থাক নিৰ্দেশ দিছিল। ২০১৯ চনৰ ২৭ মে'ত গ্ৰেপ্তাৰ কৰা হৈছিল সঞ্জীৱক। ২০১৯ চনৰ ১৫ মে'ত গুৱাহাটীৰ আৰ জি বৰুৱা ৰোডত এক গ্ৰেনেড বিস্ফোৰণ সংঘটিত হৈছিল। বিস্ফোৰণত ১২ জন লোক আহত হৈছিল। আলফাই সেই বিস্ফোৰণ সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছিল। আলফাৰ বিস্ফোৰণ কাণ্ডত জড়িত থকাৰ অভিযোগত ১২ দিন পিছত সঞ্জীৱক গ্ৰেপ্তাৰ কৰা হৈছিল। ২৯ বছৰীয়া সঞ্জীৱক গ্ৰেপ্তাৰৰ পিছতে গোচৰ এনআইএক প্ৰদান কৰা হৈছিল। এনআইএ-এ এখন বিশেষ আদালতত সঞ্জীৱৰ বিৰুদ্ধে ষড়যন্ত্ৰ, বেআইনী কাৰ্যকলাপ আৰু ঘটনাত সহায় আৰু সমৰ্থন আগবঢ়োৱাৰ অভিযোগ উত্থাপন কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি আছিল। গ্ৰেপ্তাৰ হোৱাৰ সময়ত এম ফিল কৰি আছিল। মুক্ত বিশ্ববিদ্যালয়ৰ পৰা এইচ আই ভি আৰু পাৰিবাৰিক শিক্ষা আৰু মানৱ অধিকাৰৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে। কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ পৰা জিঅ'ইনফৰ্মেটিক্সত স্নাতকোত্তৰত অৱতীৰ্ণ হৈছিল। লিখনি আৰু ভাষিক দক্ষতাৰ বাবে সাহিত্যৰ বিভিন্ন অনুষ্ঠানত অংশ লৈছিল। সঞ্জীৱে গীত সুন্দৰকৈ গাব পাৰিছিল। যেতিয়া আলফাৰ বাবে বিস্ফোৰণ কৰাৰ খবৰ প্ৰচাৰ হৈছিল সেই কথা বন্ধুসকলে মানি লোৱা নাছিল। পাঁচজন ভাই-ভনীৰ ভিতৰত আটাইতকৈ কনিষ্ঠ আছিল সঞ্জীৱ। বিস্ফোৰণৰ পিছতে গ্ৰেপ্তাৰ হোৱাৰ সময়ত উদ্ভিদ বিজ্ঞানত এম ফিল কৰি আছিল। কাৰাগাৰত পৰীক্ষাৰ সুবিধা লাভ নকৰাৰ বাবে এম ফিল সম্পূৰ্ণ কৰিব নোৱাৰিলে। কাৰাগাৰত বন্দী হোৱাত মুক্ত বিশ্ববিদ্যালয়ত সমাজ বিজ্ঞানত নামভৰ্তি কৰিছিল। কাৰাগাৰত সীমিত ব্যৱস্থা সত্ত্বেও পৰীক্ষাত ভাল ফলাফল লাভ কৰিছিল। কাৰাগাৰত থকাৰ সময়তে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ কলাত নামভৰ্তি কৰিছিল। অসমৰ ৰাজ্যপালে স্নাতকোত্তৰ পৰীক্ষাত শীৰ্ষস্থান দখল কৰাৰ বাবে সোণৰ পদক প্ৰদান কৰিছিল। গুৱাহাটীত অনুষ্ঠিত সমাৱৰ্তন অনুষ্ঠানত ৰাজ্যপাল জগদীশ মুখীয়ে ৭১ শতাংশ নম্বৰ অৰ্জন কৰাত সোণৰ পদক প্ৰদান কৰিছিল। সঞ্জীৱ তালুকদাৰে সমাজ বিজ্ঞানত শীৰ্ষস্থান দখল কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃদুপৱনৰ বিৰুদ্ধে দাখিল চাৰ্জশ্বিট

বিৰুদ্ধে চাৰ্জশ্বীট দাখিল কৰিছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে। ৫২ দিনৰ ভিতৰত ১,৪৯৭ পৃষ্ঠাৰ চাৰ্জশ্বীট দাখিল কৰিছে তদাৰকী কোষে। মৃদুপৱন নাথ ১২.৫০ কোটি টকাৰ হিচাপ দিয়াত ব্যৰ্থ হোৱাৰ নথি উল্লেখ কৰা হৈছে চাৰ্জশ্বীটত। উপাৰ্জনকৈ সম্পত্তি ১৮৫ শতাংশ অতিক্ৰম কৰিছে। যাৰ ফলত বিত্তীয় অনিয়মৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ডিফু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ মৃদুপাবন নাথক জেএনএছএম চিকিৎসালয়ৰ স্বত্বাধিকাৰী ডঃ ৰূপম মহন্তই দাখিল কৰা গোচৰ সন্দৰ্ভত মঙলদৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। মঙলদৈ আৰক্ষী থানাত ২৩২/২০২৪ নম্বৰত গোচৰ ৰুজু হৈছিল। ডাঃ নাথে আয়-বহিৰ্ভূত সম্পত্তি গঢ়াৰ কথা ধৰা পৰাৰ পিছত গোচৰটো চিএম ভিজিলেন্সত দাখিল কৰা হয়। আয়-বহিৰ্ভূত ধন-সম্পত্তিৰ বিৰুদ্ধে ৮/২৪ নম্বৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰৰ পিছতে আদালতত হাজিৰ কৰাইছিল আৰু পিছত কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। বাসগৃহৰ পৰা নগদ ৮-৯ লাখ জব্দ কৰা হৈছিল। ব্যক্তিগত চিকিৎসালয়ত শ্বেয়াৰ থকাৰ তথ্য লাভ কৰিছিল। তদন্তৰ মাজতে ৰাজ্যিক চিকিৎসা পঞ্জীয়ন পৰিষদে তেওঁৰ পঞ্জীয়ন ছমাহৰ বাবে স্থগিত ৰাখে। এসপ্তাহৰ ভিতৰত তেওঁৰ নথিপত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ডিফু চিকিৎসা মহাবিদ্যালয়ৰ পৰা নিলম্বিত হোৱা ডাঃ নাথে তদন্ত অব্যাহত থকাৰ বাবে একাধিক আইনী প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তদুপৰি প্ৰথম পত্নীয়ে বিবাহ বিচ্ছেদ পোৱাৰ আগতে পুনৰ বিবাহ কৰাৰ অভিযোগ উত্থাপন কৰে। ডাঃ মৃদুপৱন নাথক ১৮ ফেব্ৰুৱাৰীত পুনৰ গ্ৰেপ্তাৰ কৰিছিল মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গুৱাহাটীৰ ভঙাগড়ৰ শিৰা নামৰ হোটেলখনত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰিছিল নাথক। মৃদুপৱন নাথক তদাৰকী কোষে হাজিৰ হ'বলৈ নিৰ্দেশ দিছিল যদিও হাজিৰ হোৱা নাছিল। সেই একেই গোচৰৰ ভিত্তিত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে পুনৰ গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ সময়ত এখন বাহন জব্দ কৰা হৈছিল। আগৰবাৰ গ্ৰেপ্তাৰ কৰি মহানগৰীৰ ৰুক্মিণীগাঁৱৰ বাসগৃহত অভিযান চলোৱাৰ সময়ত লাখ লাখ নগদ ধন, সম্পত্তিৰ নথি উদ্ধাৰ হৈছিল। মঙলদৈৰ জেএছএম নাৰ্ছিংহোমত মৃদুপৱন নাথে ধন বিনিয়োগ কৰিছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে জেএছএম নাৰ্ছিংহোমক উত্তৰ বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু নাৰ্ছিংহোম কৰ্তৃপক্ষৰ অজ্ঞাতে নিজেই ভুৱা প্ৰতিবেদন দাখিল কৰিছিল মৃদুপৱনে। এই অভিযোগ আনি নাৰ্ছিংহোম কৰ্তৃপক্ষই মৃদুপৱনৰ বিৰুদ্ধে গোচৰ তৰিছিল। ইপিনে অসম চিকিৎসা পঞ্জীয়ন পৰিষদে বিগত বৰ্ষৰ ২২ জুলাইতে নাথৰ চিকিৎসকৰ স্বীকৃতি বাতিল কৰিছিল। স্বীকৃতি বাতিল কৰাৰ পিছতো মহানগৰীৰে ব্যক্তিগত হাস্পতালত চিকিৎসা সেৱা প্ৰদান কৰিছিল। আনহাতে প্ৰথমা পত্নীৰ সৈতে বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰোৱাৰ অভিযোগ উত্থাপন হৈছিল। প্ৰথমা পত্নীয়ে ভঙাগড় আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অধ্যাপক ড০ নগেন ঠাকুৰৰ বিয়োগ

শোকবাৰ্তাত দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয়, 'অধ্যাপক ড° নগেন ঠাকুৰৰ বিয়োগত আমি ব্যথিত হৈছোঁ। অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হৈ ভাষাটোৰ গতিময় প্ৰবাহক যিসকল পুৰোধাই প্ৰাণৱন্ত কৰি ৰাখিছে, তাৰ ভিতৰত নগেন ঠাকুৰ ডাঙৰীয়া অন্যতম।' নেতাদ্বয়ে কয়, 'নগেন ঠাকুৰ ডাঙৰীয়াই অসমীয়া ভাষা বিষয়ক ১৩খন গ্ৰন্থ প্ৰকাশ কৰাৰ বিপৰীতে পালি-প্ৰাকৃত-অপভ্ৰংশ আৰু অসমীয়া ভাষা বিষয়ক গৱেষণামূলক গ্ৰন্থৰে অসমীয়া ভাষাক মৰ্যাদা সহকাৰে প্ৰতিষ্ঠা লাভ কৰাত প্ৰভূত অৰিহণা আগবঢ়াই গৈছে।' ভাষা-সাহিত্যৰ এইগৰাকী একনিষ্ঠ সেৱকৰ বিয়োগ অসমৰ সামাজিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি গগৈ আৰু ভূঞাই লগতে কয়, 'অসমীয়া ভাষা-সাহিত্য আৰু সামাজিক-শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে স্মৰণীয় হৈ ৰ'ব বিশিষ্ট ভাষাতাত্ত্বিকগৰাকী। দেৰগাঁৱৰ ৰজাবাহৰ গাঁও নিবাসী ভাষা-সাহিত্যৰ এইগৰাকী একনিষ্ঠ সেৱকলৈ আমি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে, শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু তেওঁৰ গুণমুগ্ধসকললৈ যাচিছোঁ সমবেদনা।'

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কীৰ্তনপাৰাৰ এফ আৰ একাডেমী জুনিয়ৰ কলেজলৈ উন্নীত

**ই-সংবাদ, কোকিলা, ১০ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কীৰ্তনপাৰাত ২০১৮ চনত স্থাপিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান এফ আৰ একাডেমীখন ৬ এপ্ৰিলৰ পৰা এফ আৰ জুনিয়ৰ কলেজলৈ উন্নীত কৰা হয়। সেয়ে অনুষ্ঠানটোত চলিত বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ কলা শাখাৰ শুভাৰম্ভ কৰাৰ লগতে দেওবাৰে নতুনকৈ নিৰ্মাণ কৰা নতুন বিল্ডিঙৰ দ্বাৰ মুকলি কৰা হয়। তদুপলক্ষে আয়োজন কৰা মুকলি সভাত সভাপতিত্ব কৰে টুপকাৰ্চৰ এল পি স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক তথা বৰইচালা ক্লাষ্টাৰৰ চি আৰ চি ইব্ৰাহিম আলী শিকদাৰ আৰু অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়নাল আব্দীন। তেওঁ ভাষণত কয় যে কীৰ্তনপাৰা অঞ্চলত যিমান ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান আছে তাতকৈ এফ আৰ একাডেমীৰ পাঠদানৰ মান উন্নত আৰু ছাত্ৰ-ছাত্ৰীয়ে অকল পাঠ্যপুথিৰ জ্ঞানেৰে পৰিপূৰ্ণ নহয় সাধাৰণ জ্ঞানেৰেও পৰিপক্ক। অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ফজৰআলী আহমেদ, গোলা-পাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আব্দুল কাদেৰ। সভাৰ শেষত এফ আৰ জুনিয়ৰ কলেজৰ নতুন ভৱনটো ৰঙা ফিটা কাটি উন্মোচন কৰে গোৱালপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়নাল আব্দীনে। চলিত মাহৰ পৰাই শিক্ষানুষ্ঠানটোৰ নাৰ্চাৰীৰ পৰা উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ নামভৰ্তি আৰম্ভ হৈছে বুলি পৰিচালন সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে।

# কামৰূপত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অনুজ্ঞাপত্ৰ থকা লোকক মাৰণাস্ত্ৰ জমা দিয়াৰ নিৰ্দেশ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১০ এপ্ৰিলঃ** কামৰূপ নিৰ্বাচনী জিলাত আগন্তুক পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণ, মুক্ত আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষৰে তথা ভাৰতীয় নিৰ্বাচন আয়োগে ২০০৯ চনৰ ১ ছেপ্টেম্বৰত জাৰি কৰা পত্ৰ নং ৪৬৪/আই এন এছ টি/২০০৯/ই পি এছ/৮৭ ওপৰত ভিত্তি কৰি কামৰূপৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ সকলো মাৰণাস্ত্ৰ অনুজ্ঞাপত্ৰপ্ৰাপ্ত থকা লোকক তেওঁলোকৰ মাৰণাস্ত্ৰসমূহ গুলীসহ সংশ্লিষ্ট আৰক্ষী থানাত ৭ (সাত) দিনৰ ভিতৰত জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। যোৱা ৩এপ্ৰিলত জাৰি কৰা এই নিৰ্দেশৰ আওঁতাৰ পৰা অৰ্ধসামৰিক বাহিনীৰ কৰ্মচাৰী/চি আই এছ এফৰ জোৱান/অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰী/বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানত নিয়োজিত নিৰাপত্তাকৰ্মী আৰু নেচনেল ৰাইফল এছ'চিয়েচনৰ ক্ৰীড়াবিদসকলক ৰেহাই দিয়া হৈছে। কোনো সংস্থা, প্ৰতিষ্ঠান, বিভাগ বা ব্যক্তি বিশেষে মাৰণাস্ত্ৰ জমা দিয়াৰ পৰা ৰেহাইবিচাৰিলে তেওঁলোকে নিজ মাৰণাস্ত্ৰ অনুজ্ঞাপত্ৰৰ নম্বৰ, ইউ আই এন নম্বৰ, মাৰণাস্ত্ৰৰ নম্বৰ আৰু মাৰণাস্ত্ৰ জমা দিয়াৰ পৰা কিয় ৰেহাই বিচাৰিছে তাৰ কাৰণ দৰ্শাই লিখিতভাৱে জিলা দণ্ডাধীশক আবেদন জনাব পাৰিব। যদি কোনো অনুজ্ঞাপত্ৰপ্ৰাপ্ত লোকে এই নিৰ্দেশনা অমান্য কৰে তেন্তে তেনে লোকৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ নং ধাৰাৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# টিহু মহাবিদ্যালয়ত গৰু বিহু উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, বৰমা, ১০ এপ্ৰিলঃ** নলবাৰী জিলাৰ টিহু প্ৰেছ গীল্ডৰ উদ্যোগত অহা ১৪ এপ্ৰিলত গৰু বিহু উদযাপন কৰিবলৈ লোৱা হৈছে। এই গৰু বিহুৰ লগত সংগতি ৰাখি আবেলি ২.৩০ বজাত এখনি গো-সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। টিহু প্ৰেছ গীল্ডৰ গৰু বিহু উদযাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত সমূহীয়া চাফাই কামৰ পিছতে পতাকা উত্তোলন কৰিব সভাপতি ধনঞ্জয় বৰপূজাৰীয়ে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰিব 'অসমীয়া প্ৰতিদিন' কাকতৰ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মাৰ লগতে বন্তি প্ৰজ্বলন কৰিব শিক্ষয়ত্ৰী চিত্ৰলেখা বৰ্মনে। ১১ বজাত গছপুলি ৰোপণ কৰিব টিহু সাংস্কৃতিক কলা পৰিষদৰ সভাপতি কনক বৈশ্যই। টিহু নৈৰ পাৰত গো-ধনৰ সমূহীয়া গা ধোৱা পৰ্ব, গৰখীয়াক সম্বৰ্ধনা অনুষ্ঠান শুভাৰম্ভ হ'ব। শুভাৰম্ভ কৰিব টিহু গান্ধী ভৱনৰ সম্পাদক কৰুণা কলিতাই। এই সম্বৰ্ধনা অনুষ্ঠানৰ পিছতেই গৰু বিহু উদযাপন মূল আকৰ্ষণ গো-ধনৰ গো-সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনি উদ্বোধনী কৰিব সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান চাংচাৰিৰ মেডিচিন বিভাগৰ প্ৰধান অধ্যাপক ভূপেন বৰ্মনে। উদ্বোধনৰ পিছতে গো-ধনৰ গৰখীয়াক সম্বৰ্ধনা জনাব শিক্ষক তথা সমাজ বিশ্লেষক ভিক্টৰ দাসে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী, স্থানীয় বিধায়ক, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰীকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, বি টি আৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ লগতে নিমন্ত্ৰিত অতিথি হিচাপে থাকিব কৃষ্ণগুৰুবিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মুকুন্দ শৰ্মা, অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন নিগম)ৰঅধ্যক্ষ সীমান্ত শেখৰ, অগপৰ সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ ৰয়, নলবাৰী মেডিকেল কলেজৰ অধ্যক্ষ মাধৱ ৰাজবংশী, টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ সুৰেশ ভৰালী। অনুষ্ঠানত বিদেশী পৰ্যটকৰ আগমন ঘটিব বুলি গৰু বিহু উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় বৰপূজাৰী, কাৰ্যকৰী সভাপতি কিশোৰ গোস্বামী আৰু সম্পাদক প্ৰাঞ্জল ৰয়, বিত্ত সম্পাদক কংকন ডেকাই জানিবলৈ দিছে। এই গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতাত গাঁৱৰ চহা জীৱনৰ কৃষকৰ গো-ধনসমূহ গৰখীয়াসকলে সজাই-পৰাই টিহু মহাবিদ্যালয়ৰ খেলপথাৰৰ ৰেম্পত থিয় কৰাব। এই গো-সৌন্দৰ্য প্ৰতিযোগিতাত উপস্থিত থাকিবলৈ ৰাইজক আহ্বান জনাইছে টিহু প্ৰেছ গীল্ডৰ গৰু বিহু উদযাপন সমিতিয়ে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ঘৰে ঘৰে গৈ শিক্ষাৰ্থীৰ উপস্থিতি নিশ্চিত কৰাৰ শিক্ষক-শিক্ষয়িত্ৰীক নিৰ্দেশ

**ই-সংবাদ, লাহৰীঘাট, ১০ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই জিলাখনৰ বিদ্যালয়সমূহত শেহতীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ সেৰেঙা উপস্থিতিৰ বিষয়টোক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি শিক্ষকসকলক শিক্ষাৰ্থীৰ ঘৰে ঘৰে গৈ খবৰ ল'বলৈ নিৰ্দেশ দিছে। বিষয়াগৰাকীয়ে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষক তথা শিক্ষয়িত্ৰীসকললৈ এই সম্পৰ্কীয়পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিৰ হাৰ অতি কম হোৱা দেখা হৈছে বুলি উল্লেখ কৰি বিদ্যালয়ত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰলৈ গৈ তেওঁলোকৰ অভিভাৱকসকলক লগ কৰি, ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ অহাটো নিশ্চিত কৰিবলৈ কোৱা হৈছে। লগতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ নাম ষ্টুডেণ্ট ডাটাবেচ মেনেজমেণ্ট ইনফৰ্মেচন ছিষ্টেমত উন্নীত/সংলগ্ন কৰি ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিয়মীয়াকৈ শিক্ষা সেতু এপৰ জৰিয়তে প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পত্ৰখনত লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীকে তেওঁলোকৰ নিজৰ উপস্থিতি নিয়মীয়াকৈ শিক্ষা সেতু এপৰ জৰিয়তে প্ৰদান কৰিবলৈ বিভাগৰ তৰফৰ পৰা নিৰ্দেশ জাৰি কৰা হৈছে। বিষয়সমূহ অতি জৰুৰী হিচাপে গণ্য কৰিবলৈ পত্ৰখনত উল্লেখ কৰা হৈছে।

## চেঙাৰ নিৰালাত কন্যাসহ মহিলা নিৰুদ্দেশ

**ই-সংবাদ, শিমলীতোলা, ১০ এপ্ৰিলঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত নিৰলাত কন্যাসহ মাতৃ সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁৱখনৰ জাকিৰ হুছেইনৰ পত্নী মাজেদা খাতুন(২৩) নামৰ মহিলাগৰাকী পাঁচ বছৰীয়া কন্যা সন্তানসহ যোৱা শনিবাৰে নিশাৰ ভাগত স্বামী গৃহৰ পৰা সন্ধানহীন হৈ পৰাৰ পিছতেই পৰিয়ালৰ লোকৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। মহিলাগৰাকীক বিভিন্ন ঠাইত বিচাৰি আছে যদিও কোনো শুংসূত্ৰ নোপোৱাত চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোক। ইতিমধ্যে ঘটনা সন্দৰ্ভত মহিলাগৰাকীৰ স্বামী জাকিৰ হুছেইনে কাছুমাৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। মহিলাগৰাকীৰ সন্ধান পালে আৰক্ষীক খবৰ দিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

## বৰপেটাৰোডত ড্ৰাগছসহ নগদ ধন জব্দ

**ই-সংবাদ, বৰপেটাৰোড, ১০ এপ্ৰিলঃ** বৰপেটাৰডত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে বৰপেটাৰোড আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এক গোপন সূত্ৰৰ ভিত্তিত নিশা অভিযান চলাই বৰপেটাৰোডৰ সাতভনীটুপৰ পৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ হেৰ'ইনসহ এটা ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত লোকজন সাতভনী টুপৰ ৰিয়াজুদ্দিন আলীৰ পুত্ৰ সানিদুল ইছলাম (২৬)বুলি জানিব পৰা গৈছে। ধৃত যুৱকজনৰ পৰা ৫৪ টা কণ্টেইনাত ১০ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰাৰ লগতে নগদ ২৫ হেজাৰ টকা আৰু AS-15 K-4102 নম্বৰৰ এখন EON বাহন জব্দ কৰে। যুৱকজনে দীৰ্ঘদিন ধৰি সাতভনীটুপত নিষিদ্ধ হেৰ'ইনৰ ব্যৱসায়ী চলাই আহিছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে।

## তিনি গগৈ একে লগ হ'লে ২০২৬ত অসমৰ ৰাজনীতি সলনি হ'ব

**ই-সংবাদ, বৰপেটাৰোড, ১০ এপ্ৰিলঃ** আজি শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে বৰপেটাৰোডৰ ভাৰত নাৰ্ছাৰীত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত কয় যে ৰাইজৰ দলে পঞ্চায়ত নিৰ্বাচনক গুৰুত্ব প্ৰদান কৰা নাই, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনকহে গুৰুত্ব প্ৰদান কৰিছে। তেওঁ কয় যে পঞ্চয়ত নিৰ্বাচনত ৰাইজৰ দলৰ প্ৰতীক চিহ্ন থাকিব গেছ ছিলিণ্ডাৰ। আগন্তুক বিধানসভা নিৰ্বাচনত তিনি গগৈ এক লগ হ'লে ২০২৬ চনত অসমৰ ৰাজনীতি সলনি হৈ যাব। এই তিনি গগৈৰ কনচেপ্টে এটা মিৰাকলৰ দৰে কাম কৰিব, ই এক যাদু দণ্ডৰ দৰে কাম কৰিব বুলি তেওঁ বিশেষভাৱে মন্তব্য কৰে। ২০২৬ চনত অসমৰ ৰাজনীতি যদি পুৰা সলনি কৰি দিব লাগে, তেতিয়া হ'লে তিনি গগৈ এক লগ হ'ব লাগিব। তেওঁ পুনৰ কয় যে সকলো বিৰোধী দল যেতিয়া এক লগ হৈ যাম তেতিয়া ২০২৬ চনত BJP আৰু AIUDFক ব্ৰহ্মপুত্ৰত দলিয়াই পেলাম। আনহাতে, কংগ্ৰেছ সভাপতি ভূপেন বৰা সম্পৰ্কে তেওঁ কয় যে ভূপেন বৰা বিৰোধী ঐক্য মঞ্চ আন্তৰিকতাৰে বিচাৰে, কিন্তু কংগ্ৰেছৰে একাংশই এই বিষয়টো লাইন চ্যুত কৰিবৰ বাবে উঠি পৰি লাগে, যাৰ বাবে আমি একত্ৰিত হ'ব পৰা নাই। ৱাকফ বিল সম্পৰ্কে তেওঁ কয় যে ভাৰতৰ সংখ্যালঘুসকলৰ ওপৰত BJP চৰকাৰৰ এয়া সাম্প্ৰদায়িক আৰু ফেচিবাদী আক্ৰমণ।

## নাজিৰাৰ দেউঘৰীয়াত দলং নিৰ্মাণক কেন্দ্ৰ কৰি ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, গেলেকী, ১০ এপ্ৰিলঃ** নাজিৰাৰ দেউঘৰীয়াত স্থানীয় ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। Assam Resilient Rural bridge programme (ARRBP) 2024-25 বৰ্ষৰ অধীনত নিৰ্মাণ হ'ব লগা দেউঘৰীয়া পথৰ পকী দলং নিৰ্মাণত পুৰণি লোহাৰ দলং ভাঙি পেলাবলৈ লোৱাত স্থানীয় ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি এই প্ৰতিবাদ সাব্যস্ত কৰে। পকী দলং নিৰ্মাণ কৰিবলৈ পুৰণি নদীৰ ওপৰত থকা লোহাৰ দলং ভাঙি পেলাবলৈ লৈছে ঠিকাদাৰে। পুৰণি দলংখন ভাঙি পেলোৱাৰ আগত যিখন উপ-দলং ঠিকাদাৰে নিৰ্মাণ কৰিছে সেই দলংখনক লৈ মুঠেই সুখী নহয় স্থানীয় ৰাইজ। যাতায়াতৰ বাবে তীব্ৰ সমস্যাৰ সন্মুখীন হোৱাৰ আশংকা কৰি স্থানীয় ৰাইজে আজি সাব্যস্ত কৰে প্ৰতিবাদ। উল্লেখ্য যে বৰ্তমান বাঁহেৰে সৰুকৈ নিৰ্মাণ কৰা উপ-দলংখনেৰে জৰুৰীকালীন অৱস্থাত চাৰিচকীয়া বাহন পাৰ কৰাটো একেবাৰে অসম্ভৱ। লগতে বাৰিষাৰ সময়ছোৱাত দুয়োটা প্ৰান্তৰ লোকৰ যাতায়াত বিচ্ছিন্ন হৈ পৰাৰআশংকা কৰিছে স্থানীয় ৰাইজে। আনহাতে, বিদ্যালয়, মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী অসুবিধাত পৰাৰ আশংকাত এতিয়া শংকিত হৈ পৰিছে এই অঞ্চলৰ ৰাইজ। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি বৰ্তমান ঠিকাদাৰ পক্ষই যিখন বাঁহৰ উপ-দলং নিৰ্মাণ কৰিছে সেইখন বাৰিষাৰ সময়ত নৈৰ প্ৰৱাল সোঁতে একেদিনাই উটুৱাই নিব। স্থানীয় ৰাইজে সংবাদ মাধ্যমক জনোৱা মতে, এখন পকী দলং হোৱাত কাৰোৱেই আপত্তি নাই, কিন্তু দলং নিৰ্মাণৰ নামত কেইবাখনো গাঁৱৰ ৰাইজ যোগাযোগৰ সমস্যাত পৰাটো কোনো পধ্যেই ৰাইজে মানি নলয়। স্থানীয় ৰাইজে পকী দলং নিৰ্মাণ কৰাৰ পূৰ্বে এখন মজবুত উপ-দলং নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। এখন মজবুত উপ-দলং নিৰ্মাণ নোহোৱা পৰ্যন্ত পুৰণি লোহাৰ দলং ভাঙিবলৈ নিদিয়ে বুলি স্থানীয় ৰাইজে স্পষ্ট কৰি দিছে। এই বিষয়ে স্থানীয় ৰাইজে জিলা প্ৰশাসনক লিখিত অভিযোগ দাখিল কৰিব বুলি উল্লেখ কৰিছে।




অভয়াপুৰীৰ বিহুতলীত অচিনাক্ত দুৰ্বৃত্তৰ তাণ্ডৱ, ফটোঃ ই-সংবাদ, অভয়াপুৰী

# মৰিগাঁৱত দুই নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ১০ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ কালিকাজাৰী ইছলামপুৰ গাঁৱৰ ইনামুল হক ওৰফে ইনামুল ইছলাম নামৰ এটা নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনৰ বিৰুদ্ধে তিনিবছৰ পূৰ্বে এক জঘন্য ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত লাহৰীঘাট আৰক্ষী থানাত ১৮১/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি লাহৰীঘাট আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং- ১১৭/২০২২ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ আদালতে ভাৰতীয় দণ্ডবিধিৰ ৪৪৮/৩৭৬ আৰু পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী ইনামুল হকক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ইফালে, একেখন আদালতে আজি জিলাখনৰ মায়ঙৰ লেছেৰীবড়ি গাঁৱৰ বিনন্দ সৰকাৰ নামৰ আন এটা নাবালিকা ধৰ্ষণকাৰীক পাঁচ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। এই লোকজনৰ বিৰুদ্ধেও এবছৰ পূৰ্বে মায়ং আৰক্ষী থানাত ৩১/২০২৪ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং ৭০/২০২৪ ৰ অধীনত বিচাৰ চলাই ভাৰতীয় দণ্ডবিধিৰ ৩৫৪-এ আৰু পক'চ আইনৰ ১০ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী বিনন্দ সৰকাৰক পাঁচ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি পাঁচ হাজাৰ টকাৰ জৰিমনা বিহে।

# পশ্চিম দৰঙত অংগনবাড়ী কেন্দ্ৰৰ দুৰৱস্থা

**ই-সংবাদ, দুনী, ১০ এপ্ৰিলঃ** পশ্চিম দৰঙত এটা অংগনবাড়ী কেন্দ্ৰৰ জৰাজীৰ্ণ অৱস্থাই সচেতন মহলৰ চকু কপালত তুলিছে। বামুণঝাৰৰ পশ্চিম চুবা অংগনবাড়ী কেন্দ্ৰটোৰ বেৰত ছিৰাল ফাঁট মেলিছে। দৰ্জা-খিৰিকীৰ অৱস্থাও জৰাজীৰ্ণ। প্ৰায় কুৰিগৰাকী কণ কণ শিক্ষাৰ্থী আছে কেন্দ্ৰটোত। যিকোনো মুহূৰ্তত সংঘটিত হ'ব পাৰে দুৰ্ঘটনা। বিপজ্জনকভাৱে পাঠদান কৰি থাকিব লগা হৈছে বিধ্বস্ত গৃহটোত। উল্লেখ্য যে ২০১৫ চনত নিৰ্মাণ কৰা হৈছিল ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ অংগনবাড়ী কেন্দ্ৰটো। অংগনবাড়ী কেন্দ্ৰটোৰ গৃহৰ চাৰিফালৰ পকী বেৰত বিপজ্জনকভাৱে ফাঁট মেলিছে। ইয়াৰ পিছতো গুৰুত্ব আৰোপ কৰা নাই সংশ্লিষ্ট কৰ্তৃপক্ষই। যিটো সময়ত চৰকাৰে মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে, সেই সময়ত ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ বামুণঝাৰৰ পশ্চিম চুবা অংগনবাড়ী কেন্দ্ৰটোৰ দুৰৱস্থাই সকলোকে চিন্তিত কৰিছে। কেন্দ্ৰটোৰ দুৰৱস্থাৰ কথা বিভাগীয় কৰ্তৃপক্ষক বাৰম্বাৰ জনোৱাৰ পাছতো গুৰুত্ব নিদিয়াত এক প্ৰকাৰ চিন্তাত পৰিছে অভিভাৱক তথা স্থানীয় ৰাইজ।

# সৃজনগ্ৰামত দুৰ্ঘটনাঃ গুৰুতৰভাৱে আহত স্কুটি চালক

**ই-সংবাদ, অভয়াপুৰী, ১০ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত আইনৈৰ দলঙৰ সমীপৱৰ্তী কাহিবাৰীত আজি আবেলি সংঘটিত এক পথ দুৰ্ঘটনাত স্কুটি চালক এগৰাকী গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত বাতৰি মতে, নিউ বঙাইগাঁৱৰ জয়ন্ত সৰকাৰে এ এছ কিউ-৭০১৪ নম্বৰৰ চাৰিচকীয়া বাহনখনেৰে সৃজনগ্ৰামৰ মাজেৰে কীৰ্তনপাৰা অভিমুখে গৈ থকা সময়তে কাহীবাৰীত বিপৰীত দিশৰ পৰা অহা এ এছ-১৯ ভি-৮১৪৩ নম্বৰৰ স্কুটি এখনৰ লগত মুখামুখি সংঘৰ্ষ হয়। ফলত স্কুটিখনৰ চালকগৰাকী গুৰুতৰভাৱে আহত হয়। আহত স্কুটি চালকগৰাকীক লগে-লগে সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# অভয়াপুৰীৰ বিহুতলীত অচিনাক্ত দুৰ্বৃত্তৰ তাণ্ডৱ

**ই-সংবাদ, অভয়াপুৰী, ১০ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ এখন বিহুতলীত কোনো দুৰ্বৃত্তই তাণ্ডৱ চলাই অসমীয়াৰ স্বাভিমান গামোচা, জাপি আদি দলিয়াই পেলোৱা ঘটনাই ৰাইজক ক্ষুব্ধ কৰি তোলে। জানিব পৰা মতে, ১৯৯৫ চনৰ পৰা উদযাপন কৰি অহা অভয়াপৰীৰ নতুন দেওহাটী ৰঙালী বিহু সন্মিলনীয়ে এইবেলি ৩১ চ'ত, ১ আৰু ২ ব'হাগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহুৰ আয়োজন কৰিছে। স্থানীয় যুৱকসকলে দিনে-নিশাই পৰিশ্ৰম কৰি সম্পূৰ্ণ কৰে তোলে বিহুতলী। কিন্তু এইবেলি দুৰ্বৃত্তৰ টাৰ্গেট হৈ পৰে বিহুতলীখন। যোৱা নিশা অচিনাক্ত দুৰ্বৃত্তই ভাঙি-ছিঙি লণ্ডভণ্ড কৰিলে বিহুৰ তোৰণখন। সম্পূৰ্ণ আক্ৰোশমূলকভাৱে অসমীয়াৰ স্বাভিমান জাপি আৰু গামোচা দলিয়াই পেলোৱাৰ লগতে পিক পেলাই কদৰ্যময় কৰে। আজি পুৱা এই বিষয়ে জানিব পাৰি সকলো পুৰুষ-মহিলা ৰাজপথলৈ ওলাই আহি প্ৰতিবাদমুখৰ হৈ পৰে। এয়া অসমীয়াৰ ওপৰত ভয়ংকৰ আক্ৰমণ বুলি অভিহিত কৰি বিহুৰ তোৰণ, জাপি আৰু গামোচাৰ ওপৰত কৰা অত্যাচাৰ কোনোপধ্যেই সহ্য কৰা নহ'ব বুলি জানিবলৈ দিয়ে আয়োজকে। ঘটনাস্থলীত অভয়াপুৰী আৰক্ষী উপস্থিত হোৱাৰ লগতে সমগ্ৰ ঘটনা সন্দৰ্ভত ইতিমধ্যে আয়োজক সমিতিয়ে অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰিছে।

# দলগাঁৱত ৰঙালী বিহু উপলক্ষে মাৰাথন দৌৰ প্ৰতিযোগিতা

**ই-সংবাদ, খাৰুপেটীয়া, ১০ এপ্ৰিলঃ** দলগাঁও সমজিলাৰ অন্তৰ্গত দলগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অসমৰ বাপতিসাহোন ৰঙালী বিহুৰ লগত সংগতি ৰাখি অহা ১৬ এপ্ৰিলত পুৱা ৫ বজাত অসম ভিত্তিত মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ওৱাং ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য দ্বাৰৰ পৰা দলগাঁও টাউন খেলপথাৰলৈ হ'বলগীয়া মাৰাথন দৌৰ প্ৰতিযোগিতাৰ ফ্লেগ অফ কৰিব দলগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ নাৰ্জাৰীয়ে। লগত উপস্থিত থাকিব প্ৰাক্তন কৃতী ফুটবল খেলুৱৈ নজৰুল ইছলাম। প্ৰতিযোগিতাৰ প্ৰথম স্থান প্ৰাপকক বিবেকানন্দ শইকীয়া সোঁৱৰণী বঁটা আৰু নগদ দহ হাজাৰ টকা, দ্বিতীয়ক নাৰায়ণ শীল সোঁৱৰণী বঁটা আৰু নগদ পাঁচ হাজাৰ টকা, তৃতীয়ক মনদীপ শইকীয়া সোঁৱৰণী বঁটা আৰু দুই হাজাৰ টকা, চতুৰ্থক এহেজাৰ টকা আৰু পঞ্চমক পাঁচ শ টকা প্ৰদান কৰা হ'ব। লগতে প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। যোগদান কৰিব বিচৰা প্ৰতিযোগীসকলক খেল বিভাগ উপ-সমিতিৰ সভাপতি এম মোবাৰক হুছেইনৰ ৯৮৫৪১৫৭৬৭৩ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## লাহোৱালত ৰে'লৰ খুন্দাত আহত এজন ব্যক্তি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ এপ্ৰিলঃ** লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বকুলত আজি আবেলি ৰে'লৰ খুন্দাত এজন ব্যক্তি গুৰুতৰভাৱে আহত হয়। তিনিচুকীয়া অভিমুখী তীব্ৰ বেগী ৰে'লৰ খুন্দাত আহত হয় ব্যক্তিজন। আহত হোৱা লোকজনৰ এখন ভৰি ছিঙি যোৱাৰ লগতে লোকজন শৰীৰৰ ভিন্ন স্থানত আঘাতপ্ৰাপ্ত হৈছে বুলি জানিব পৰা গৈছে। লাহোৱালৰ বকুলত সংঘটিত হৈছে এই ঘটনা। দুৰ্ঘটনাস্থলীত আৰক্ষী আৰু স্থানীয় ৰাইজ উপস্থিত হৈ আহত ব্যক্তিজনক অসম চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰিছে। আহত ব্যক্তিজনক বৰ্তমানলৈকে চিনাক্ত কৰিব পৰা নাই।

## মৈৰাবাৰী জ্ঞান বিজ্ঞান বিদ্যাপীঠ প্ৰাংগণত 'বাটৰ কবিতা' সম্পন্ন




**ই-সংবাদ, মৈৰাবাৰী, ১০ এপ্ৰিলঃ** ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে নিয়মীয়াকৈ অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা' ১০ এপ্ৰিলৰ বিয়লি মৈৰাবাৰী জ্ঞান বিজ্ঞান বিদ্যাপীঠ প্ৰাংগণত অনুষ্ঠিত হয়। বিদ্যালয়খনৰ আমন্ত্ৰণত ছাত্ৰ-ছাত্ৰীৰ কাব্যিক প্ৰতিভা বিকাশৰ উদ্দেশ্যে এইবাৰ জ্ঞান বিজ্ঞান বিদ্যাপীঠ প্ৰাংগণত 'বাটৰ কবিতা' অনুষ্ঠিত কৰা হয়। বিশিষ্ট সমাজ সেৱক তথা জ্ঞান বিজ্ঞান সমিতিৰ সদস্য মজিবুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত এপ্ৰিল মাহৰ 'বাটৰ কবিতা' অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট কবি, লেখক তথা 'বাটৰ কবিতা'ৰ সমন্বয়ক খাইৰুল ইছলামে। মৈৰাবাৰীৰ জ্ঞান বিজ্ঞান বিদ্যাপীঠৰ অধ্যক্ষ ডঃ মোস্তাফিজুৰ ৰহমানে আঁত ধৰা কবিতা পাঠ পৰ্বত স্বৰচিত কবিতা পাঠ কৰাৰ লগতে কবিতা আবৃত্তি কৰে স্কুলীয়া বিদ্যাৰ্থীসকল ক্ৰমে ৰিহা হুছেইন ফকিৰ, মাহিৰা ফাৰুকী খান, উম্মে ছাউদা, নাহিদা খাতুন, জেবিন চুলতানা, ফাৰহিন জাহান, তাবাচুম মেহতাব, ছুমায়া আকতাৰা, আনজুমাহ তাজবিয়া, আফ্ৰিন ছুজানী, আৰিয়ান ছাহানি, মুহতাছিৰ আলম, নেলচন তপ্ন, ৰাইছী জেছিম, ৰিয়াদ আহমেদ, তাকিউল ইছলাম, তাইয়েব আহমেদ, তজমুল আহমেদ, মুহাম্মাদ ফাহিমে আৰু কবি খাইৰুল ইছলামৰ এটি কবিতা পাঠেৰে কবিতা পাঠ পৰ্বৰ অন্ত পৰে। অনুষ্ঠানত মৈৰাবাৰীৰ জ্ঞান বিজ্ঞান বিদ্যাপীঠৰ অধ্যক্ষ ডঃ মোস্তাফিজুৰ ৰহমানে কেনেকৈ কবিতা ৰচনা কৰিব লাগে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সুন্দৰকৈ বুজাই দিয়ে। সঞ্চালক মজিবুৰ ৰহমানে নিজৰ চমু ভাষণত 'বাটৰ কবিতা' অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰাৰ লগতে এঘাৰ বছৰ ধৰি প্ৰতি মাহতে 'বাটৰ কবিতা' অনুষ্ঠিত কৰাৰ কাৰণে খাইৰ প্ৰকাশনৰ বিষয়ববীয়াসকলক ভূয়সী প্ৰশংসা কৰে।

# ৰঙিয়াত অগপ দলৰ আঞ্চলিক পঞ্চায়তৰ চাৰিগৰাকীকৈ প্ৰাৰ্থীৰ নাম ঘোষণা

**ই-সংবাদ, ৰঙিয়া, ১০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত ৰঙিয়াত অসম গণ পৰিষদ দলে আজি সংবাদমেল আয়োজন কৰি চাৰিগৰাকীকৈ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। দলটোৰ ৰঙিয়াস্থিত কাৰ্যালয়ত সমষ্টি সমিতিৰ সভাপতি লীলাধৰ শালৈৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰা হয়। দলটোৰ হৈ কেন্দুকোনা গাঁও পঞ্চায়তত ধৰিত্ৰী ডেকা, কঞ্জা-বৰপুল্লা গাঁও পঞ্চায়তত অনুস্মিতা লহকৰ, বুঢ়াগোহাঁই গাঁও পঞ্চায়তত দিল আফৰোজা বেগম আৰু ধুহি গাঁও পঞ্চায়তৰ পৰা মইদুল ইছলামে আঞ্চলিক পঞ্চায়তৰ সদস্য পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰি সভাপতিগৰাকীয়ে আগন্তুক নিৰ্বাচনত দলটোৰ প্ৰাৰ্থীসকলে ৰাইজৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় অগপ দল আচলতে এটা ৰাজনৈতিক দল নহয়, এক সংগ্ৰামী সত্তা। এতিয়াও দলে নিজৰ সত্তা হেৰুওৱা নাই। আগলৈও দলটোৱে ৰাইজৰ হৈ মাত মাতি যাব। উল্লেখ্য যে শেহতীয়াকৈ পঞ্চায়ত নিৰ্বাচনক লৈ ৰঙিয়াত ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে।

# ৰঙিয়াত কংগ্ৰেছৰ তেখনকৈ জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থীৰ মনোনয়ন

**ই-সংবাদ, ৰঙিয়া, ১০ এপ্ৰিলঃ** ৰঙিয়াত আজি কংগ্ৰেছ দলৰ তিনিখনকৈ জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ৰঙিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ত দলীয় নেতৃবৃন্দৰ উপস্থিতিত ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গতহৰদত্ত বীৰদত্ত, বড়িগোগ আৰু পাণ্ডুৱী জিলা পৰিষদৰ বাবে দলটোৱে প্ৰক্ষেপ কৰা তিনিগৰাকী প্ৰাৰ্থী ক্ৰমে ডলি মহন্ত, বুলু শইকীয়া আৰু দিব্যজ্যোতি কলিতাই মনোনয়ন পত্ৰ দাখিল কৰে।

# ডঃ নগেন ঠাকুৰৰ বিয়োগত অসম সাহিত্য সভাৰ শোক প্ৰকাশ

**ই-সংবাদ, গুৱাহাটী, ১০ এপ্ৰিলঃ** ভাষাতত্ত্ববিদ আৰু কবি ডঃ নগেন ঠাকুৰৰ পৰলোকপ্ৰাপ্তিত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই সভাৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে এক সংবাদ বিবৃতিৰ জৰিয়তে ভাষাতত্ত্ববিদগৰাকীৰ বিয়োগ অসমীয়া সাহিত্যজগতৰ বাবে পূৰাব নোৱৰা ক্ষতি বুলি শোকাগ্ৰস্ত হৈ কয় যে বিংশ শতিকাৰ সপ্তম দশকত ৰামধেনু, মণিদীপ, আমাৰ প্ৰতিনিধি, আৱাহন আদিত কাব্যচৰ্চা কৰি যশস্যাৰ কলচীত উঠা কবিজনাই পৰৱৰ্তী সময়ত উপন্যাস, নাটক আৰু গল্পৰ সাম্ৰাজ্যতো পাও দিছিল যদিও তেখেত ভাষাতাত্ত্বিকৰূপেহে পৰিচিত হ'ল। পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া ভাষা, পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া সাহিত্য, ভাৰতীয় ভাষাৰ পৰিচয়, প্ৰাকৃত সাহিত্য চয়ন, পৃথিবীৰ বিভিন্ন ভাষা, প্ৰাকৃত সাহিত্যৰ অধ্যয়ন, গাহাসত্তসঙ্গ (গাথাসপ্তশতী) এশ এটা প্ৰেমৰ কবিতা, অশোকৰ অনুশাসন আদি ভাষা বিষয়ক গ্ৰন্থই অসমীয়া ভাষাক আঢ্য কৰাৰ লগতে নবেল বঁটাপ্ৰাপক মিখাইল ছলোকভৰ And Quite Flows the Don উপন্যাস অসমীয়ালৈ অনুবাদ কৰিছিল 'ধীৰে বৈ যায় ডন' নামেৰে। হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ চতুৰ্দশ সংস্কৰণৰো তেখেতে সম্পাদনা কৰিছিল। এনে এজন ভাষাৰ খনিকৰ ডঃ ঠাকুৰে অসমীয়া ভাষাৰ সমৃদ্ধি সাধনত অহিৰণা আগবঢ়াই জাতিটোক সমৃদ্ধ কৰি থৈ গ'ল। অসম সাহিত্য সভা পৰিয়ালৰ এইগৰাকী আজীৱন সদস্যৰ বিয়োগত মৰ্মাহত সভাই তেখেতৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনাৰে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# সৰ্বোদয় মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সৰ্বোদয়ান' উন্মোচন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ এপ্ৰিলঃ** যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ মালৌপথাৰস্থিত সৰ্বোদয় মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সৰ্বোদয়ান' চতুৰ্দশ সংখ্যা (২০২৩-২৪) উন্মোচন কৰে যোৰহাট মহাবিদ্যালয়ৰ উপাধ্যক্ষ উৎপল দত্তই। মহাবিদ্যালয়খনত প্ৰাক্-ৰঙালী বিহু পালনৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠান উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডক্টৰ মনোজ বৰুৱাই। এই উদ্দেশ্যে পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলনৰ পাছতে অনুষ্ঠিত অনুষ্ঠানত অধ্যাপক ডক্টৰ নমিতা বৰুৱা, মনোজ কুমাৰ দত্তই পৰিচালনা কৰা একাংকিকা নাটক ৰক্ত জবা মঞ্চস্থ কৰে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে। অন্ধবিশ্বাস প্ৰতিৰোধৰ বাবে মূল বিষয়বস্তুৰূপে লৈ ডক্টৰ নমিতা বৰুৱাই লেখা নাটকখন ইতিপূৰ্বে যোৰহাট অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত হৈছিল। অন্তৰা শইকীয়াই বিহুগীত, কৃষ্টিনা বৰুৱাই ঢোলবাদন, অভি কাশ্যপৰ দলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰি মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে অসমীয়া জাতীয় উৎসৱ ৰঙালী বিহুৰ হুঁচৰি, বিহু নৃত্যৰ লগতে দেউৰী আৰু মিচিং জনগোষ্ঠীৰ শিক্ষাৰ্থীসকলে বিহু প্ৰদৰ্শন কৰে।

# ডুমডুমাত পৰিত্যক্ত ষ্টেচন মাষ্টাৰৰ কক্ষত প্ৰতিষ্ঠিত ব্যৱসায়ীৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১০ এপ্ৰিলঃ** ইতিহাসে গৰকা ১৪৩ বছৰীয়া ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথৰ ডুমডুমা ৰে'ল ষ্টেচনৰ পৰিত্যক্ত ষ্টেচন মাষ্টাৰৰ কক্ষত ডুমডুমাৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি চাহ নগৰীখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা অনুসৰি, ডুমডুমা ৰে'ল ষ্টেচনৰ পৰিত্যক্ত তথা ষ্টেচন মাষ্টাৰে কৰ্ম সম্পাদন কৰা কক্ষত, আজি পুৱা ৮ বজাত চিপ লৈ থকা অৱস্থাত ডুমডুমা নগৰৰ পৱন কুমাৰ এণ্ড সুৰেশ কুমাৰ এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰ তথা প্ৰতিষ্ঠিত ব্যৱসায়ী বাবুলাল মিট্টল (৫৮) ৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় ডুমডুমা আৰক্ষীৰ লগতে তিনিচুকীয়া ৰে'ল ডিভিজনৰ সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰাত ৰে'ল আৰক্ষীৰ উপস্থিতিত ডুমডুমা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত বিয়লি মৃতদেহটো পৰিয়ালৰ লোকক চমজাই দিয়ে। সন্ধিয়ালৈ কলিয়াপানীস্থিত ৰাজহুৱা শ্মশানঘাটত মিট্টলৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন হয়। মৃত্যুৰ সময়ত মিট্টলে পত্নী, দুই পুত্ৰ, মাতৃ আৰু দুই ভাতৃক এৰি যায়। ঘটনাক লৈ ডুমডুমা সমজিলাত এতিয়াও চাঞ্চল্য অব্যাহত আছে। উল্লেখ্য যে যোৱা ১৩ ফেব্ৰুৱাৰীতো ডুমডুমা ৰে'ল ষ্টেচনৰ এটা পৰিত্যক্ত গুদাম ঘৰত অচিনাক্ত পুৰুষৰ এটা অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হৈছিল। ইয়াৰ পূৰ্বতেও ষ্টেচনটোত কেইবাটাও অচিনাক্ত মৃতদেহ উদ্ধাৰ হৈছিল। জানিব পৰা মতে, কালি সন্ধিয়া বাবুলাল মিট্টলে ঘৰৰপৰা ওলাই যোৱাৰ পিছৰেপৰা নিৰুদ্দেশ হৈ আছিল। আজি পুৱা এনেদৰে লোকজনৰ ৰহস্যজনক মৃত্যুৰ খবৰে পৰিয়ালটি শোকত ভাগি পৰিছে। বাবুলাল মিট্টলৰ মৃত্যুত মাৰোৱাৰী সমাজ, হিন্দুস্তানী সমাজ, ডুমডুমা প্ৰেছ ক্লাবকে ধৰি বিভিন্ন দল-সংগঠনে শোকপ্ৰকাশ কৰিছে। স্মৰ্তব্য যে ১৮৮১-৮২ চনতে নিৰ্মাণ কৰা ডিব্ৰু-শদিয়া ৰে'লপথৰ এক সুকীয়া ইতিহাস আছে। ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ সময়ছোৱাত ভাৰতীয় সেনাবাহিনীক যুদ্ধৰ ৰণকৌশলত ডিব্ৰু-শদিয়া ৰে'লপথটো গুৰুত্ব অপৰিসীম আছিল। চীনৰ সেনা বাহিনীক যুদ্ধত বাধা দিবলৈ ভাৰতৰ বাবে ডিব্ৰু-শদিয়া ৰে'লপথটো মাইলৰ খুঁটি হিচাপে আত্মপ্ৰকাশ কৰাৰ কথা ইতিহাসৰ পাতত আজিও লিপিবদ্ধ হৈ আছে। সম্প্ৰতি ডুমডুমাকে ধৰি ঐতিহাসিক ৰে'লপথছোৱাৰ ডাঙৰী, তালাপ, ৰূপাই চাইডিং, হাঁহচৰা আৰু বৰহাপজান আদি ছটাকৈ ষ্টেচন বন্ধ হৈ পৰাৰ উপক্ৰম ঘটাই নহ'য়, ৰে'লপথছোৱাক নিঃশেষ কৰি তোলাৰ ষড়যন্ত্ৰ চলাক লৈ আজিও প্ৰতিক্ৰিয়া অব্যাহত আছে। তিনিচুকীয়া ৰে'ল ডিভিজনৰ একাংশ অনা-অসমীয়া বিষয়াৰ থলুৱাবিৰোধী স্থিতিৰ বাবেই ঐতিহাসিক ৰে'লপথছোৱাৰ এই ডুমডুমা ৰে'ল ষ্টেচনটো জহি-খহি নিঃশেষ হ'ব ধৰাই নহয়, সঘনে ষ্টেচনটোত মৃতদেহ উদ্ধাৰৰ দৰে চাঞ্চল্যকৰ ঘটনাই স্থানীয় ৰাইজক অস্বস্তিত পেলাই আহিছে। ইপিনে, আজি উদ্ধাৰ হোৱা মৃতদেহটো ৰে'ল আৰক্ষীয়ে তদন্তৰ খাতিৰত নিজৰ জিম্মাত নোলোৱা ঘটনাই আন এক ৰহস্যৰ সৃষ্টি কৰিছে। মৃতদেহটো ৰে'ল আৰক্ষীয়ে চমজি লোৱাৰ পৰিৱৰ্তে ডুমডুমা আৰক্ষীক গতাই দিয়াৰ ঘটনাই এক ৰহস্যৰ সৃষ্টি কৰিছে। পূৰ্বতে ষ্টেচনটোত উদ্ধাৰ হোৱা মৃতদেহ ৰে'ল আৰক্ষীয়ে নিজৰ জিম্মাত লৈছিল।

# দুলীয়াজান আৰু টেঙাখাট মহাবিদ্যালয়ৰ যৌথ উদ্যোগত শিক্ষাতত্ত্ব বিভাগৰ আলোচনা-সত্ৰ সম্পন্ন



**ই-সংবাদ, দুলীয়াজান, ১০ মাৰ্চঃ** আজি দুলীয়াজান মহাবিদ্যালয় আৰু টেঙাখাট মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগে বুজাবুজিৰ চুক্তিৰ অধীনত যুটীয়াভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে "Inclusion in Education: Creating Accessible Learning Environment" শীৰ্ষক এখন আলোচনা-সত্ৰৰ আয়োজন কৰে। দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মনচুন হাতীবৰুৱাই আঁত ধৰি আদৰণি ভাষণত সাধাৰণ আৰু বিশেষভাৱে সক্ষম শিশুসকলৰ মাজত কোনো বৈষম্য নকৰাকৈ সকলো শাৰীৰিক, মানসিক আৰু সামাজিক দিশৰ বাধা আঁতৰাই সকলো শিশুকে শিক্ষাৰ ক্ষেত্ৰত সমান সুযোগ প্ৰদান কৰিব লাগে বুলি মন্তব্য কৰে। দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোক বিকাশ গগৈয়ে উদ্বোধনী ভাষণত কয় যে শিক্ষা মানে কেৱল কিতাপৰ পৰা আহৰণ কৰা জ্ঞানেই নহয়; ই হৈছে সমালোচনাত্মক চিন্তাধাৰা, ব্যৱহাৰিক দক্ষতা, নৈতিক মূল্যবোধ, বাস্তৱ জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ দক্ষতা বিকাশ কৰা। মহাবিদ্যালয়ৰ উপাধ্যক্ষ জ্যোতি সিং পাঠকে দ্ৰোণাচাৰ্য আৰু একলব্যৰ উদাহৰণেৰে অন্তৰ্ভুক্তি শিক্ষাৰ পৰিৱেশ ৰচনাৰ বিষয়ে বক্তব্য আগবঢ়ায়। টেঙাখাট মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ সোণালী চেতিয়াই নিজৰ বক্তব্যত কয় যে অন্তৰ্ভুক্তি শিক্ষা মানে হৈছে সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সামৰ্থ্য, পটভূমি বা প্ৰত্যাহ্বান যিয়েই নহওঁক সকলোৱে একে পৰিৱেশতে শিক্ষা লাভ কৰিব। এই আলোচনা সত্ৰত সৰ্বমুঠ ১১ খন গৱেষণা-পত্ৰ পাঠ কৰা হয়। দুয়োখন মহাবিদ্যালয়ৰ প্ৰায় ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যাপিকা অংকিতা বৰুৱা, ড০ অম্বালিকা বৰঠাকুৰ, দীপামণি শইকীয়া আৰু টেঙাখাট মহাবিদ্যালয়ৰ মুনমী শইকীয়া আৰু দিতিমণি নায়কে অংশগ্ৰহণ কৰে। দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যাপিকা অংকিতা বৰুৱাই সকলোকে সহায়-সহযোগিতা আৰু পৰামৰ্শৰ বাবে আগবঢ়োৱা শলাগৰ শৰাইৰে আলোচনা-সত্ৰখনিৰ সামৰণি পৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নামনি মাজুলীৰ দুৰ্গম ভেকেলী চাপৰিত নৌকা স্বাস্থ্য সেৱাৰ বিনামূলীয়া চিকিৎসা শিবিৰ




**ই-সংবাদ বিশেষ, মাজুলী, ১০ এপ্ৰিলঃ** চেণ্টাৰ ফৰ নৰ্থ-ইষ্ট ষ্টাডিছ এণ্ড পলিচি ৰিচাৰ্চ নামৰ সংস্থাৰ উদ্যোগত মাজুলীৰ নৈপৰীয়া লোকৰ চিকিৎসা সেৱাৰ বাবে কাম কৰি থকা 'নৌকা স্বাস্থ্য সেৱা'ৰ উদ্যোগত এটা বিনামূলীয়া স্বাস্থ্য শিবিৰ আজি নামনি মাজুলীৰ অতি দুৰ্গম, বানপীড়িত ভেকেলী চাপৰিত অনুষ্ঠিত হয়। নৌকা স্বাস্থ্য সেৱাৰ নিয়মীয়া স্বাস্থ্য শিবিৰৰ অংশ হিচাপে আজি ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত, মাজুলীৰ ভূখণ্ডৰপৰা নিলগত অৱস্থিত, যাতায়াত-যোগাযোগ বিচ্ছিন্নপ্ৰায় উক্ত ভেকেলী চাপৰিত বিনামূলীয়া স্বাস্থ্য শিবিৰ আয়োজন কৰা হয়। উক্ত শিবিৰত মাজুলী জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কুমাৰ কামানৰ লগতে ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ জিলা সমন্বয়ক মিত্ৰজোতি কোঁৱৰ, মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ নিৰীক্ষক পম্পী দত্তয়ে যোগদান কৰে। উক্ত স্বাস্থ্য শিবিৰ উদ্বোধন কৰি যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কুমাৰ কামানে নামনি মাজুলীৰ চৰ অঞ্চলৰ স্বাস্থ্য সেৱাৰ সমস্যাসমূহৰ বুজ লয় আৰু কিদৰে এই সমস্যাসমূহ সমাধান কৰিব পৰা যায়, সেই বিষয়ে আলোচনা কৰে। স্বাস্থ্য বিষয়াজনে লগতে অতি দুৰ্গম ভেকেলী গাঁৱৰ ভিতৰলৈ সোমাই গৈ যাতায়াত, যোগাযোগ আৰু স্বাস্থ্যসেৱাৰ বিষয়ে বুজ লয়। তেওঁ চাপৰিটোৰ বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। তাৰপাছত উক্ত নৌকা স্বাস্থ্য সেৱাৰ শিবিৰত নৌকা স্বাস্থ্য সেৱাৰ কৰ্মচাৰীৰ লগতে নিজেও স্বাস্থ্য পৰীক্ষা কৰি ৰাইজক স্বাস্থ্য সজাগতাৰ বিষয়ে গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। প্ৰায় পোন্ধৰশ লোকে বসবাস কৰা এই ভেকেলী চাপৰিৰ আজিৰ স্বাস্থ্য সেৱাৰ শিবিৰত ৮৯ জন ৰোগী, ১০ গৰাকী গৰ্ভৱতী মহিলাই স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৫ টা নিয়মীয়া টিকাকৰণ কৰা হয়। আজিৰ উক্ত শিবিৰটো মাজুলী জিলাৰ নৌকা স্বাস্থ্য সেৱাৰ জিলা কাৰ্যকৰী বিষয়া ঋতুৰেখা বৰুৱা ফুকনৰ নেতৃত্বত অনুষ্ঠিত হয়। উক্ত শিবিৰত উপস্থিত থকা নৌকা স্বাস্থ্য সেৱাৰ কৰ্মচাৰীসকল আছিল ডাঃ ছাদ্দাম হুছেইন, লেবৰেটৰী টেকনিচিয়ান অচ্যুতজ্যোতি দাস, ফাৰ্মাচিষ্ট দীপজ্যোতি নাথ, এ এন এম সোনজুলী দেউৰী, প্ৰাঞ্জল ঠাকুৰীয়া, কমিউনিটী ৱৰ্কাৰ যদুমণি হাজৰিকা, জিতু দত্ত, দীপেন পেগু, নাও পৰিচালক বিপুল পায়েং, ছেমানী পায়েং, গোলাপ গায়ন আৰু ৰমেশ চমুৱা। উক্ত স্বাস্থ্য শিবিৰটোৰপৰা নৈপৰীয়া ভেকেলী চাপৰিৰ ৰাইজৰ বহুত উপকাৰ হোৱা বুলি আজি স্থানীয় ৰাইজে জানিবলৈ দিছে। নামনি মাজুলীৰ অতি দুৰ্গম ভেকেলী চাপৰিত অনুষ্ঠিত উক্ত বিনামূলীয়া স্বাস্থ্য সেৱা শিবিৰত অংশগ্ৰহণ কৰা মাজুলী জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক জিলা নৌকা স্বাস্থ্য সেৱাৰ জিলা কাৰ্যকৰী বিষয়া ঋতুৰেখা বৰুৱা ফুকনে শলাগ জ্ঞাপন কৰে।

# কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসত ষষ্ঠ ষান্মষিকৰ বিদায় সভা

**ই-সংবাদ, ডিব্ৰুগড়, ১০ এপ্ৰিলঃ** সফলতাৰ পথ সহজ নহয়, সফলতা লাভ কৰিবলৈ জীৱনত কঠোৰ পৰিশ্ৰম আৰু সন্মুখলৈ অহা প্ৰত্যাহ্বানসমূহ সাহসেৰে মুখামুখি হোৱা উচিত। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ ষষ্ঠ ষান্মষিকৰ আৱাসীসকলৰ ৯ এপ্ৰিলত অনুষ্ঠিত বিদায় সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম আদিত্য কাকতৰ মুখ্য সম্পাদক, বিশিষ্ট চিকিৎসক, লেখক ডাঃ নিৰ্মল চাহেৱালাই এইদৰে কয়। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰপৰা ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে আৰতি কৰি পুস্পাঞ্জলীৰে উষ্ম আদৰণী জনাই সভাগৃহলৈ অনা অনুষ্ঠানত ডাঃ চাহেৱালাই কয়— জীৱনলৈ কেতিয়াবা নভবাকৈ পৰিৱৰ্তন আহে। দিন দৰিদ্ৰ, পৰিৱেশৰ অভাৱৰ ফলতো কেতিয়াবা মানুহে সফল হ'ব পাৰে। অনুষ্ঠানত উপস্থিত সকলোকে আদৰণী জনায় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আজিৰ দিনটো আনন্দ কৰাৰ দিন নহয়, আজিৰ দিনটো এক আৱেগিক দিন। মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাস কেৱল এটা আৱাস নহয় বুলি উল্লেখ কৰি তেওঁ কয়— এয়া হ'ল জ্ঞান, বিজ্ঞান, প্ৰজ্ঞা, অভিজ্ঞতা, শিক্ষা আহৰণৰ এটুকুৰা ঠাই। ছাত্ৰীনিৱাসত মানুহে জীয়াই থকাৰ উপলব্ধি কৰিব পাৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশনেৰে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, ছাত্ৰ সম্পৰ্ক সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, ছাত্ৰীনিৱাসৰ অধীক্ষক উৰ্মিলা ৰামছিয়াৰী প্ৰাক্তন উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, মৰাণ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অসীমাভা দত্তই ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে ছাত্ৰীনিৱাসৰ বাৰ্ষিক আলোচনী 'প্ৰতীতি'ৰ দ্বিতীয় সংখ্যাটি উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই।

# যোৰহাটত অৱসৰপ্ৰাপ্ত সেনা বিষয়াৰ আত্মহনন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ এপ্ৰিলঃ** যোৰহাট পুলিচৰ থানাৰ এলেকাভুক্ত পকীমুৰি হাবিগাঁৱৰ এঘৰত ভাড়াতীয়াৰূপে থকা এজন অৱসৰপ্ৰাপ্ত সেনা বিষয়াই নিজৰ কোঠাতে চিপজৰী লৈ আত্মহত্যা কৰে। দেৰগাঁও গেলাবিলৰ নিবাসী দ্বীপেন শৰ্মা (৬৭) নামৰ ব্যক্তিজনে কোঠাৰ খিৰিকিত চিপ লৈ আজি আত্মহনন কৰে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষয়িত্ৰীৰূপে কৰ্মৰত পত্নীক পুৱা বিদ্যালয়লৈ পঠিয়াই তেওঁ এই কাৰ্য সংঘটিত কৰে। একমাত্ৰ কন্যাগৰাকীক ইতিমধ্যে বিয়া দিয়া ব্যক্তিজনে কিয় আত্মহত্যা কৰিলে জানিব পৰা হোৱা নাই। যোৰহাট পুলিচৰ থানাৰ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জে এম চি চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। ঘটনাৰ খবৰ পাই দেৰগাঁও গেলাবিলৰ আত্মীয়সকল ভাড়া ঘৰটোত উপস্থিত হৈছেহি।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# মাজুলীত ৫০০ বিহুৱা-বিহুৱতীৰে শুভাৰম্ভ হ'ব 'সৃষ্টি'ৰ ব'হাগী উৎসৱ-২০২৫

**ই-সংবাদ, মধ্য মাজুলী, ১০ এপ্ৰিলঃ** মাজুলীৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন 'সৃষ্টি' এক সমন্বয়ৰ যাত্ৰা, মাজুলীৰ উদ্যোগত ৫ আৰু ৬ ব'হাগ অৰ্থাৎ ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ব'হাগী উৎসৱ-২০২৫ ৰ আয়োজন কৰিছে। এই উপলক্ষে ১৯ এপ্ৰিলৰ পুৱা স্বচ্ছতাৰ কাৰ্যসূচী ৰূপায়ণৰ পিছত পতাকা উত্তোলন কৰিব সৃষ্টিৰ সভাপতি পংকজ দত্তই। পুৱা ১০ বজাত মাজুলীৰ বিভিন্ন স্থানৰ ৫০০ গৰাকী বিহুৱা-বিহুৱতী বিহুৰে ব'হাগী উৎসৱ-২০২৫ ৰ শুভাৰম্ভ হ'ব। ইয়াৰ পিছতেই সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সৰু বিহুৱতী প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপকক ৭,০০০ টকা, দ্বিতীয় স্থান প্ৰাপকক ৫,০০০ টকা আৰু তৃতীয় স্থান প্ৰাপকক ৩০০০ টকাসহ স্মাৰক আৰু মান-পত্ৰ প্ৰদানৰ লগতে আৰু দুগৰাকী কণকণ বিহুৱতীক বিশেষ বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও বৰ বিহুৱতী প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত শিল্পীক ১০,০০০ আৰু দ্বিতীয় স্থান প্ৰাপ্তক ৭,০০০ টকা, তৃতীয় স্থানপ্ৰাপ্তক ৩০০০ টকা প্ৰদানৰ লগতে মান-পত্ৰ আৰু স্মাৰক প্ৰদান কৰা হ'ব বুলি সাধাৰণ সম্পাদক প্ৰাঞ্জল খাউণ্ডে জানিবলৈ দিছে। ইফালে, সৃষ্টিৰ সাধাৰণ সম্পাদক ৰঞ্জন মহন্তই জনোৱা অনুসৰি ৬ ব'হাগত পুৱা স্বচ্ছতা আৰু গছপুলি ৰোপণৰ পিছতে জেংবিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জেংবিহু প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা দলক ১০,০০০ টকা আৰু দ্বিতীয় স্থান লাভ কৰা দলক ৭,০০০ নগদ ধনসহ মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হ'ব বুলি জানিবলৈ দি ২০ এপ্ৰিলৰ নিশা ৰাজ্যৰ জনপ্ৰিয় কণ্ঠশিল্পী নিতুল দাধৰাৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। সৃষ্টিৰ সভাপতি পংকজ দত্তই ১৯ আৰু ২০ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া উক্ত ব'হাগী উৎসৱ ২০২৫ৰ সকলো কাৰ্যসূচীতে মাজুলীবাসীৰ সহায়-সহযোগিতা কামনা কৰিছে। উক্ত ব'হাগী উৎসৱৰ বৰবিহুৱতীৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে আগবঢ়াইছে কঠমীয়া গাঁৱৰ বিশিষ্ট সমাজ সংগঠক প্ৰয়াত মোহন শইকীয়াৰ পৰিয়াল, অভয়পুৰ গাঁৱৰ সমাজ সংগঠক প্ৰয়াত সত্যনাথ বৰাৰ পৰিয়ালবৰ্গ, গোঁসাইবাৰী গাঁৱৰ সমাজ সংগঠক মানিক ৰাজখোৱা তথা সৃষ্টিৰ সদস্য ৰাজেশ ৰাজখোৱাৰ পৰিয়ালবৰ্গই। আনহাতে, জেংবিহু প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ আগবঢ়াইছে ক্ৰমে নতুন বজাৰৰ বিশিষ্ট সমাজসেৱীকা প্ৰয়াত গুণেশ্বৰী খনিকৰৰ পৰিয়ালবৰ্গ, ৰাঙলীবাহাৰ গাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দেউৰাম দাসৰ পৰিয়ালবৰ্গ আৰু গোঁসাইবাৰী গাঁৱৰ প্ৰয়াত মহেন্দ্ৰ বৰাৰ পৰিয়ালবৰ্গই। আনহাতে, সৰু বিহুৱতীৰ প্ৰথম পুৰস্কাৰ ক্ৰমে আগবঢ়াইছে পশ্চিম চিৰাম দেউৰী গাঁৱৰ বিশিষ্ট সমাজকৰ্মী লংকেশ্বৰ দেউৰীৰ পৰিয়ালবৰ্গ, বনগাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত সুৰেন শইকীয়াৰ পৰিয়ালবৰ্গ, নিয়মীয়া বাৰ্তা কাকতৰ নতুন বজাৰৰ সংবাদদাতা তথা সমাজ সংগঠক ৰূপজ্যোতি বৰাৰ পৰিয়ালবৰ্গ আৰু বোকাজান মিচিং গাঁৱৰ সমাজ সংগঠক প্ৰয়াত ৰমাকান্ত কুটুমৰ পৰিয়ালবৰ্গ, চিৰাম দেউৰী গাঁৱৰ যুগান্ত দেউৰীৰ পৰিয়ালবৰ্গই। 'সৃষ্টি' এক সমন্বয়ৰ যাত্ৰাৰ বিষয়ববীয়াসকলে পুৰস্কাৰ আগবঢ়োৱা উক্ত দাতা পৰিয়াললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# দলগাঁৱত মনোনয়ন-পত্ৰ দাখিলৰ বাবে অহা প্ৰাৰ্থী-সমৰ্থকৰ প্ৰচণ্ড ভিৰ

**ই-সংবাদ, খাৰুপেটীয়া, ১০ এপ্ৰিলঃ** কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন। আজি মনোনয়ন-পত্ৰ দাখিল কৰাৰ বাবে দৰং জিলাৰ দলগাঁও সমষ্টিৰ ১৫ খন গাঁও পঞ্চায়তৰ প্ৰাৰ্থীসকলে দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ড কাৰ্যালয়ত প্ৰচণ্ড ভিৰ কৰা দেখা যায়। পুৱা ১০.৩০ বজাৰপৰা আবেলি ৩ বজালৈ মনোনয়ন-পত্ৰ গ্ৰহণ কৰে বিভাগীয় কৰ্তৃপক্ষই। আবেলি নিৰ্বাচনৰ মনোনয়ন-পত্ৰ গ্ৰহণৰ দায়িত্বত থকা দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ড বিষয়াৰ সৈতে উন্নয়ন খণ্ডত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে। মনোনয়ন-পত্ৰ দাখিলৰ বাবে আজি দৰঙৰ দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথতো পঞ্চায়ত প্ৰাৰ্থী আৰু সমৰ্থকৰ দুচকীয়া, চাৰিচকীয়া বাহন আৰু ই-ৰিক্সা আদিৰ লগতে সমৰ্থকৰ ব্যাপক ভিৰ দেখা যায়। আজিৰ দৰেই কাইলৈ মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিনতো প্ৰচণ্ড ভিৰ হোৱাৰ সম্ভাৱনা আছে। আজি এই ভিৰ নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে অৰ্ধসামৰিক বাহিনীৰ লোক মোতায়েন কৰে। ইপিনে, এ আই ইউ ডি এফ আৰু কংগ্ৰেছে দৰঙৰ চাৰিটা জিলা পৰিষদত প্ৰাৰ্থী প্ৰদান কৰিছে। ৯ নং শ্যামটিলা অপৰিয়া জিলা পৰিষদৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী নাফিছা হুছেইন, কংগ্ৰেছৰ উম্মে ছালমা ১০ নং বিহুদিয়া জিলা পৰিষদৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী মইনুদ্দিন আহমেদ, কংগ্ৰেছৰ ৰাকিব উদ্দিন আহমেদ, ১১ নং শ্যামপুৰ জিলা পৰিষদৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী হামিদা বেগম, কংগ্ৰেছৰ শ্বাহনাজ নিলোৱা ইয়াছমিন আৰু ১২ নং বেচিমাৰী জিলা পৰিষদৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী ৰফিকুল ইছলাম, কংগ্ৰেছে মহিবুদ্দিন আহমেদক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।



# টীয়কত বিধ্বংসী ধুমুহাই তচনচ কৰিলে বাসগৃহ



**ই-সংবাদ, টীয়ক, ১০ এপ্ৰিলঃ** আজি বিয়লি ভাগত অহা এজাক প্ৰচণ্ড ধুমুহাই টীয়কৰ কেইবাটাও অঞ্চলত তাণ্ডৱৰ সৃষ্টি কৰে। টীয়কৰ জহাখাট, বলমা, গোহাঁই গাঁও, বুধুবাৰী আদি কেইবাটাও অঞ্চলৰ বাসগৃহৰ লগতে উভালি পেলালে বাৰীৰ মূল্যৱান গছ। কেইবাজনো নিবনুৱা যুৱকে সংস্থাপনৰ বাবে বাট মুকলি কৰা ব্ৰইলাৰ ফাৰ্মত ধুমুহাই তচনচ কৰিলে হাজাৰ হাজাৰ ব্ৰইলাৰ। বিদ্যুতৰ খুঁটাৰ ওপৰত গছ উভালি পৰাৰ বাবে ব্যাহত হৈ পৰে কেইবাটাও অঞ্চলৰ বিদ্যুৎ সেৱা। ৰঙালী বিহুৰ প্ৰাকক্ষণত অহা এই বিধ্বংসী ধুমুহাই যেন এই বিহু নহয় বৰবিহহে কৰিছে এইসকল ক্ষতিগ্ৰস্ত লোকক। অৱশ্যে এই তাণ্ডৱত কোনো লোক হতাহতি হোৱা নাই যদিও বুজন পৰিমাণৰ ঘৰুৱা আচবাব, টিনপাতকে ধৰি বহু মূল্যৱান সামগ্ৰীৰ বিস্তৰ ক্ষতি কৰে।

## অসমৰ চহকী সংস্কৃতিক দেশে-বিদেশে উপস্থাপন কৰাৰ বিশেষ প্ৰয়াস

# কলাক্ষেত্ৰত আজি কলা মহোৎসৱ

**ই-সংবাদ, গুৱাহাটী, ১০ মাৰ্চঃ** অসমৰ চহকী সংস্কৃতিক দেশে-বিদেশে উপস্থাপন কৰাৰ মানসেৰে কাইলৈ কলাক্ষেত্ৰত কলা মহোৎসৱ অনুষ্ঠিত হ'ব। বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত এখন সংবাদমেল সম্বোধন কৰে কলিংগ ভাৰতী ফাউণ্ডেচন নামৰ সংস্থাটোৱে। সংস্থাটোৰ প্ৰতিষ্ঠাপক আৰু ৰাষ্ট্ৰীয় সভাপতি অক্ষয় কুমাৰ সামাই সম্বোধন কৰা সংবাদমেলখনত শুকুৰবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুস্থিতব্য কলা মহোৎসৱ সন্দৰ্ভত ব্যাখ্যা প্ৰদান কৰি এই অনুষ্ঠানটোত উপস্থিত থাকিবলৈ আহ্বান জনায়। অক্ষয় কুমাৰ সামা আৰু প্ৰণৱ শইকীয়াৰ স্বাক্ষৰ সম্বলিত প্ৰেছ বিবৃতিত লিখিছে যে, কলিংগ ভাৰতী দলৰ দ্বাৰা অসমৰ গুৱাহাটীত কলা মহোৎসৱৰ আয়োজন কৰা হৈছে। কলিংগ ভাৰতী ফাউণ্ডেশ্যনৰ ৰাষ্ট্ৰীয় সভাপতি তথা প্ৰতিষ্ঠাপক তথা সামাজিক উদ্যোগী অভিযন্তা অক্ষয় কুমাৰ সামাৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব এই কাৰ্যসূচী। সংগঠনটোৰ সভাপতি অক্ষয় কুমাৰ সামাই কয়, 'কলা মহোৎসৱ হৈছে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত সংগীত আৰু নৃত্য সংমিশ্ৰিত এক কাৰ্যসূচী যিটো




ইতিমধ্যে ওড়িশা আৰু ৰাজস্থানত আৰম্ভ হৈছে আৰু জুন মাহত হাৰিয়ানাত সামৰণি পৰিব। এইবাৰ পোনপ্ৰথমবাৰৰ বাবে অসমৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য এখনত ১১ এপ্ৰিল ২০২৫ তাৰিখে (শুকুৰবাৰে) বিয়লি ৪.৩০ বজাৰ পৰা শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজন কৰিবলৈ লোৱা হৈছে। এই অনুষ্ঠানত উপস্থিত থাকিব ড° অমৰিন্দৰ খট্টা, প্ৰাক্তন সচিব, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু প্ৰাক্তন DGP, ICRকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি। অসম, মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু ওড়িশাৰ পৰা ৭৫ জনতকৈ অধিক সদস্যই নিজৰ নৃত্য আৰু সংগীত উপস্থাপন কৰিব দিল্লীৰ পৰা।' সংস্কৃতি, সংগীত আৰু ঐতিহ্যক প্ৰচাৰ কৰি এখন উন্নত ভাৰতৰ বাবে ২০৪৭ চনৰ সপোন বাস্তৱায়িত কৰাৰ পথ প্ৰশস্ত কৰাটোৱেই এই অনুষ্ঠানৰ মূল উদ্দেশ্য বুলি আয়োজকে জানিবলৈ দিয়ে। কলাক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত সকলোৰে বাবে প্ৰৱেশ বিনামূলীয়া। আয়োজকে লগতে জানিবলৈ দিয়ে যে কলিংগ ভাৰতী ফাউণ্ডেচন হৈছে দিল্লীস্থিত এক আগশাৰীৰ সামাজিক-সাংস্কৃতিক সংস্থা। যোৱা দহ বছৰ ধৰি এই সংস্থাটোৱে ভাৰতত সংস্কৃতি আৰু সম্প্ৰদায় উন্নয়নৰ ক্ষেত্ৰত কাম কৰি আছে।

# নগাঁৱৰ পশ্চিমাঞ্চলত বৰদৈচিলাই তচনচ কৰিলে ৰাজতিলক থিয়েটাৰৰ পেণ্ডেল

**ই-সংবাদ, বেবেজীয়া, ১০ এপ্ৰিলঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ মাজেৰে আজি পাৰ হৈ যোৱা এজাক ধুমুহাই গঞ্জৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰাৰ বিপৰীতে বহু অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। বিয়লি প্ৰায় এক বজাত প্ৰচণ্ড বেগত অহা এই ধুমুহাই জিলাখনৰ হাতীচোং মৌজাৰ এলেকাধীন চকলাঘাট, ৰাইদঙীয়া, গেদাৰবড়ি, কোচৰগাঁও, চমুৱাগাঁও, কুৰুৱাবাহী, জামুগুৰি, কাকমাৰী, ভালুকমাৰী, জাজৰি, মাজগাঁও, নমাটি আদি অঞ্চলৰ বহু লোকৰ বাসগৃহৰ ব্যাপক ক্ষতিসাধন কৰে। তদুপৰি বিধ্বংসী এই ধুমুহাই উক্ত অঞ্চলবোৰৰ কেইবাখনো ব্যৱসায় প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, দোকান আদিৰ টিনপাত উৰুৱাই নিয়াৰ সমান্তৰালকৈ বহু কৃষকৰ বড়োধান, মৰাপাট আৰু শাক-পাচলি খেতি ক্ষতিগ্ৰস্ত কৰে। তদুপৰি বহু অঞ্চলত ধুমুহাজাকে গছ-গছনি চিঙি-ভাঙি ধ্বংস কৰাত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। ইফালে, ধুমুহাই চকলাঘাটৰ ব্ৰাহ্মণগাঁৱত আজিৰেপৰা নাট্য প্ৰদৰ্শনৰ বাবে উপস্থিত হোৱা অসমৰ আগশাৰীৰ নাট্যদল ৰাজতিলক থিয়েটাৰৰ পেণ্ডেলৰ বিস্তৰ ক্ষতিসাধন কৰে। ধুমুহাই অস্থায়ী প্ৰেক্ষাগৃহৰ তম্বু আৰু মঞ্চৰ সকলো কাপোৰ উৰুৱাই নিয়ে। ঠিক সেইদৰে গেদাৰবড়িত লোকশিল্পী গুণ শইকীয়া সংগীত মহাবিদ্যালয় আৰু শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ বিশেষ কাৰ্যসূচী হিচাপে অনুষ্ঠিত হৈ থকা বিহুনাচৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি প্ৰতিকূল বতৰৰ বাবেই বাতিল কৰা হয় বুলি জানিব পৰা গৈছে।

# নহাউলি জানোপাৰত 'শিক্ষাগুৰুতৰ এদিন' সম্পন্ন

**ই-সংবাদ, নলবাৰী, ১০ এপ্ৰিলঃ** নলবাৰীৰ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ৩ নং ঘগ্ৰাপাৰ মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত নহাউলি জানোপাৰ প্ৰাথমিক বিদ্যালয়ত আজি শিক্ষাগুৰুৰ এদিন শীৰ্ষক অন্তৰংগ আলাপ তথা শৈক্ষিক আলোচনা সম্পন্ন হয়। ৩ নং ঘগ্ৰাপাৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মৃদুল ভৰদ্বাজে আঁতধৰা সভাখনত সভাপতিত্ব কৰে স্থানীয় বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মুনীন্দ্ৰ ৰাজবংশীয়ে। সভাত মুখ্য অতিথিৰূপে যোগদান কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই আৰু বিশিষ্ট অথিথিৰূপে অংশগ্ৰহণ কৰে ৰাজ্যিক সমল ব্যক্তি তথা পাঠ্যপুথি প্ৰণেতা সুভাষ বৰ্মনে। শিক্ষা বিষয়া সমীন বৈশ্যই শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে উল্লেখ কৰে। লেখক সুভাষ বৰ্মনে গুণোৎসৱত এ প্লাছ গ্ৰেড পোৱা সকলো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীক অভিনন্দন জনোৱাৰ লগতে আগন্তুক গুণোৎসৱত যাতে ইয়াতকৈয়ো ভাল প্ৰাপ্তাংক লাভেৰে গ্ৰেড লাভ কৰে তাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। চৰকাৰী মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়োৱাত মনোনিৱেশ কৰাতো তেওঁ গুৰুত্ব আৰোপ কৰে। আজিৰ সভাত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ব্লক এম আই এছ সমন্বয়ক, ইডিপি, বি আৰ পি, চি আৰ চি চি আদিও উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ডিমাকুছিৰ শুক্লাইত ইউ পি পি এল ত্যাগ কৰি মিত্ৰদল বিজেপিলৈ শতাধিক

# বিটিআৰত এতিয়া গেৰুৱা শিবিৰত যোগদানৰ অঘোষিত প্ৰতিযোগিতা

**ই-সংবাদ, ডিমাকুছি, ১০ এপ্ৰিলঃ** সমাগত বিটিআৰ নিৰ্বাচনক লৈ এতিয়া প্ৰতিটো ৰাজনৈতিক দলে কঁকালত টঙালি বান্ধিছে। বিটিআৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিটিআৰপ্ৰধান প্ৰমোদ বড়ো আৰু হাগ্ৰামাৰ বাকযুদ্ধৰ সময়তে UPPL আৰু BPFৰ একাংশই এতিয়া ঢাপলি মেলিছে গেৰুৱা বাহিনীলৈ। বিশেষকৈ বিটিআৰৰ ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিৰ বৃহত্তৰ ডিমাকুছি অঞ্চলত শুক্লাইত ইউপিপিএল দলত সৃষ্টি হ'ব ধৰিছে বৃহৎ গৰাখহনীয়া। এক সপ্তাহতে দুই শতাধিক ইউপিপিএল সমৰ্থকে যোগদান কৰিলে ৰাষ্ট্ৰীয় দল বিজেপিত। বিটিচিৰ বিজেপিৰ পাৰিষদ ৰেওৰেৱা নাৰ্জাৰীয়ে বিজেপি দল এৰি ইউপিপিএল দলত যোগদান কৰিলে কিন্তু সেই সময়তে ভেৰগাঁও সমষ্টিত ক্ৰমান্বয়ে বৃদ্ধি পাইছে ইউপিপিএল দলৰ সমৰ্থকে দলত্যাগ কৰি বিজেপি দলত যোগদান কৰাৰ অঘোষিত প্ৰতিযোগিতা। ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিৰ শুক্লাইত অনুষ্ঠিত যোগদান সভাত পাঁচ বছৰে ইউপিপিএল দলত ওতঃপ্ৰোতভাৱে জড়িত অৰ্ধশতাধিক লোকে UPPL ত্যাগ কৰি বিজেপিত যোগদান কৰে। একাংশ ইউপিপিএল দলৰ সমৰ্থকে ই এম দাউবাইছা বড়োৰ কাম-কাজত ক্ষুণ্ণ হৈ তথা স্থানীয় একাংশ নেতা, শীৰ্ষ নেতাৰ কিছুমান



ভূমিকাৰ বাবে দলত্যাগ কৰা বুলিও মন্তব্য কৰে প্ৰাক্তন ইউপিপিএল দলৰ কৰ্মকৰ্তাসকলে। ইউপিপিএল দলৰপৰা ভাৰতীয় জনতা পাৰ্টীত যোগদান সভাত ভেৰগাঁও মণ্ডল বিজেপিৰ সভাপতি ফটিক কছাৰী, ওদালগুৰি জিলা বিজেপিৰ সম্পাদক জৌশ্ৰাং বড়ো, ওদালগুৰি জিলা বিজেপিৰ উপ-সভাপতি বিকন চন্দ্ৰ ডেকা, শুক্লাই ভিচিডিচিৰ অধ্যক্ষা পূৰবী গগৈ খৰেলৰ উপৰিও বহুকেইগৰাকী ব্যক্তি আৰু দলীয় নেতা-কৰ্মী উপস্থিত থাকে। আনহাতে, ৩৩ নং ননৈ চেৰফাং পৰিষদীয় সমষ্টিতো ক্ৰমাৎ বৃদ্ধি হৈছে ভাৰতীয় জনতা পাৰ্টীত যোগদান কাৰ্যসূচী। ৩৩ নং ননৈ চেৰফাং পৰিষদীয় সমষ্টিৰ ইএম সঞ্জিৎ তাঁতীৰ কাম-কাজত সন্তুষ্ট হৈ একাধিক বিপিএফ কৰ্মী আৰু ইউপিপিএল কৰ্মীয়ে দিনে-নিশাই যোগদান কৰি আহিছে ভাৰতীয় জনতা পাৰ্টীত। কোনোধৰণৰ যোগাদান কাৰ্যসূচী অনুষ্ঠিত নকৰাকৈয়ে ই এম সঞ্জিৎ তাঁতীৰ বাসগৃহত ভাৰতীয় জনতা পাৰ্টীৰ যোগদান কাৰ্যসূচী অব্যাহত আছে। ই এম সঞ্জিৎ তাঁতীয়ে বিগত সময়ছোৱাত তেখেতৰ সমষ্টিৰ উপৰিও বিভিন্ন স্থানত শিক্ষা, আন আন সমস্যা, নিবনুৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰি ধাৰাবাহিকভাৱে কাম কাজ চলাই আহিছে, যাৰবাবে এতিয়া ননৈ চেৰফাং পৰিষদীয় সমষ্টিত প্ৰতিজন লোকৰ হৃদয়ত হিয়াৰ আমঠু হৈ পৰিছে ই এম সঞ্জিৎ তাঁতী। বিটিচিত এতিয়া ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতি আকৰ্ষিত হোৱাত একাধিক লোকৰ মনত প্ৰশ্ন হৈছে বৰ্তমানৰ শাসনাধিষ্ঠ ইউপিপিএল দলৰ মুৰব্বী প্ৰমোদ বড়োৰ কাম-কাজৰ প্ৰতি মোহভংগ হৈ পৰিছে নেকি সাধাৰণ জনতা। ইফালে, এটাৰ পিছত এটাকৈ ইউপিপিএল দলৰ MCLA আৰু নেতা-পালিনেতাৰ কু-কৰ্মই চকু কপালত তুলিছে সৰ্বসাধাৰণ ৰাইজৰ। বিটিআৰত এতিয়া আৰম্ভ হৈছে কু-কৰ্ম আৰু দুৰ্নীতিৰ অঘোষিত প্ৰতিযোগিতা। যাৰবাবে সৰ্বসাধাৰণ ৰাইজে ইউপিপিএল দলৰ প্ৰতি আস্থা হেৰুৱাই বিকল্প হিচাপে ভাৰতীয় জনতা পাৰ্টী আৰু বিপিএফ দলক পুনৰ আকোঁৱালি লোৱা পৰিলক্ষিত হৈছে।

# চকলাঘাট গজপুৰীয়াৰ আদৰ্শ খেতিয়ক গোলাপ বৰাৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ১০ এপ্ৰিলঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ গজপুৰীয়া গাঁৱৰ নিবাসী, সমাজকৰ্মী, আদৰ্শ খেতিয়ক গোলাপ বৰাৰ বুধবাৰে নগাঁও চহৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ । স্বাধীনতা সংগ্ৰামী প্ৰয়াত যোগেন্দ্ৰ বৰাৰ পুত্ৰ গোলাপ বৰাই সৰুৰেপৰাই ধানখেতিৰ লগতে কুঁহিয়াৰ আৰু মৰাপাট খেতিত মনোনিৱেশ কৰি গোটেই জীৱনটো কৃষি ক্ষেত্ৰখনত একনিষ্ঠভাৱে লাগি থাকি অঞ্চলটোৰ ভিতৰতে তেওঁ এজন আদৰ্শ খেতিয়কৰূপে সকলোৰে মাজত পৰিচিত হোৱাৰ বিপৰীতে নিবনুৱাৰ বাবে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছিল। সামাজিক কাম-কাজত সদায় আগত থকা বৰা অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, চকলাঘাট শাখা সাহিত্য সভা, চকলাঘাট ৰাস মন্দিৰ, জাজৰি প্ৰেছ ক্লাব, ব্ৰাহ্মণগাঁও ব্যৱসায়ী সন্থা, ৰংমন গোষ্ঠী, জংগম সামাজিক-সাংস্কৃতিক গোষ্ঠীকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। সৎ, অমায়িক আৰু সৰবৰহী ব্যক্তি বৰাই মৃত্যুৰ সময়ত পত্নীসহ তিনি বিবাহিত জীয়ৰী, দুই পুত্ৰ, নাতি-নাতিনীকে ধৰি বহু আত্মীয়-স্বজনক এৰি যায়।


ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট
অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা
আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# তিনিচুকীয়া চহৰত আকৰ্ষণীয় ব'হাগী মেলা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১০ এপ্ৰিলঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াত অনুষ্ঠিত হোৱা ব'হাগী মেলাই জিলা সদৰলৈ ব'হাগী উৎসৱৰ উন্মাদনা কঢ়িয়াই আনিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা অভিযান আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত সদৰ থানা চাৰিআলিৰ ডাক বাংলা চৌহদত আয়োজিত এই মেলাত থলুৱা খাদ্য, পৰম্পৰাগত বস্ত্ৰ, হস্তশিল্প আদিৰ আকৰ্ষণীয় মেটমৰা সম্ভাৰ লৈ প্ৰায় ৭০ টা গ্ৰামীণ মহিলা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গুৰনীল সিঙে কালি সন্ধিয়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই মেলাখন ১২ এপ্ৰিললৈ চলিব। মেলাৰ সৈতে সংগতি ৰাখি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু জিলা গ্ৰামীণ জীৱীকা অভিযানৰ প্ৰকল্প প্ৰৱন্ধক মনজিৎ গগৈ উপস্থিত থাকে।

# নগাবন্ধাত শিক্ষক সমাজৰ ক্রিকেট প্রতিযোগিতাৰ ব্যাপক প্রস্তুতি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১০ এপ্রিলঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত পশ্চিম গৰৈমাৰী, নগাবন্ধা, বৰচলা আৰু পলাশজুৰি মণ্ডল সমল কেন্দ্ৰৰ সৌজন্যত নগাবন্ধা মাধ্যমিক বিদ্যালয় খেলপথাৰত অহা ১২ এপ্ৰিলত এখনি প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এই প্ৰতিযোগিতাৰ আয়োজক সমিতিৰহৈ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ইমদাদ হুছেইন, ছমীৰ আলী, মহম্মদ শ্বেইকুল খণ্ডকাৰ আৰু সমন্বয়ক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জানিবলৈ দিয়ামতে, সীমিত অভাৱৰ প্ৰতিযোগিতাখনত মণ্ডল সমল খণ্ডকেইটাৰ ডেৰকুৰিৰো অধিক প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পৰা শিক্ষকসকলে অংশগ্ৰহণ কৰিব। প্ৰায় দুশৰো অধিক শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত আয়োজিত প্ৰতিযোগিতাৰ বিজয়ী আৰু বিজিত দলক বঁটা প্ৰদানৰ উপৰি মেন অব দ্যা মেচ, শ্ৰেষ্ঠ বেটাৰ আৰু শ্ৰেষ্ঠ বলাৰকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।

# ৬৪ বছৰ বয়সত ক্রিকেটত অভিষেক ঘটিল 'চাইল্ড'ৰ

**লাবুগাৰিয়া, ১০ এপ্ৰিলঃ** যি সময়ত ক্ৰীড়াৰ জগতখনত ৩৫ বছৰ বয়সতে এগৰাকী খেলুৱৈক 'বুঢ়া' বুলি গণ্য কৰা হয়, সেই সময়তে ৬৪ বছৰ বয়সত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত প্ৰৱেশ কৰি চৰ্চিত হৈ পৰিছে এগৰাকী মহিলা খেলুৱৈ। এই অবিশ্বাস্য কৃতিত্ব অৰ্জন কৰিছে পৰ্তুগালৰ হৈ মহিলাৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অভিষেক ঘটোৱা জোৱানা চাইল্ডে। ৭ এপ্ৰিলত নৰৱে'ৰ বিৰুদ্ধে টি-২০ ছিৰিজৰ প্ৰথমখন মেচত তেওঁ অভিষেক ঘটায়। মেচখন আছিল লাবুগাৰিয়াত। কেৱল অভিষেক ঘটোৱাই নহয়, জোৱানাই ছিৰিজৰ তিনিওখন মেচতে খেলে। তেওঁৰ দলটোৱে ২-১ শৃংখলাত বিজয় লাভ কৰে। উল্লেখ্য যে, জোৱানাৰ বয়স যেতিয়া ৬৪ বছৰ আছিল, তেতিয়া মাত্ৰ ১৫ বছৰ বয়সৰ ইশ্ৰত চিমা একেটা দলতে আছিল। আন দুজন আছিল ১৬ বছৰীয়া মৰিয়ম ৰাছিম আৰু আফছিন আহমেদ।



আইপিএল ২০২৫: চেন্নাইৰ এমএছ ধোনীক পেভিলিয়নমুখী কৰাৰ পিছত উল্লাস পঞ্জাৱৰ যুজৱেন্দ্ৰ চহলৰ

## আঘাতৰ বাবে আইপিএল ছিজনৰ পৰা বাহিৰ অধিনায়ক ৰিতুৰাজ

# পুনৰ আইপিএলত চিএছকেক নেতৃত্ব দিবলৈ সাজু 'কেপ্টেইন কুল'

**চেন্নাই, ১০ এপ্ৰিলঃ** চেন্নাই ছুপাৰ কিংছৰ বাবে ডাঙৰ আঘাত। ঋতুৰাজ গাইকৱাদৰ কঁকালত পোৱা আঘাতৰ বাবে বাহিৰ হ'বলগীয়া হ'ল চলি থকা আইপিএলৰ পৰা। আৰু ইয়াৰ পিছতে চিএছকেৰ নেতৃত্বৰ ভাৰ কান্ধ পাতি ল'লে মহেন্দ্ৰ সিং ধোনীয়ে। মুখ্য প্ৰশিক্ষক ষ্টিফেন ফ্লেমিংয়ে এই খবৰ নিশ্চিত কৰিছে। ৩০ মাৰ্চত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলখনত তুষাৰ দেশপাণ্ডেৰ ডেলিভাৰীত আঘাতপ্ৰাপ্ত হৈছিল ঋতুৰাজ। তাৰ পিছত দিল্লী কেপিটেলছ আৰু পঞ্জাৱ কিংছৰ বিৰুদ্ধে খেলিছিল যদিও অৱশেষত এমআৰআইৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল যে তেওঁৰ কঁকাল ভাঙি গৈছে। ফ্লেমিংয়ে কয় যে আঘাতৰ পিছতো তেওঁ যি ধৰণে খেলিছিল সেয়া প্ৰশংসনীয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে ঋতুৰাজে পুনৰ খেলিব নোৱাৰিব। এতিয়া ধোনী দলৰ প্ৰয়োজনীয়তাৰ বাবে দলৰ নেতৃত্ব দিবলৈ সাজু হৈছে। উল্লেখ্য যে, পাঁচখন মেচৰ ভিতৰত চাৰিখন খেলত পৰাস্ত হৈ বৰ্তমান পইণ্ট তালিকাৰ নৱম স্থানত আছে চিএছকে। বিশেষকৈ বেটিং ক্ৰমত দলটোৰ ছন্দহীনতাই বাৰে বাৰে ব্যতিবস্ত কৰিছে চিএছকেক। এনে সময়তে দলৰ সৰ্বাধিক ৰান সংগ্ৰহকাৰীৰ ভিতৰত থকা ঋতুৰাজৰ বাদ পৰাটোৱে দলটোৰ সমস্যা অধিক বৃদ্ধি কৰিছে। অন্যহাতে ২০০৮ চনৰ পৰা ধোনীয়ে চিএছকেক ২৩৫খন খেলত নেতৃত্ব দিছে। তেওঁৰ নেতৃত্বত চেন্নাইয়ে ৫ টা আইপিএল খিতাপ আৰু দুখন চেম্পিয়নছ লীগ খিতাপ দখল কৰিছে। এইবাৰ পুনৰ অধিনায়কত্ব লৈ 'কেপ্টেইন কুল' ধোনীয়ে দলটোৰ ছন্দ ঘূৰাই আনিব পাৰিব নে নাই তাক লৈ চৰ্চা আৰম্ভ হৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি